# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

**কাৰ্যবিৱৰণী**
**তাৰিখ ঃ ০২/০৯/২০২০ বুধবাৰ**

---

**আজি ইংৰাজী ০২-০৯-২০২০ তাৰিখে পূৰ্বৰ নিৰ্ধাৰিত সময়-সূচীমতে অসম বিধান সভাৰ শৰৎকালীন অধিবেশনৰ কাৰ্যসূচী ৰাতিপুৱা ০৯-৩০ বজাৰ পৰা অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষঃ** Starred Question No.41- Aminul Islam.
Minister please.

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নগাওঁ আৰু মৰিগাওঁ জিলাত গৰাখহনীয়াৰ সমস্যাটো আটাইতকৈ ভয়াৱহ সমস্যা। এতিয়ালৈকে দেখা গৈছে যে এই গৰাখহনীয়াৰ সমস্যা বিগত ৪০-৫০ বছৰ ধৰি অব্যাহত আছে। মই সদনত অহাৰ আগদিনাও গৰাখহনীয়াৰ পৰিস্থিতি চাই আহিছো। অধ্যক্ষ মহোদয়, গৰৈমাৰী বজাৰেৰে উলুবাৰী অঞ্চললৈকে Bamboo bundle ৰ কাম হাতত লোৱা হৈছে। কিন্তু, Bamboo bundle ৰ ক্ষেত্ৰত দেখা যায় যে যেতিয়া bundle টো নদীৰ পাৰত বান্ধি দিয়ে , পানীয়ে আকৌ উটুৱাই লৈ যায়। তেতিয়া, আকৌ নতুনকৈ Bamboo bundle দিয়া হয়। এনেদৰে protection নহয়। এটা permanent nature ৰ protection যদি দিব পৰা নাযায়, তেনেহ'লে, মই ভাৱো Bamboo bundle ৰে বেছি দিনলৈ ধৰি ৰাখিব নোৱাৰি। আনহাতে, চলিত বিত্তীয় বৰ্ষত এতিয়ালৈকে কিমান ভূমি ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত উটি গ'ল, সেই সম্পৰ্কত তথ্য চৰকাৰে এতিয়ালৈকে দিব পৰা নাই। তথ্যখিনি হেনো চৰকাৰে বিচাৰি আছে। বিভাগে হয়তো কিমান গাওঁ, কিমান মাটি গৰাখহনীয়াত বিনষ্ট হ'ল, সেই সম্পৰ্কে ভালকৈ চোৱা নাই। সেয়েহে, এই তথ্যসমূহ অতি সোনকালে যুগুত কৰি চৰকাৰে দিব নেকি? দ্বিতীয়তে, Bamboo bundle ৰ উপৰিও temporary measure হিচাপে জৰুৰীকালীনভাৱে অন্য ব্যৱস্থা গ্ৰহণ কৰি গৰাখহনীয়া ৰখাব পৰা যায় নেকি এই সন্দৰ্ভত চৰকাৰৰ পৰা এটা উত্তৰ বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যদি সুবিধা দিয়ে, তেন্তে দুই-এটা কথা মই ইয়াৰ লগতে ক'ব বিচাৰিছো। এই গৰাখহনীয়াৰ সমস্যাটো মাননীয় সদস্য গৰাকীৰ ধিং সমষ্টিৰ কুকুৰাকটা পাহাৰৰ পৰা জখলাবন্ধাৰ ওচৰৰ মথাউৰিত আৰম্ভ হৈছে। সেই মথাউৰিটো প্ৰায় ৩.৫০ কিঃমিঃ অহাৰ পিছত কামাখ্যা পাহাৰ আৰু কামাখ্যা পাহাৰৰ পিছত ৮৫ কি ঃমিঃ শিলঘাটৰ পৰা ধিঙলৈকে আছে। তাৰ পিছত, আকৌ মৰিগাওঁ জিলাৰ ভিতৰত হিলৈখুন্দালৈকে ২৯ কিঃমিঃ আছে। এই আটাইখিনি প্ৰায় ১২০ কিঃমিঃ দৈৰ্ঘ্যৰ মথাউৰি। এই ১২০ কিঃমিঃ দৈৰ্ঘ্যৰ মথাউৰিটোৰেই কুকুৰাকটা পাহাৰৰ পৰা হিলৈখুন্দা অঞ্চললৈকে protection। কিন্তু, তাত আটাইতকৈ ভয়াৱহ ঘটনাটো হৈছে- খহনীয়া। খহনীয়াৰ ক্ষেত্ৰত সদস্য গৰাকীয়ে যি তথ্য বিচাৰিছে, সেই তথ্য বিচাৰি ৰাজহ বিভাগলৈ লিখিছো। কিন্তু, তেওঁলোকে উত্তৰ দিয়া নাই। কালি মই দেখিলো যে ৰাজহ বিভাগৰ উত্তৰ দিওঁতে বহুত দিন লাগিব পাৰে। এনে হোৱাৰ

ফলত আমি প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰত লিখিব লাগে যে-'উত্তৰ লিখা সময়লৈকে আমি তথ্য পোৱা নাই।' এইটো ভাল নহয়। সেইকাৰণে মই কালি নগাওঁ আৰু মৰিগাওঁ জিলাৰ উপায়ুক্তৰ লগত পোনপটীয়াভাৱে যোগাযোগ কৰি তেওঁলোকক formally বা informally হ'লেও ইয়াৰ তথ্য দিবলৈ কৈছিলো। তথ্য চোৱাৰ পিছত আমি জানিলো যে ধিং সমষ্টিত ধিং চক্ৰ আৰু লাহৰীঘাট চক্ৰ একেলগে আছে। ২০১৬ চনৰ পৰা ২০২০ চনৰ ভিতৰত ধিং চক্ৰত ১,৪৫৮ বিঘা মাটি আৰু লাহৰীঘাট চক্ৰত ২২,৯৪০ বিঘা মাটি গৰাখহনীয়াৰ ফলত নদীৰ বুকুত জাহ গৈছে। এই দুয়োটা ৰাজহ চক্ৰ মিলাই ২৪,৩৯৮ বিঘা মাটি জাহ গৈছে। পৰিয়াল হিচাপে চালে, ধিং চক্ৰত ৫৬ টা আৰু লাহৰীঘাট চক্ৰত ১,২৩৪ টা পৰিয়াল ভূমিহীন হৈছে। আমি যদি আৰু অকণমান আগলৈ গুছি যাওঁ, তেতিয়া দেখিবলৈ পাম যে বুঢ়াগাওঁ চক্ৰত ১০,২১৬ বিঘা, ৰূপহী চক্ৰত মাটি জাহ যোৱাৰ তথ্য নাই, চামগুৰি চক্ৰত ১,৫৬৭ বিঘা আৰু কলিয়াবৰ চক্ৰত ২,২৩০ বিঘা মাটি জাহ গৈছে। এই গোটেই তথ্যখিনি চালে আমি দেখো যে যথেষ্টখিনি মাটি ইতিমধ্যে জাহ গৈছে। আমি যদি অকল ধিং বা অকল বুঢ়াগাওঁ বা লাহৰীঘাট বা চামগুৰি বা কলিয়াবৰত কাম কৰিলে যে গৰাখহনীয়া ৰোধ হ'ব, তেনে নহয়। গৰাখহনীয়া ৰোধৰ বাবে যদি বৃহৎ প্ৰকল্প লোৱা নহয় তেন্তে ই পৰিপূৰক নহ'ব। কাৰণ ১৯৮৭ চনত ব্ৰহ্মপুত্ৰৰ ওপৰত কলীয়াভোমোৰা দলং হোৱাৰ পিছত তাৰ পানী সৰকি যোৱা ঠাই ঠেক হ'ল। তেতিয়াই upstream and downstream, দুয়োফালে খহনীয়া আৰম্ভ হ'ল। গতিকে, এনেদৰে খহনীয়া হৈ হৈ এতিয়ালৈকে ইমানখিনি মাটি জাহ গ'ল। তাত দ্বিতীয়খন দলং হোৱাৰ পিছত, তিনি-চাৰি বছৰ পিছত খহনীয়াই বহু গাওঁ উটুৱাই লৈ গ'ল। গতিকে, এই গোটেই বিষয়টো মাননীয় সদস্য গৰাকীয়ে সদনত উত্থাপন কৰাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। কাৰণ এই বিষয়টো সদনৰ দৃষ্টিগোচৰ হোৱাটো উচিত। ইয়াত কাম কৰাও হৈছে, গৰাখহনীয়া ৰোধৰ বাবে প্ৰায় ৭টা spar ইতিমধ্যে বনোৱা হৈছে আৰু অন্যান্য ধৰণৰ কিমান কাম কৰা হৈছে, কিমান grant কৰা হৈছে আৰু দিয়া হৈছে সেই সকলো কথা তথ্যত উল্লেখ কৰা হৈছে। মাননীয় সদস্যগৰাকীয়ে যোৱা ২৯ তাৰিখে মৰিগাওঁ Division ত গৈ তেওঁ spot সমূহ চাইছে আৰু ইঞ্জিনীয়াৰৰ লগত আলোচনাতো মিলিত হৈছে। গতিকে তেখেতৰ সমষ্টিত কি কি আঁচনি লোৱা হৈছে সেই বিষয়ে তেওঁ অৱগত হৈছে। অধ্যক্ষ মহোদয়, বানপানীৰ ক্ষেত্ৰত এই অঞ্চলটোৰ বাহিৰেও অসমৰ বিভিন্ন অঞ্চলত কাম কৰিবলগীয়া আছে। গতিকে, এই ক্ষেত্ৰত যদি বৃহৎ প্ৰকল্প নহয়, তেন্তে, এই ক্ষেত্ৰত কোনো ধৰণৰ সমাধান কৰিব পৰা নাযাব। যদি ভাৱে যে এইটো সমষ্টিত দিছে আনটোত দিয়া নাই, কিন্তু, upstream ত নকৰি downstream ত কৰিলে ঠিক নহ'ব। গতিকে, এই কামবোৰ কৰাৰ বাবে আমাক বিজ্ঞান সন্মত Master Plan ৰ প্ৰয়োজন হ'ব। ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম (ধিং):** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে তথ্যখিনি দাঙি ধৰাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। আচলতে সমস্যাটো এনেধৰণৰেই। মাননীয় মন্ত্ৰী মহোদয়ৰ সমষ্টিৰ বৰঘুলিত ৪১৯ কোটি টকাৰ proposal এটা দিয়া হৈছে। মইও মন্ত্ৰী মহোদয়ৰ লগত একমত যে- বিজ্ঞান সন্মত ভাৱে কামটো upstream ৰ পৰা আৰম্ভ কৰিব লাগিব যাতে down-stream ত মাটি siltation হয়। সেয়েহে, এনেধৰণৰ কেইবাটাও প্ৰকল্প অলপ দূৰত্বৰ মাজে মাজে যদি মায়ঙলৈকে লোৱা হয় তেতিয়া গোটেই অঞ্চলটো সুৰক্ষিত হ'ব। এই কামখিনি কৰাৰ বাবে অলপ বেছি টকাৰো প্ৰয়োজন হ'ব। গতিকে, মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে জলসম্পদ বিভাগত যাতে পৰ্যাপ্ত পৰিমাণৰ পইচা দিয়ে

আৰু কামবোৰ যাতে একেলগে সম্পন্ন কৰা হয়। এইখিনি কাম কৰিব বুলি মই আশা ৰাখি মোৰ বক্তব্য সামৰিছো । ধন্যবাদ।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে কোৱাৰ নিচিনাকৈ মৰিগাওঁ অঞ্চলতো এটা প্ৰকল্পৰ কাৰণে ADB বা বাহিৰৰ source ৰ পইচা লোৱাৰ বাবে ইতিমধ্যে আগবাঢ়িছো। কিন্তু, ADB য়ে পইচা দিয়াটো এক দীঘলীয়া প্ৰক্ৰিয়া। গতিকে, এতিয়া সকলো short term measures লোৱা হৈছে।

**মাননীয় অধ্যক্ষঃ** নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইং ০৬-০২-২০১৭ তাৰিখৰ প্ৰশ্ন নং ১৮২ ত গৰাখহনীয়াগ্ৰস্তৰ ওপৰত মোৰ এটা প্ৰশ্ন আছিল আৰু তাৰ উত্তৰত কৈছিল যে- ধিং ৰাজহ চক্ৰৰ মোৱামাৰী অঞ্চলত ১৩৩ টা পৰিয়ালৰ ঘৰ-বাৰী কৃষিভূমি সমন্বিতে খহাই নিয়াৰ মাটিৰ পৰিমাণ আছিল- ৭০৭ বিঘা ১ কঠা ৯ লেচা। উক্ত প্ৰশ্নৰ (গ) নং উত্তৰত কৈছিল- চৰকাৰে এইখিনিক সংস্থাপন দিয়াৰ বাবে বিবেচনা কৰি আছে আৰু কৈছিল যে গৰাখহনীয়াগ্ৰস্ত লোকসকল নিজ নিজ কৃষিভূমিত ঘৰ-দুৱাৰ সাজি বসবাস কৰি আছে। কিন্তু, এই উত্তৰটো সত্যৰ আধাৰত নাছিল বাবে মই বিশেষাধিকাৰ ভংগৰ প্ৰস্তাৱ আনিছিলো আৰু এই প্ৰস্তাৱ অনাৰ পিছত অধ্যক্ষ মহোদয়ে মোক মাতি নি কৈছিল যে মানুহৰ উপকাৰ হ'ব লাগে, কাম হ'ব লাগে আৰু সেয়েহে মন্ত্ৰী মহোদয়ে ইয়াৰ ব্যৱস্থা কৰি দিব। তাৰ পিছত মন্ত্ৰী মহোদয়ে নগাওঁ আৰু মৰিগাঁৱৰ উপায়ুক্তক ফোন যোগে কৈ দিছিল। ইয়াৰ পিছত, ০২-০৪-২০১৮ তাৰিখৰ মোৰ প্ৰশ্নৰ (গ) নং উত্তৰত কৈছিল যে- উক্ত ক্ষতিগ্ৰস্তলোকসকলৰ সংস্থাপনৰ বাবে অহা ছয় মাহৰ ভিতৰত চৰকাৰী নীতি অনুসৰি ব্যৱস্থা ল'বলৈ নগাওঁ জিলাৰ উপায়ুক্তক নিৰ্দেশ দিয়া হৈছে। কিন্তু, অধ্যক্ষ মহোদয়, আজি দুই বছৰ পাৰ হৈ গ'ল, এই ১৩৩ টা পৰিয়ালৰ কোনো এজন মানুহেও সংস্থাপন নাপালে। কিন্তু, চৰকাৰে ৬ মাহৰ ভিতৰত সংস্থাপন দিব বুলি কৈছিল। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা ল'ব আমাক জনাব লাগে।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে অনুগ্ৰহ কৰি মোক জনাব নে এই উত্তৰটো ৰাজহ বিভাগৰ নে জলসম্পদ বিভাগৰ? কোন মন্ত্ৰীয়ে দিছিল?

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** এই উত্তৰটো মন্ত্ৰী পল্লৱলোচন ডাঙৰীয়াই দিছিল।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** এই উত্তৰটো ৰাজহ বিভাগৰ । কাৰণ এনেধৰণৰ উত্তৰ দিয়া মোৰ মনত নাই । অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত গোটেই ব্যৱস্থা ৰাজহ বিভাগে ল'ব। আমি মাত্ৰ কিমানখিনি মাটি নষ্ট হ'ল, কিমানখিনি মানুহ ক্ষতিগ্ৰস্ত হৈছে, তাৰ তথ্য খিনিহে দাঙি ধৰিব পাৰিম। কিন্তু, পুনৰ সংস্থাপনৰ ক্ষেত্ৰত ৰাজহ বিভাগে ব্যৱস্থা ল'ব।

**মাননীয় অধ্যক্ষঃ** মই ভাৱো, যিহেতু তেওঁলোক বানপানীৰ কাৰণে খহনীয়াত ক্ষতিগ্ৰস্ত হৈছে আৰু এই বিষয়টোৰ লগত জড়িত বিভাগটো বেলেগ। কিন্তু, আপোনাক যিহেতু অৱগত কৰিছে, আপুনি বিষয়টো চৰকাৰৰ তৰফৰ পৰা গ্ৰহণ কৰা ভাল। আপুনি পাৰিলে এই সম্পৰ্কত ৰাজহ বিভাগৰ মন্ত্ৰীৰ লগত মিলি বিধায়ক গৰাকীৰ সৈতে আলোচনা কৰি ল'ব। তিনিগৰাকীয়ে মিলি আলোচনা কৰিলে গোটেই কথাখিনিৰ ক্ষেত্ৰত এটা settlement হ'ব। আপোনাৰ কথাটোও হয়, যে বানপানী- খহনীয়া আপোনাৰ বিভাগে নাচায়। দুই মন্ত্ৰী মিলি আলোচনাত বহিলে এই সমস্যাটোৰ নিশ্চয় কিবা সমাধান কৰিব পৰা যাব।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** হয়, ৰাজহ মন্ত্ৰীৰ লগত মিলি কথা পাতি ল'ম।

**माननीय अध्यक्षः** Next supplementary, Ananta Kumar Malo.

আপুনি Question টোৰ লগত relevant কথা ক'ব লাগিব। আজি বেলেগ এটা অঞ্চলৰ কথা ক'লে অসুবিধা হ'ব। যদি বেলেগ অঞ্চলৰ, তেন্তে পিছত ক'ব।

**শ্ৰী অনন্ত কুমাৰ মালো (অভয়াপুৰী দক্ষিণ)ঃ** অধ্যক্ষ মহোদয়, মই মোৰ সমষ্টিৰ বিষয়ে ক'ব ওলাইছো।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ সমষ্টি কোনটো অঞ্চলত পৰে? কলিয়াবৰৰ পৰা ধিং অঞ্চলত পৰে নেকি?

**শ্ৰী অনন্ত কুমাৰ মালো (অভয়াপুৰী দক্ষিণ)ঃ** অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰৰ সম্পৰ্কত কব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** আজি ব্ৰহ্মপুত্ৰৰ ওপৰত ক'ব নালাগে, পিছত ক'ব।

এতিয়া Question No.42- Pradip Hazarika,

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি)ঃ** অধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰটো পাইছো। ইয়াত প্ৰশ্নৰ উত্তৰটো যি ধৰণে দিছে, মই প্ৰশ্নখিনি পঢ়িবলৈ অসুবিধা হৈছে। মই প্ৰশ্ন কৰিছিলো যে-'শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ ৰূপহীমুখত বিধ্বংসী বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে যোৱা ১০ বছৰত কি কি ব্যৱস্থা হাতত লৈ আহিছে সদনক অৱগত কৰাব।' ইয়াৰ উত্তৰত ক'লে যে- ' শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ ৰূপহীমুখত বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধৰ বাবে শিৱসাগৰ জলসম্পদ সংমণ্ডলে FMP শিতানত ২০১১-১২ চনত 'Protection of Brahmaputra dyke from the erosion of river Brahmaputra from Dikhowmukh to Mukaloni (Dikhowmukh and Rupahimukh area)' প্ৰাক্কলনৰ মূল্য-১৪৬৮.৫৫ টকাৰ এখন আঁচনিৰ কাম কৰিছিল আৰু ২০১৫ চনত ইয়াৰ কাম সম্পূৰ্ণ হৈছে।' এতিয়া, ইয়াৰ কি কাম সম্পূৰ্ণ হ'ল, সেই আঁচনিখন কি আছিল, সেইটো স্পষ্টকৈ জনা নহ'ল। দ্বিতীয়তে, প্ৰশ্ন (খ) ত মই সুধিছিলো যে- 'সম্প্ৰতি ব্ৰহ্মপুত্ৰৰ প্ৰৱল গৰাখহনীয়াত ৰূপহীমুখ অঞ্চল বিলুপ্তি হোৱাৰ পথত- এই কথাযাৰ চৰকাৰৰ অৱগতনে?' ইয়াৰ উত্তৰত চৰকাৰ অৱগত বুলি জনাইছে। তাৰ পিছৰ প্ৰশ্ন (গ) ৰ উত্তৰত ক'লে যে- "এই অঞ্চলটো ৰক্ষণাবেক্ষণৰ বাবে বিভাগে 'Protection of South Bank Brahmaputra from Dikhowmukh to Rupohimukh' প্ৰাক্কলন মূল্য- ১৭১৬২.৫৪ লাখ টকাৰ খচৰা আঁচনি (Memo of works) প্ৰস্তুত কৰি ০৭-০৩-২০২০ তাৰিখৰ ৮০ তম কাৰিকৰী উপদেষ্টা সমিতিৰ সভাত অনুমোদনৰ বাবে উপস্থাপন কৰা হয়।" ইয়াৰ দ্বাৰা ২০১৫ চনলৈকে কি কাম হ'ল, জানিব পৰা নগ'ল। তাৰ পিছত ০৭-০৩-২০২০ তাৰিখে কাৰিকৰী উপদেষ্টা সমিতিক এই সম্পৰ্কত জনাইছে। গতিকে অধ্যক্ষ মহোদয়, এটা প্ৰশ্নৰ উত্তৰত এখন আঁচনি কৰি কাৰ্যকৰী কৰিছো বুলি কৈছে, কিন্তু, কি কাম কৰিছে তাৰ সবিশেষ একো নাই। দ্বিতীয়তে, ০৭-০৩-২০২০ তাৰিখে কাৰিকৰী উপদেষ্টা সমিতিক এই সম্পৰ্কত অৱগত কৰা বুলি কৈছে, কিন্তু সেইটো কি হৈছে, তাৰ উত্তৰটো ঠিক হোৱা নাই। তাৰ পিছত, প্ৰশ্ন (ঘ) ত মই সুধিছিলো যে-২০০৭-০৮ বৰ্ষত ৰূপহীমুখ অঞ্চলৰ সুৰক্ষাৰ বাবে ১০০ কোটি টকাৰ এখন আঁচনি চৰকাৰে প্ৰস্তুত কৰিছিল নেকি? ইয়াত কৈছে বিভাগৰ হাতত কোনো তথ্য নাই। মাননীয় অধ্যক্ষ মহোদয় মই আজি আপোনাক জনাওঁ যে কেন্দ্ৰীয় মন্ত্ৰী যেতিয়া আমাৰ যোৰহাট আৰু মাজুলী ভ্ৰমণ কৰিছিল মই ও তেতিয়া আছিলো। চাৰ্কিট হাউচত

এটা Video Demostration হৈছিল আৰু তাত এই আঁচনিসমূহৰ কথা কওঁতে মই ক'লো যে এই ৰূপহীমুখ অঞ্চলটোত যোৱা ২০ বছৰে অফলা, সৰাগুৰি চাপৰি, ৰামখাপীঠ, আলিমূৰ, পুৰণিগুদাম, মুকালনি, জাঁজীমুখলৈ গোটেই অঞ্চলটো যোৱা ২০-২৫ বছৰে এফেক্ট হৈ আছে আৰু এই বিষয়ে ৰাইজৰ প্ৰতিনিধিক জনাই আছে। এই আঁচনিখন Video presentation কিয় নিদিলে, কিয় দাঙি ধৰা নাই? তেতিয়া তেখেতসকলে কৈছিল যে অলপ কিছু অসুবিধা হৈছে, এইটো লোৱা হৈছে আৰু আমি দিম। কিন্তু আজি এই বিষয়ে বিভাগ অৱগত নহয় বুলি ক'লে। কিন্তু এতিয়া South Bank ৰ এটা বৃহৎ অঞ্চল নিমাতী ঘাটলৈ ব্ৰহ্মপুত্ৰখন আহি গৈছে। যোৱা ২০-২৫ বছৰে এফেক্ট হৈ আছে। সেই কাৰণে এই প্ৰশ্ন উত্তৰ সমূহৰ মই এইটোৱে জানিব বিচাৰিছো যে এই সমূহ অতি গুৰুত্বপূৰ্ণ বিষয়। মই নিজেও তেখেতক লগ কৰিছো আৰু বিভাগ আৰু বিভাগৰ বিষয়াক কৈ আছো। মই একেৰাহে লাগি থকাৰ পিছত বিজয় কৃষ্ণ সন্দিকৈ বাইদেউ যেতিয়া এম পি আছিল তেওঁ ও কৈছিল । নহ'লে এটা কাম কৰক যে আমাৰ সেইফালে যিমান মঠাউৰি আছে সকলোবোৰ খুলি দিয়ক যাতে সকলোৱে পানী পায়। মই বিভাগৰ উত্তৰত সন্তুষ্ট নহয়।

**মাননীয় অধ্যক্ষ ঃ** বিভাগীয় মন্ত্ৰীয়ে উত্তৰ দিয়ক।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ে তেখেতৰ লগত আৰু বিষয়াসকলৰ লগত বহি শিৱসাগৰ আৰু গুৱাহাটীত কেইবাবাৰো আলোচনা কৰিছো। ইয়াত যিটো উত্তৰৰ কথা কৈছে য'ত তেখেতো সন্তুষ্ট হোৱা নাই আৰু আমিও সন্তুষ্ট হ'বলগীয়া উত্তৰ নহয়। আজি ২০ বছৰে যিমানখিনি তাত খহনীয়া হৈ আছে, বিভাগে যিধৰণে তাত ব্যৱস্থা ল'ব লাগিছিল সেই ধৰণে ল'ব পৰা নাই। এই আঁচনিখন এখন বৃহৎ আঁচনি। ইয়াত যদি কিবা কৰিব লাগে সৰু-সুৰা আঁচনিৰে ইয়াত সমাধান নহয়। ৰূপহীমুখৰ মঠাউৰিটোৰ পৰা নদীখন অলপ দূৰত আছে। তাৰ আগতে এটা মঠাউৰি DRDA ৰ পৰা বনোৱা হৈছিল। সেই মঠাউৰিটো এইবাৰো ভাঙিছে আৰু আগতেও ভাঙিছে। সেইটো মঠাউৰি মেৰামতি কৰিছে আৰু সেইটো মঠাউৰি জলসম্পদ বিভাগৰ নিয়ন্ত্ৰণত নাই। কেতিয়াবা তাত গৈ আমি হয়তো অলপ চাপোৰ্ট কৰিছো। কিন্তু আমি পোনপটীয়াভাৱে তাত কাম কৰিব নোৱাৰো। কেতিয়াবা সেই মঠাউৰিটো যদি ভাঙে দ্বিতীয় জলসম্পদ বিভাগৰ যিটো মঠাউৰি সেই মঠাউৰিটো পানীয়েহে আহি কেতিয়াবা ভেটো দিয়ে আৰু দুয়োটা মঠাউৰিৰ মাজত থকা মানুহখিনি প্লাৱিত হয়। এইটোৱে তাৰ এটা প্ৰতিচ্ছবি। সেই ধৰণে মঠাউৰিটো ভঙাই নহয়, খহনীয়াও হৈ আছে। অৰ্থাৎ এই DRDA মঠাউৰিটোত খহনীয়াও হৈ আছে, কোনোবা বছৰ হয়তো বেছি হয় কোনোবা বছৰ হয়তো কম হয়। FMP ৰ যিটো আঁচনি আছিল সেইটো ২০১১-১২ ত হৈছিল। তাৰ কাম কিমান সুকলমে হৈছে মই এতিয়া সদনত ভালকৈ ক'ব নোৱাৰিম। কিন্তু FMP ৰ সেই আঁচনিখন কৰোতে তেওঁ ও সেই সময়ত বিধায়ক আছিল আৰু তেওঁৰো যদি দৃষ্টিগোচৰ হোৱা নাই গতিকে সেইটো আমাৰ বিচাৰ্য্যৰ বিষয় হৈ আছে। FMP তেনেকুৱাই হৈ আছে। এটা মঠাউৰিত ১৬২৩ জন ঠিকাদাৰ দিছিল। তেনেকৈ কাম হ'ব কেনেকৈ। আগৰ চৰকাৰে কিয় ইমান ঠিকাদাৰ দিছিল সেইটো আমাৰ বোধগম্য নহয়। তাৰ মানে অসমৰ সকলো মঠাউৰিতে হাজাৰ হাজাৰজন ঠিকাদাৰৰ দ্বাৰা কাম কৰাইছিল। তেনেক্ষেত্ৰত কি কাম হ'ব সেই বিষয়টো আপোনালোকে চিন্তা কৰি চাওঁক। তাত ঠিকাদাৰো বিচাৰি নাপায় কামো বিচাৰি নাপায়। কেন্দ্ৰীয় চৰকাৰে আমাক বিল বিচাৰিছে কিন্তু আমি ঠিকাদাৰ বিচাৰি পোৱা নাই। গতিকে এনেকুৱা অৱস্থা হৈছে। যাৰ ফলত FMP ৰ আমি যিমান পইচা পাব লাগিছিল সিমান পইচা পোৱা নাই। কাৰণ ঠিকাদাৰে নাই। যাক অৰ্ডাৰ দিলে তেওঁৰ পৰা বিল

আনিব পৰা নাই। এই কথাটোৰ কাৰণে ৰূপহীমুখৰ যিটো বিষয় লৈ আমি পৰ্য্যালোচনা কৰিছো। এখন পাইলট প্ৰজেক্ট আছে, সেইখনতো আছেই। টেক্‌নিকেল চেংচন সমিতিৰ পৰা এটা চেংচনো কৰাইছো। কিন্তু ইয়াৰ গোটেই কথাটো নিৰ্ভৰ কৰিব পুঁজিৰ ওপৰত। তাত ৫০০ মিটাৰকৈ তিনিটা স্কীম কৰিবলৈ ওলাইছে। ৫০০ মিটাৰত বহুত পইচা লাগে। গতিকে আমি এইবাৰ ৩০০ মিটাৰকৈ স্কীম কৰিব ওলাইছো। তাৰ কাৰণে পুঁজি নিৰ্ভৰ কৰিব বিত্তবিভাগৰ ওপৰত। আমাৰ হাতত থকা পুঁজিৰে সেই কামটো নহয়। গতিকে সেই চেষ্টাত আমি এতিয়া আছো।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো মই সদনত আগতেও প্ৰশ্ন কৰিছিলো। এতিয়া FMP ত যিখিনি পইচা খৰচ কৰিছিলো সেইখিনি ক'ত কৰিছে? সেইটোও গৈ যদি Grass Root Levelত চাই তেতিয়াহে গম পোৱা যাব। মই আৰু এটা কথাত আচৰিত হৈছো যে মই যেতিয়া ইঞ্জিনিয়াৰক কৈছিলো তেতিয়া তেওঁ কৈছিল যে আমাৰ Dyke টো দূৰত আছে। তাৰ মানে এইটো ভাঙিলেহে তেখেতসকলে চাব। এতিয়া যিটো DRDA কৰা বুলি কৈছে সেইটো আমি মানুহখিনিয়ে লাগি সৰুকৈ দিয়া পটী এটাহে। অফলা, সৰাগুৰি চাপৰি তাত আজানপীৰৰ দৰগাহ আছে, তাৰ পিছত ৰামখাপীঠ আছে। সেইটো দেওঁঘৰীয়াত আছে। তাৰ পিছত আলিমূৰ, পুৰণিগুদাম, ৰূপহীমুখ, কটাইখাম গড় যিটো ৰজাই বনাইছিল। তাৰ পিছত জাঁজীমুখ, নিমাতীঘাট আছে। এই গোটেই খিনি প্ৰায় ১৫-১৬ কিলোমিটাৰৰ অঞ্চলটো যোৱা ২০-২৫ বছৰে গড়াখহনীয়া আৰু বানপানী নিয়মীয়াকৈ হৈ আছে। এইটো অলপ হোৱা হ'লে মই এই প্ৰশ্নটো নানিলোহেঁতেন। এই আঁচনিসমূহ এতিয়াও বনাইয়ে আছে। ২০১৫ চনত তেওঁলোকে এই কামবোৰ কৰি শেষ হোৱা বুলি কৈছে। কিন্তু এতিয়ালৈকে কোনো কাম হোৱা নাই। সেইকাৰণে মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়টো চোৱা ভাল। দ্বিতীয় কথাটো হ'ল যে ৭-৩-২০২০ ত এতিয়া উপদেষ্টা সমিতিত এখন আঁচনি দিছে। সেইখন কেতিয়া হ'ব ঠিক নাই। কাৰণ ইমানদিন পাৰ হৈ গ'ল। ইয়াৰ আগতে যিখন আঁচনি বনাইছিল ৰূপহীমুখত এটা প্ৰাক্কলন বনাইছিল ৭০ কোটি নে ১০০ কোটি টকা। আজি এই বিষয়ে অৱগত নহয় বুলি ক'লে, এইটো এটা আচৰিত কথা। That has been discussed in front of the central minister. মোৰ কথাটো হ'ল যে এনেকুৱা ধৰণৰ ঐতিহাসিক স্থান থকা বৃহৎ অঞ্চল সমূহ গড়াখহনীয়াই এনেধৰণে খহাইছে আৰু বিভাগৰ মানুহে কয় যে আমাৰ Dyke টো পোৱাহি নাই। তাত যিসকল লোকৰ মৃত্যু হৈছে, ঘৰ ভাঙিছে তাৰ পৰা যাবলগা হৈছে, তেওঁলোকৰ মাটি জাহ গৈছে সেইসকলৰ ৰক্ষণা-বেক্ষণ দিয়াৰ দায়িত্ব আমাৰ আছে নে নাই? যদি ৰাজ্য চৰকাৰে পইচা দিব নোৱাৰে প্ৰয়োজন হ'লে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰক। নহ'লে মঠাউৰি সমূহ আঁতৰাই দিয়ক আৰু আমি সেইধৰণে থাকিম। ৰাজ্য চৰকাৰে এনেকুৱা এটা কঠোৰ স্থিতি ল'ব নেকি যে তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি সেই কামটো কৰিব।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কেন্দ্ৰীয় চৰকাৰলৈ এই আঁচনি বনাই প্ৰেৰণ কৰিছো। তাৰ পৰা কি ধৰণৰ উত্তৰ আহে সেই বিষয়ে মই ইয়াত ভালদৰে ক'ব নোৱাৰিম। ইয়াৰোপৰিও আমি মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰীক কম যে ইয়াৰ কাৰণে এটা পুঁজি আমাক লাগে। তাৰ বাবে আমি চেষ্টা কৰিম। তেখেতে যিটো অৱগত নোহোৱাৰ কথা কৈছে আমি ইয়াত লিখিছো যে পাইলট প্ৰজেক্ট কৰাৰ কাৰণে তেওঁলোকে পৰামৰ্শ আগবঢ়াইছিল। আমি তেনেধৰণে কামটো কৰিছো। গতিকে এইখিনিত আমি একেবাৰে আগ নবঢ়া নহয়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়, মই এটা কথা দেখিছো যে প্ৰায় ১৪.৫০ কোটি টকাৰ

আঁচনি এখনৰ কাম তেখেতে ইয়াত একো নাই হোৱা বুলি কৈছে। আপুনি এইটো বিষয় চাব লাগে। কাৰণ একো নকৰাকৈ পইচা গুচি গ'ল। মই আপোনাৰ পৰা ইয়াৰ উত্তৰ বিচৰা নাই।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কৈ থলে ভাল হ'ব যে এই প্ৰত্যেকখন আঁচনি ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ দলে Join visit কৰিছে। য'ত কাম হোৱা নাই আমি পইচা বন্ধ কৰি দিছো।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই স্থান সমূহত কোনো মানুহে ভিজিট কৰা নাই।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, FMP ৰ প্ৰত্যেকটো প্ৰজেক্টতে Join visit হৈছে।

**মাননীয় অধ্যক্ষ ঃ** মই ইয়াৰ উত্তৰ বিচৰা নাই। কিন্তু এই টকাবোৰ ৰাইজৰ টকা। গতিকে তেখেতে এটা গুৰুতৰ অভিযোগ দিছে। এই বিষয়টো চোৱা ভাল হ'ব। বানপানী নিয়ন্ত্ৰণৰ সমস্যাবোৰ আমি সকলোৱে জানো। কেন্দ্ৰীয় চৰকাৰেও হয়তো ইমান বেছি টকা এখন ৰাজ্যক দিব পাৰিব নে নাই ক'ব নোৱাৰো। আপোনাৰ প্ৰচেষ্টাটো অতি ভাল হৈছে। চেষ্টাটো অব্যাহত ৰাখক যাতে এই অঞ্চলসমূহ ৰক্ষা কৰিব পাৰি। তাতকৈ বেছি আমি ইয়াত আলোচনা কৰিব নোৱাৰি।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো যে এই আঁচনিসমূহ ২০১১-১২ আগৰ চৰকাৰে লোৱা আঁচনি। নহ'লে এনেকুৱা হ'ব যে এইবোৰ এতিয়া লোৱা আঁচনি। FMP ৰ প্ৰত্যেকটো প্ৰজেক্টতে Join visit হৈছে।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই স্থান সমূহত কোনোৱে পুনৰ পৰিদৰ্শন কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** স্কীম সমূহ ২০১১-১২ চনৰ আৰু সেই সময়ত নিশ্চয় পইচা খৰচ হৈছে। ২০১১-১২ চনত আপুনি তেতিয়া মন্ত্ৰী নাছিল। মই আপোনাক দোষাৰোপ কৰা নাই। কিন্তু বিভাগীয় বিষয়াসকল থাকে তেওঁলোকে এইবোৰ চাব লাগে। মোক ইয়াৰ আৰু কোনো উত্তৰ নলাগে। এতিয়া প্ৰশ্ন নং-৪৩।

**শ্ৰী সঞ্জয় কিষাণ (শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন কৰিছিলো তাৰ ক, খ, গ, ঘ তাৰ কৰ উত্তৰত মই সন্তুষ্ট হৈছো। কিন্তু বাকীকেইটা উত্তৰত মই সন্তুষ্ট হ'ব পৰা নাই। প্ৰশ্ন নং-ক ত কৈছিলো ক'ভিড-১৯ৰ পৰা অসংগঠিত ক্ষেত্ৰৰ শ্ৰমিকৰ সমস্যা সম্পৰ্কে চৰকাৰ অৱগত নেকি? তেওঁলোকে ক'লে চৰকাৰ অৱগত হয়। তাত মই সন্তুষ্ট । অসংগঠিত যিখিনি শ্ৰমিক আছে তেওঁলোকক ২০০০ কৈ টকা দিয়া হৈছে। বহুখিনিয়ে পাইছে বহুখিনিয়ে পোৱা নাই। জৱকাৰ্ড দিব বুলি কৈছিল কিন্তু এতিয়ালৈকে দিয়া হোৱা নাই। যিখিনি অসংগঠিত ক্ষেত্ৰৰ শ্ৰমিক বাহিৰৰ পৰা আহিল তেওঁলোক যিমান দিনলৈ ক'ভিড থাকিব তেতিয়ালৈকে থাকিব। তেওঁলোকেতো বাচি থাকিব লাগিব তেওঁলোকৰ বাবে আপোনালোকে কিবা এটা পৰিকল্পনা কৰক। যাতে তেওঁলোকক আমি বচাব পাৰো। শ্ৰম বিভাগে যাতে কিবা এটা দায়িত্ব লয়। আন এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে যিসকল এফেক্টড শ্ৰমিক আছে, ফুটপাথৰ ব্যৱসায়ী, ৰিক্সা চালক, অট'চালক, চেলুন কৰ্মী, বেণ্ড পাৰ্টী আদিকে কৰি যিখিনি শ্ৰমিক আছে তেওঁলোকৰ বিষয়ে চিন্তা কৰিব লাগে। লকডাউন প্ৰথমতে ৪০ দিন হ'ল। তেওঁলোকে কাম কৰিব পৰা নাই। বৰ্তমান বৰাক উপত্যকাত পুনৰ ১০ দিন লকডাউন

দিছে। তেওঁলোকে কাম কৰিব পৰা নাই। এই দৈনিক হাজিৰা কৰা শ্ৰমিক সকলে প্ৰত্যেক দিনা কাম কৰি ঘৰত পইচা লৈ যায় আৰু ঘৰ চলাই থাকে। এতিয়া তেওঁলোকৰ ঘৰটো কৈনেকৈ চলিব। মোৰ প্ৰশ্নৰ উত্তৰত ক'লে যে বিভিন্ন স্কীমৰ জৰিয়তে । এতিয়া প্ৰশ্নটো হৈছে যে স্কীম সমূহ কি কি? কেনেদৰে দিয়া হ'ব? পৰিকল্পনাটো কি? আপোনালোকে কি চিচষ্টেম বনাইছে? এই সমূহ কথা যদি স্পষ্ট নহয় এই মানুহবিলাক মৰিব নেকি? মই উত্তৰটো স্পেচিফিক বিচাৰিছো।

**শ্ৰী সঞ্জয় কিষাণ (শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে জনাইছো জে অসংগঠিত শ্ৰমিক সকলৰ ভিতৰত নিৰ্মাণ শ্ৰমিক সকলৰ বাবে অসম গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ পৰিষদৰ অধীনত পঞ্জীয়ণ কৰা হয় আৰু যিসকলৰ পঞ্জীয়ণ আছিল তেওঁলোককহে ২০০০ টকাকৈ দিব পাৰিছো। তেনেধৰণে শ্ৰমিকে আবেদন কৰিলে তেখেত সকলৰ মুঠতে ২,২২১,৩৭৪ জনক ২০০০ টকাকৈ দিয়া হ'ল। কথা হ'ল যে ক'ভিডক লৈ সমগ্ৰ বিশ্বৰ লগতে আমাৰ অসমতো নতুনকৈ পৰিস্থিতিৰ সৃষ্টি হ'ল। মাননীয় বিধায়কে ঠেলা চালককে লৈ অন্যান্য যিসকল ৰ কথা কৈছে এই সকলে যোৱা দিনসমূহত আমাৰ শ্ৰম বিভাগৰ লগত তেনেধৰণে কোনোধৰণৰ যোগসূত্ৰ কৰা নাছিল । এতিয়া আমি নিজেই এই কথাটো বিবেচনা কৰিছো যে তেওঁলোকৰ কাৰণেও নিশ্চয় আমি কৰিব লাগিব যিহেতু গোটেই অসমৰ বাবে নতুন এটা পৰিস্থিতি সৃষ্টি হৈছে। সেইকাৰণে ইতিমধ্যে আমি অন্যান্য ধৰণৰ কথাবোৰ চিন্তা কৰিছো। অসংগঠিত শ্ৰমিক সুৰক্ষা আইনৰ অধীনত ধাৰা ৩ আৰু ধাৰা ৪ মৰ্ম্মে একাধিক্ৰমে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে এই অসংগঠিত শ্ৰমিক সকলৰ বাবে স্বাস্থ্য, প্ৰসূতি, শিক্ষা, গৃহ নিৰ্মাণ, পেঞ্চন, দুৰ্ঘটনা ৰ ক্ষেত্ৰত সময়ে সময়ে আঁচনি প্ৰস্তুত কৰিছো। এই যি সকলৰ কথা প্ৰশ্ন কৰিছে তেখেত সকলৰ বাবে ইতিমধ্যে অসংগঠিত শ্ৰমিক যেনে পৰিবহণ শ্ৰমিক, ঘৰুৱা শ্ৰমিক, ক্ষুদ্ৰ চাহবাগিচাত কাম কৰা শ্ৰমিকৰ বাবে ৩খন আঁচনি আমি ইতিমধ্যে প্ৰস্তুত কৰি আছো। আঁচনি কেইখন হ'ল একাদিক্ৰমে অসম মটৰ পৰিবহণ শ্ৰমিক মজুৰি সুৰক্ষা আঁচনি ২০২০। অসম ঘৰুৱা শ্ৰমিক সামাজিক সুৰক্ষা আঁচনি ২০২০। অসম ক্ষুদ্ৰ চাহবাগিচা সামাজিক সুৰক্ষা আঁচনি ২০২০। আমি এইখিনি নতুনকৈ কৰিবলৈ গৈ আছো। আপোনালোকে জানে আগতেওঁ আমি তেখেত সকলৰ বাবে যথেষ্ট খিনি কৰিছো। তেওঁলোকৰ ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ কাৰণে পইচা দিছো। চিকিৎসাৰ বাবে পইচা দিছো। তেনেধৰণৰ বিভিন্ন আঁচনি আছে। যাৰ বিষয়ে ক'বলৈ গ'লে যথেষ্ট দীঘলীয়া হ'ব। নতুনকৈ যিখিনি শ্ৰমিক অসুবিধাত পৰিছে তেওঁলোকোৰ বাবেও আঁচনি প্ৰস্তুত কৰিছো যাতে তেওঁলোকক সহায়-সহযোগিতা কৰিব পাৰো। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে শ্ৰমিক সকলে যোগাযোগ কৰিব নালাগে। যিহেতু শ্ৰম বিভাগ আছে তেওঁলোকে যোগাযোগ কৰিব। SITA ৰ ৰিপোৰ্ট মতে ১৫ ৰ পৰা ২৭ লাখ শ্ৰমিক এফেক্টেড হ'ব। তেওঁলোকে হয়তো কাম বা পইচা নাপাব। যেতিয়া এফেক্টেড শ্ৰমিকৰ লিষ্টখন কৰিমগঞ্জ আৰু প্ৰত্যেক জিলাৰ পৰা আনিছে তেতিয়াহ'লে তেওঁলোকৰ একউণ্টত কিয় পইচা নাযায়। আজিৰ এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি হৈছে যে দৈনিক হাজিৰা কৰা লোকসকলে নিজৰ ঘৰখন চলাব পাৰ নাই। কিন্তু যিখিনি স্কীমৰ কথা কৈছে সেইখিনি স্কীমত কিন্তু আমি এই সকল শ্ৰমিকৰ কাৰণে আমি একো কৰিব পৰা নাই। সেইটো কাৰণে মই ভাৱো যে যিহেতু আপোনালোকৰ বিভাগটো আছে এনেকুৱা এটা প্লেন কৰক যাতে মানুহ কেইটা বাচিব পাৰে। নহ'লে মানুহবিলাক জীয়াই নাথাকে। সেইকাৰণে আমি বিচাৰো যে শ্ৰম কল্যাণ বিভাগৰ পৰা যাতে চাপলিমেণ্টাৰী ডিমাণ্ড এটা আহে তেতিয়ালৈকে আমি পৰ্য্যাক্ৰমে

এইটো কৰিম। গতিকে বিভাগৰ ওচৰত আমাৰ অনুৰোধ থাকিল যে এইখিনি শ্ৰমিক যাতে বাচি থাকিব পাৰে তাৰ বাবে কিবা এটা ব্যৱস্থা কৰক। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীসঞ্জয় কিষান (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ** আমি আচলতে আপোনাক কৈছো যে, যিসকলৰ একাউণ্টত যদি কাৰোবাৰ কেনেবাকৈ পইচা সোমোৱা নাই, আমি পাছত দেখিছো যে, তেওঁলোকৰ একাউণ্টবোৰ একটিভ নহয়। কিন্তু যিসকলৰ সুক্ষ্মভাৱে আছে আৰু তেওঁলোকৰ একাউণ্টত পইচা সোমাইছে আৰু মই আপোনাকো অনুৰোধ কৰিছো যে আপোনাৰ অধীনত যিসকল আছে, আপুনি যদি জানে তেখেতসকলক অকনমান সহায় কৰক যাতে তেওঁলোকৰ একাউণ্টবিলাক clear ৰাখক। আমাৰ পইচা আছে, আমি দিব পাৰো এনেই একো অসুবিধা নাই। কিন্তু আমি মাজে মাজে অধ্যক্ষ ডাঙৰীয়া, আমি কেম্প কৰো, কেম্প কৰি সেই শ্ৰমিক সকলক তেওঁলোকৰ registration ৰ কাৰণে তেওঁলোকক সজাগতা কৰিছো যাতে তেওঁলোকে registration কৰায় আৰু তেনেকৈ এতিয়া বহুত ওলাই আহিছে, তেওঁলোকে registration কৰিছে। মই সকলো বিধায়কক অনুৰোধ কৰিম যাতে তেখেতসকলে এই পঞ্জীয়নৰ ক্ষেত্ৰত সকলোকে সহায় কৰে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সহায় কৰিবলৈ আমি সাজু। কিন্তু কথাটো হৈছে বিভাগ যেতিয়া আছে, একাউণ্টটো ঠিক আছে নে নাই, বিভাগে চাব লাগিব বস্তুবোৰ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, আপুনি তেখেতক অকনমান মাতি কথাখিনি পাতিব।

**শ্ৰীসঞ্জয় কিষান (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ** নিশ্চয়।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীজাকিৰ হুছেইন সিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে শ্ৰম কল্যাণ বিভাগৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই আমাৰ সতীৰ্থ বিধায়ক ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰ দিছে। মোৰ এটা Starred Question No. 54, একেধৰণৰ প্ৰশ্ন। আচলতে বিভাগটোৰ নাম হ'ল শ্ৰম কল্যাণ। কিন্তু বিধায়ক হোৱাৰ পিছত আজিৰ তাৰিখলৈকে শ্ৰম কল্যাণ নামটো কিয় দিলে এইকেইদিন এই বিভাগৰ কাম-কাজতে অলপ ভাবিবলৈ বাধ্য হৈছো, শ্ৰম কল্যাণ নহয়, বেলেগ কিবাহে হ'ব লাগিছিল।

**মাননীয় অধ্যক্ষ ঃ** Supplementary টো সুধক।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই কথাটো পোনপতীয়াকৈ জানিব বিচাৰিছো। এই চৰকাৰে ২০১৬ চনৰ পৰা বৰ্তমানলৈকে 99.91 কোটি টকা শ্ৰম কল্যাণ বিভাগৰ জৰিয়তে খৰচ কৰিছে আৰু এতিয়ালৈকে এই বিভাগৰ হাতত, বিভাগে দিয়া উত্তৰ মতে ১০১১.১৭ কোটি টকা ইতিমধ্যে জমা আছে। আমি প্ৰশ্ন কৰিছিলো বিভিন্ন ধৰণৰ এই শ্ৰম বিভাগে কেনেকৈ পঞ্জীয়ন কৰে, Lock Down ৰ মাজত বাহিৰৰ পৰা কিমান শ্ৰমিক অসমলৈ ঘুৰি আহিল।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ প্ৰশ্নটোত আছিলে। এতিয়ালৈ অহা নাই।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো অলপ যিহেতু শ্ৰমিকসকলৰ লগত জড়িত।

**মাননীয় অধ্যক্ষ ঃ** আপোনাক allow কৰিছো, descriptive হ'ব নালাগে।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথা হ'ল যে একহাজাৰৰ

ওপৰৰ কোটি টকা জমা থকাৰ পাচতো এই বিভাগে কিয় খৰছ কৰিব নোৱাৰে। মন্ত্ৰী ডাঙৰীয়াই অলপ আগতে কৈছে যে আমি কেম্প কৰিছো। অধ্যক্ষ ডাঙৰীয়া মই আপোনাৰ জৰিয়তে জানিব বিচাৰিছো বৰপেটা জিলাত তেখেতসকলৰ বিভাগৰ বিষয়া সকলে যোৱা চাৰে চাৰিটা বছৰত কোন দিনা ক'ত কি কেম্প কৰিছে? বিশেষকৈ শ্ৰমিক সকলৰ লিখা পঢ়া কম থাকে, তেওঁলোকে কাম কাজত ব্যস্ত থাকে। তেওঁলোকৰ অফিচত ঘুৰিবলৈ সময় নাথাকে। গতিকে তেওঁলোককে যে চৰকাৰৰ ফালৰ পৰা বাৰটা আচঁনিৰ দ্বাৰা উপকৃত হ'ব পাৰে বিভাগৰ জৰিয়তে এই বিষয়ে তেওঁলোকক জ্ঞাত কৰা নহয়। দুই চাৰিটা হৰ্ডিং আমি বিভিন্ন ৰাস্তাৰ আশে পাশে দেখা পাও। গতিকে ইমানখিনি টকা জমা থকাৰ পিছতো এই বিভাগে কিয় খৰছ কৰিব নোৱাৰে, এই বিভাগৰ দ্বাৰা কিয় পঞ্জীয়নভুক্ত নহয়, আমাৰ অসমত হাজাৰ হাজাৰ লাখ লাখ শ্ৰমিক আছে। মই আপোনাৰ জৰিয়তে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Main যিজনে প্ৰশ্ন কৰে, মই তেওঁক অলপ সময় দিও। বাকী Supplementary always should be short.

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** অতিকৈ গুৰুত্বপূৰ্ণ বিষয়।

**মাননীয় অধ্যক্ষ ঃ** এইটো Discussion hour. Minister.

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** অধ্যক্ষ মহোদয়, একহাজাৰ কোটি টকা জমা আছে তথাপিও কাম কৰিব পৰা নাই। এইটো গুৰুত্বপূৰ্ণ বিষয় ক'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব। আপুনি বহক। আপোনালোকে এনেকুৱা হেচা নিদিব। Please. You are not allowed. Plesase sit down. Minister. কিয় এইবিলাক কৰি থাকে। Question Hour ত disturb কৰে। You give a answer. You answer me.

**শ্ৰীসঞ্জয় কিষান (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি সময় পাও মই গোটেইখিনি গায় দিব পাৰো যে আমি কি কি শিতানত পইচা খৰছ কৰিছো। যোৱা দিন বিলাকত অধ্যক্ষ ডাঙৰীয়া, এই অফিচ বিলাক একেবাৰে মৃতপ্ৰায় অৱস্থা আছিল। আমি BOCW Under ত এতিয়া registration কৰিছো তাত কম্পিউটাৰৰ ব্যৱস্থা কৰিছো। Labour Officer সকলক গাড়ীৰ ব্যৱস্থা কৰিছো যাতে অফিচ বিলাক সক্ৰিয় হয়। মই কৈছো অধ্যক্ষ ডাঙৰীয়া, আপোনালোকক জনা বৰ কাৰণে চেষ্টা কৰিছো। এই শিতানত, এখেতসকলে কৈছে যে, ইমান টকা আছে।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** ক'ত কৰিছে?

**(সদনত হুলস্থুলীয়া পৰিৱেশ)**

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ হ'ল নে নাই? মন্ত্ৰী ডাঙৰীয়া আপুনি বহি দিয়ক। মই আপোনাক কৈছো, বহিব নে নবহে? আপোনালোকে Question Hour নিবিচাৰিলে মোৰ কবলগীয়া একো নাই। Please.

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** শ্ৰমিক সকলৰ কাৰণে অতিকৈ গুৰুত্বপূৰ্ণ বিষয়। Lock Down ৰ কাৰণে কৰ্ম হেৰাই গৈছে। তাৰ পাছত বিভাগে চালে বেৰে কোবাই উত্তৰ দিছে।

**মাননীয় অধ্যক্ষ ঃ** মই আছো নহয় চাবলৈ। মই এটা কথা কওঁ, সদনত আমি আহো Question Hour টো ইমান valuable যে আমি ছজন মানলৈ যাব বিচাৰো। সেইকাৰণে মই কৈছো যে

সদায় আপোনালোকে Parliament টো চাব। অলপ Question বিলাক Short হ'লে ভাল। Descriptive হলে সময় যায়। সেইকাৰণে মই কৈ আছো Questioner যিজন আছে তেওঁ অকনমান কৰই কাৰণ তেওঁৰ Question. বাকী যিবিলাক Supplementary একেবাৰে Short হ'ব লাগে। জাকিৰ হুছেইন সিকদাৰৰ কথাটো কি যে তেওঁলোকৰ বৰপেটাত এনেকুৱা কেম্প হোৱা নাই, হ'ব লাগে।

**(সদনত হুলস্থুলীয়া পৰিৱেশ)**

**মাননীয় অধ্যক্ষ ঃ** What is this ? Please sit down. Let them speak .Member please sit down. . যদি উত্তৰ লাগে। মই উত্তৰ দিবলৈ দিম। আপোনালোকৰ Leader থিয় হৈছে, Leader of the Opposition যদি থিয় হয়, তলৰ কেইজন যদি বহিব নোৱাৰে, What is the decipline. আৰু ইয়াত চিঞৰি ৰণ জয় কোনেও কৰিব নোৱাৰে। কি কৈ আছে ৰাইজে সকলো গম পায়। আমাৰ কথা হৈছে Question সুধিব লাগে, উত্তৰ ল'ব লাগে। চিঞৰ-বাখৰ কৰি লাভ নাই। আপোনালোকে Decipline maintain কৰক।

**(সদনত হুলস্থুলীয়া পৰিৱেশ)**

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যথেষ্ট গুৰুত্বপূৰ্ণ প্ৰশ্ন আছিল। অসংগঠিত ক্ষেত্ৰত শ্ৰমিকৰ সমস্যা এইক্ষেত্ৰত হয়, কথাখিনিৰ প্ৰশ্নৰ উত্তৰটো সঠিকৈ পোৱা নাই। এই কথাটো সঁচা মহোদয়। যোৱা কালি Sita Report মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই কৈছে, Academic Study. কিন্তু Academic Study নহয় সেইটো যথেষ্ট মই পঢ়িছো গোটেইখিনি তাত বিভিন্ন মানুহক সাক্ষাৎ কৰি এই ৰিপোৰ্ট টো লোৱা হৈছে। আমি কোনো বিশেষজ্ঞ হ'ব নালাগে, যদি ৰাজপথত যোৱা যায়, তেতিয়াহ'লে দেখা যাব দোকান, পোহাৰ কেনেকৈ বন্ধ হৈ গৈছে। সকলোৱে registration নকৰে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে কি উত্তৰ বিচাৰিছে কওঁক।

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখিনি কথা আমাৰ সদস্য সকলে কৈছে, এইখিনি কথা একেবাৰে অসত্যও নহয়। ইতিমধ্যে বাতৰি কাকতত প্ৰকাশ পাইছে। তেখেতসকলে যি স্কলাৰশ্বিপৰ কথা কৈছিল, যিটো কথা ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কৈছে এইক্ষেত্ৰত দুবাৰ তিনিবাৰ তেওঁলোকে list upload কৰিব লগা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ৰূপজ্যোতি কুৰ্মীৰ বিষয়টো কি? সকলো কথাতে Supplementary নাহে। এতিয়া এখেত সকলে যিটো কৈছে গুৰুত্বপূৰ্ণ প্ৰশ্ন। মই বুজিপাও যে যিবিলাক ঘুৰি আহিছে, তেওঁলোকৰ কাৰণে কি Welfare Measure লৈছে। আপোনালোকে suggestion দিব লাগে। মন্ত্ৰীয়ে কৈছে. যথেষ্ট লৈছে। কিন্তু মই ইচ্ছা কৰিলে আপোনালোকৰ লগত এবাৰ বহুৱাব পাৰো। কামটোহে হ'ব লাগে। ৰূপজ্যোতি কুৰ্মী মই এটা অনুৰোধ কৰিম। হাউচটো চলিবলৈ অকনমান সহযোগ কৰিব। আপুনি, নাই কৰা বুলি নাইকোৱা। কিন্তু কৰিব লাগিব। এইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। আমাৰ এটা message যাব লাগে হাউচৰ পৰা। মই কৈছো যে, যিখিনি শ্ৰমিক বাহিৰৰ পৰা ঘুৰি আহিলে, তেখেতসকলৰ স্বাৰ্থত আজি Question টো হৈছে। গতিকে চৰকাৰে কৈছে বিভিন্ন পলিছি আছে কিন্তু গোটেইখিনি describe কৰিবলৈ অসুবিধা। এইটো এটা সকলোৱে সমস্যা, ৰাজ্যখনৰ সমস্যা। এইটো চৰকাৰ বা বিৰোধী কথা নহয়। গতিকে আমি যদি সংগবদ্ধভাৱে কামটো কৰিব পাৰো সকলোৱে ভাল হ'ব। মন্ত্ৰীৰ হাতত টকা আছে বুলি কৈছে, টকা আছে, তেখেতে কৈ দিছে ইমানখিনি টকা আছে আমাৰ হাতত। মই লিখিছো সেই কাৰণে। গতিকে এই যিখিনি টকা তেখেতৰ আছে সেইখিনি যথেষ্ট। কিন্তু কথা হৈছে চিষ্টেমটো, কেনেকৈ তেওঁলোকে গৈ পাবগৈ।

সেই কামটো কৰাৰ ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়া মই আপোনাক এটাই suggestion দিছো, আপোনালোকে যিকেইজন Leader আছে হাউচৰ, তেওঁলোকক মাতি ক'ত ক'ত কি আছে আপোনালোকে জানি লৈ এই মানুহখিনিক যাতে সকাহ দিয়ে। চৰকাৰৰ হাতত টকা আছে বুলি কৈছে, গতিকে আমি চিন্তা কৰা নাই। গতিকে এই কামটো কৰক।

**শ্ৰীমামুন ইমদাদুল হক চৌধুৰী (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Organisation and unorganisation Sector ৰ শ্ৰমিক সকলৰ পইচা আছে বুলি কোৱাৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। আপুনি ইয়াত এটা উত্তৰ দিছে যে, এইসকল মানুহৰ কাৰণে আপোনালোকে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। এই বিভিন্ন মানে টো কি যদি লিষ্টখন দি দিলে হয়, এই দহ পোন্ধৰ মিনিট হুলস্থূল নহ'ল হয়। আপুনি আমাক দিয়া নাই। তাৰ পাছত মাননীয় মন্ত্ৰী মহোদয়, অসংগঠিত শ্ৰমিকৰ তথ্য, আপুনি কৈছে অসংগঠিত শ্ৰমিকৰ প্ৰণালীবদ্ধ তথ্য (date base)প্ৰস্তুত কৰি থকা হৈছে। এইটো বৰ দুৰ্ভাগ্যৰ বিষয় যে এটা লেবাৰ ডিপাৰ্টমেণ্টৰ নিচিনা ডিপাৰ্টমেণ্ট যিটো সাংঘাটিক এটা জৰুৰী ডিপাৰ্টমেণ্ট আৰু এই সম্পৰ্কত আৰু এদিন মই অসম বিধান সভাত আনিছিলো যে Social Security Act খন এই লেবাৰ ডিপাৰ্টমেণ্টে পুংখানুপংখভাৱে পালন কৰিব লাগে। এতিয়া আপোনালোকৰ দাতা প্ৰস্তুত কৰি থকা হৈছে বুলি আপুনি কৈছে তাৰমানে ডিপাৰ্টমেণ্ট ব্যৰ্থ। আপোনাৰ হাতত দাতা নাই। ৰেডি কৰি আছে আপুনি। সেই কাৰণে এই বস্তুটো আপোনালোকে যেতিয়া উত্তৰবিলাক দিয়ে, অলপ ষ্টাডি কৰি দিলে আমি ভাল পাওঁ। মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিলে কোভিড-১৯ ৰ ক্ষেত্ৰত Organisation and unorganisation Sector ৰ শ্ৰমিক সকলে সন্মুখীন হোৱা সমস্যা আৰু তাৰ সমাধান সম্পৰ্কে। এতিয়া Times of India য়াই ২ জুনত কৈছে, Covid cricies may push half of Assam population into poverty. তাৰ পাছত 'নতুন সময়'ত ১৬ জুনত কৈছে, এইটো তিনি চাৰিমাহমান হৈ গ'ল। ১৬ জুনত কৈছে, Lock Down য়ে সংকট নমালে অসমলৈ নতুনকৈ দৰিদ্ৰ হ'ব ৫৬ লাখ ১০ হাজাৰ ৬৬৯ জন মানুহ আৰু নতুনকৈ নিবনুৱা হ'ব ২৭ লাখ ১০ হাজাৰ জন মানুহ অসমত হ'ব। ভৱিষ্যতবাণী কৰিছিল তেওঁলোকে। নিয়মীয়া বাৰ্তাই কৈছে Center for monitoring Indian Economic. তেওঁলোকৰ যিটো চাৰ্ভে ৰিপোৰ্ট 'নিয়মীয়া বাৰ্তা'ই উলিয়াইছে ৬ এপ্ৰিলত তাত কৈছে তেওঁলোকে অসমত এঘাৰ শতাংশলৈকে নিবনুৱা বৃদ্ধি হ'ব। এই যে তিনিটা দাতা, এইবিলাক মানুহ ক'ৰ। এইবিলাক মানুহ এই যে আপুনি যে ৰিপ্লাই দিছে ইয়াৰ। Organisation and unorganisation Sector ৰ । গতিকে এই সম্পৰ্কত আপোনালোকৰ নিৰ্দিষ্ট পলিচি কি। আপুনি, আপোনাৰ পইচা আছে ডিপাৰ্টমেণ্টত দুই হাজাৰ টকা দি দিব, এই দুই হাজাৰ টকাৰে এজন মানুহৰ পৰিয়াল চলিব নোৱাৰে। এটা strict policy বনাব লাগিব। যিহেতুকে এইবিলাক চৰকাৰী বা যিবিলাক দাতা দিছো এইবিলাক দাতা যদি সঁচাকৈ সত্যলৈ ৰূপান্তৰিত হৈ যায়, অসমৰ পৰিস্থিতি ভয়াবহলৈ যাব। ৫৬ লাখ মানুহ যদি দৰিদ্ৰ হৈ যায়, কি অৱস্থা হ'ব আপুনি চাওঁক। গতিকে এই সম্পৰ্কত আপোনালোকে মাননীয় মুখ্য মন্ত্ৰীৰ লগত আলোচনা কৰি এটা strict policy বনাওক। চৰকাৰ আহিব, চৰকাৰ যাব। কালিয়ে আপুনি মন্ত্ৰী থাকিব তাৰ কিবা gurantee আছে নেকি? মই যে বিধায়ক থাকিম তাৰ কিবা gurantee আছে নেকি? গতিকে আমাৰ অসমৰ কল্যাণৰ হকে এই Organisation and unorganisation Sector ৰত সাংঘাটিক গুৰুত্ব দিব লাগিব। এই কথাখিনি মাননীয় মন্ত্ৰী মহোদয়ৰ জৰিয়তে মই আপোনাক অৱগত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীসঞ্জয় কিষান (শ্ৰম বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে এইটো এটা নতুন ঘটনা। যিসকলৰ বৰ্তমান এই সমস্যাৰ সৃষ্টি হৈছে, এওঁলোকৰ লগত আগতে নাছিল। এই কোভিড ৰ পাছতে এইটো সৃষ্টি হৈছে আৰু এনেকুৱা এটা পৰিস্থিতি হৈছে সেই কাৰণে মই ইতিমধ্যে স্পষ্টভাৱে কৈছো যে এইসকলক কেনেধৰণৰ আমি সুবিধাটো দিব পাৰো, তাৰ কাৰণে ইতিমধ্যে আমি এটা আঁচনি প্ৰস্তুত কৰিছো আৰু আমি আহ্বান জনাইছো এখেতসকলে কোনোদিনে আমাৰ শ্ৰম বিভাগলৈ অহা নাই। তেওঁলোকৰ তেতিয়া অসুবিধা নাছিল। অট' চালকজনে অট' ধুনীয়াকৈ চলাই আছিলে। নাপিত জনে তেওঁৰ কাম ধুনীয়াকৈ চলাই আছিল। তেওঁলোকৰ অসুবিধা নাছিল। তেওঁলোকে শ্ৰম বিভাগৰ লগত কোনো যোগাযোগ কৰা নাছিল। এতিয়া হয়তো তেওঁলোকৰ প্ৰয়োজন হৈছে । আমি চেষ্টা কৰিছো যাতে এই সকল শ্ৰমিকক আমি আন্তৰিকতাৰে সহযোগিতা কৰিব পাৰো। তাৰ কাৰণে যিদৰে আমি অসংগঠিত, যেনেকৈ বিল্ডিং যিসকলে বনায়, ৰাজমিস্ত্ৰি, কাঠমিস্ত্ৰি আছে তেওঁলোকৰ কাৰণে ব্যৱস্থা আছিল। তেওঁলোক ক আমি দি আছো। কিন্তু এতিয়া এওঁলোককো আমি তেনেধৰণৰ ব্যৱস্থাৰ মাজত আনিব বিচাৰিছো। তেখেতসকলে এই সুবিধাবিলাক এতিয়া পাব। কিন্তু এইটো এটা নতুন পৰিস্থিতি অসমত সৃষ্টি হৈছে অধ্যক্ষ মহোদয়। আপোনালোকে সকলোৱে পৰামৰ্শ দিব যাতে আৰু অলপ ভালকৈ তেওঁলোকৰ কাৰণে কি কৰিব পাৰো। পইছা আছে। একো অসুবিধা নাই।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়টো Sensitive.

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য চৌধুৰী ডাঙৰীয়া, মাননীয় সদস্য যিটো কথা কৈছে, সেইটো আমিও concern কিন্তু ইতিমধ্যে অধ্যক্ষ ডাঙৰীয়া, সুদক্ষ বুলি। এটা portal আমি কৰিছো এই SDM ত। Assam Skill Development Mission ত সেই portal open আছে। আৰু অসমৰ বাহিৰৰ পৰা যিখিনি মানুহ আহিছে, আমি সকলোৱে concern গতিকে আমাৰ এই Apps টোত actually তেওঁলোকক আমি কৈছো যে তোমালোকৰ নাম, ঠিকনা আগতে কোন ৰাজ্যত কি কাম কৰিছা, কি Skill আছে তোমালোকৰ In addition to that. তুমি কিবা Skill বিচৰা নেকি ইয়াতে plus industrial ৰ লগত link up কৰা হৈছে যে কোনোবা industy ত কি ধৰণৰ technical Skill মানুহৰ প্ৰয়োজন আছে। গতিকে এই ক্ষেত্ৰত এই যিটো সুদক্ষ যিটো portal এই portal টোত আমি link up কৰিছো industy ৰ লগত, Link up কৰিছো National Rural Health Mission ৰ লগত। গতিকে Rural Health Mission ৰ যিহেতুকে তেওঁলোকক এনৰেগাত Job Card দিয়াৰ কথা আছিল, দাতা তেওঁলোৰ লগতো আছে, আমাৰ লগতো আছে। মাননীয় সদস্য গৰাকীয়ে বিচাৰিলে সেই দাতা আমি তেওঁলোকৰ লগত চেয়াৰ কৰি দিব পাৰিম। গতিকে এই সম্পৰ্কত চৰকাৰে বিস্তৃতভাৱে গোটেই প্লেন খিনি কৰি লৈছো। গতিকে আমি তেওঁলোকক portal ত এপ্লাই কৰিব দিছো। এপ্লাই কৰাৰ পাছত আমি industy ৰ লগত, Link কৰিছো । গতিকে তাত তেওঁলোকে কৰিব পাৰি।

দ্বিতীয়তে, অধ্যক্ষ ডাঙৰীয়া, Skill Development Mission ত RPLP prior learning বুলি এখন আমাৰ আঁচনি আছে। আমি দুই লাখ মানুহক টাৰ্গেট লৈছো সেই prior learning বুলি যিটো ট্ৰেইনিং এই ট্ৰেইনিংটো দিয়াৰ কাৰণে। আমি দুই লাখ টাৰ্গেট ভাৰত

চৰকাৰৰ পৰা পাইছো। মই ভাৰত চৰকাৰৰ মহেন্দ্ৰ নাথ পাণ্ডে জী মিনিষ্টাৰ তেখেতৰ লগত নিজে লাগি এই আচনি বিলাক আনিছো আৰু তাৰ উপৰিও Hand Loom Sector ত আমাৰ ৰঞ্জিত দত্ত ডাঙৰীয়ো প্ৰায় ৬০ হাজাৰ তেখেতেও টাৰ্গেট পাইছে। গতিকে এই গোটেইখিনি কথা যেতিয়া আমি মিলাই চাও সেই মানুহখিনি আমাৰ absorved হৈ যাব। যদি তেওঁলোকে interested হয়।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৪৪।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী দীপক কুমাৰ ৰাভা (দুধনৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আমাৰ দুধনৈ আৰু কৃষ্ণাই নদীৰ যিটো গড়াখহনীয়া ৰোধ কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ? এই সম্পৰ্কত মাননীয় মন্ত্ৰী মেহোদয়ে উত্তৰ দিছে। কৃষ্ণাই, দুধনৈ দুয়োপাৰে গড়াখহনীয়া ৰোধ কৰাৰ বাবে SDRF ৰ পৰা ২০২০ আৰু ২০২১ তিনি খন আচঁনি প্ৰাক্কলন প্ৰস্তুত কৰি প্ৰয়োজনীয় অনুমোদন বাবে যোজনা কৰা হৈছে বুলি লিখিছে। আজি এই ৪-৫ টা স্কীম প্ৰায় তিনি বছৰে হ'ল দিয়া কিন্তু আজিলৈকে মই পোৱা নাই। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যাতে এই স্কীম কেইটা অতি সোনকালে দি যিটো গড়াখহনীয়া, এই গড়াখহনীয়া যাতে ৰোধ কৰে। প্ৰথম কথা হ'ল, বামৰা Forest IB আছে, সেই Forest IB ৰ পৰা বামৰা আউট পষ্ট, যিটো একদম প্ৰায় একদম যাও যাও অৱস্থা। তাৰ পাছতে আমাৰ বামৰা হাইস্কুলৰ পৰা যিটো Signature Project ত এটা ষ্টেডিয়াম মই বনাই আছো। সেই ষ্টেডিয়ামটো ৰক্ষণা বেক্ষণ দিব লগা হ'লে তাত এটা Protection লাগিব। তাৰ পাচত আছে চেলাপাৰা বুলি পকী ৰাস্তাটো যদি এতিয়াই Protection নিদিয়ে তেতিয়া হ'লে পকী ৰাস্তাটো এটা সময়ত গুচি যাব। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে আমাৰ বিভাগীয় কৰ্তৃপক্ষক তেওঁ জনাই এই ডাইৰং যিটো চালাপাৰা, এই ৰাস্তাটোৰ ৰ কাৰণে Protection wall টো দিয়ে তেতিয়া হ'লে নিশ্চয় খুব ভাল হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, দুধনৈ 37 National Highway ৰ পৰা bridge ৰ যিটো নামনি অংশ সেইটো FRU Hospital ত প্ৰতিটো বানতে পানী সোমাই এটা ভাবুকিৰ সৃষ্টি কৰিছে। তাৰ লগে লগে নামনি অংশত পাগলাপানী বুলি এটা অঞ্চল আৰু ছিৰাবাৰীৰ এটা পাৰ্টৰ ৰাস্তা বানপানীয়ে ভাঙি লৈ গৈছে। গতিকে মন্ত্ৰী মহোদয়ে যদি এইটো অকনমান গুৰুত্ব সহকাৰে লয় তেতিয়া আমাৰ ৰাইজ উপকৃত হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষ্ণাই আৰু দুধনৈ, এই দুইখন নদীৰ কিছু ভয়াবহ খহনীয়া হৈছে আৰু এই কথাখিনি মই মাননীয় বিধায়কৰ লগত কেইবাবাৰো আলোচনা কৰিছিলো। ইয়াত যে SDRF আঁচনি বিলাক আমি লৈছো যিবোৰ তেওঁলোকে পোৱা নাই বুলি কৈছে। SDRF ৰ আঁচনিবিলাক structure থাকিলেহে sanction কৰে। মূল কথাটো হ'ল যে তাত কোনো structure নাই, মথাউৰি নাই যাৰকাৰণে আমি SDRF ৰ আঁচনি লম। কিন্তু তথাপিও আমি এতিয়া চেষ্টা কৰিছো আৰু SDRF য়ে ৫ শতাংশ বা ১০ শতাংশ হয়তো এনেকুৱা আঁচনি গ্ৰহণ কৰিব। তাৰ উপৰিও ইয়াত কোনো ধৰণৰ উপায় নোহোৱা কাৰণে তেখেতৰ যিটো বিষয় তাৰ কিছু অংশ মই এইবাৰ NABARD ত অন্তৰ্ভুক্ত কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Question hour is over. point of order.

**ডাঃ নোমল মমিন (বোকাখাত) ঃ** মাননীয় অধ্যক্ষ মহোদয়, point of order ত মোৰ Unstarred Question No.110 ত আপোনালোকৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। তাত দেওপানী বাগানৰ যিবিলাক শ্ৰমিক retired হ'ল, তেওঁলোকে PF ৰ টকাখিনি কেতিয়া পাব? তাত উত্তৰটো দিছে The garden management has not submitted online requisition form for PF sattlement despite repeated reminders from Assam Tea Employees Provident Fund Organization. অধ্যক্ষ মহোদয়, চৰকাৰে মাটি বাগানক লীজত দিছে আৰু চৰকাৰে repeated reminder দিয়াৰ পিছতো যদি Provident Fund ৰ ব্যৱস্থা নলয় তেতিয়াহলে এই বাগান লীজৰ পৰা ঘূৰাই ল'ব লাগে আৰু তাৰ পাছত বেলেগক লীজত দি Provident Fund খিনি শ্ৰমিক সকলক দিয়াৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, অকল এইটোৱে নহয়, দেওপানী বাগানত MAR Dynasty ৰ দিনতে যিটো দেওপানী থান বনোৱা হৈছিল সেইটো বলপূৰ্ব্বকভাৱে তেওঁলোকে দখল কৰি ৰাখিছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি supplementary শুধাৰ নিচিনা হৈছে। Point of order ত গোটেইখি নি ক'লে আপুনি question দিয়াৰ নিচিনাই হ'ল।

**ডাঃ নোমল মমিন (বোকাখাত) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বেদখলমুক্ত কৰিব লাগে আৰু ৰাইজৰ কাৰণে মুকলি কৰি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কংগ্ৰেছ বিধায়িনী দলৰ পৰা শ্ৰীমতী ৰ'জলীনা তিৰ্কী।

**শ্ৰী মতী ৰ'জলীনা তিৰ্কী (সৰুপথাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাচিহ্নীত প্ৰশ্ন নং ৪৭ ত শ্ৰম কল্যাণ মন্ত্ৰী ডাঙৰীয়াক প্ৰশ্ন কৰিছিলো শ্ৰমিক সকলৰ মজুৰি বৃদ্ধি কৰাৰ ওপৰত। ইয়াত মই খুব straight cut question শুধিছিলো যে মজুৰী বৃদ্ধি কৰাৰ কাৰণে চৰকাৰে কিবা চিন্তা-চৰ্চ্চা কৰিছিলে নেকি? আগতে কৈছিলে প্ৰতিবেদন দাখিল কৰিব বুলি। ইয়াত মোৰ কথা আছিলে যে ৰাজ্যখনৰ কেইবাখনো বাগিছাৰ শ্ৰমিকৰ নুন্যতম মজুৰী বৃদ্ধি কৰাৰ বিষয়ে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে? ইয়াত কৈছে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে বুলি, এইটো ঠিকে আছে। প্ৰশ্ন নং 'খ' ত আছিলে উক্ত বিষয়টো চালি জাৰি চাবলৈ মাননীয় মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণক লৈ গঠণ কৰা এজনীয়া কমিটিয়ে বিষয়টো সন্দৰ্ভত প্ৰতিবেদণ দাখিল কৰিলে নেকি? তেওঁলোকে হয় বুলি কৈছে। প্ৰতিবেদন দাখিল কৰিলে। মই এই প্ৰশ্নটোৰ লগতে কৈছিলো যে যদি কৰিলে, তাৰ প্ৰতিবেদন দাখিল কৰিব। কিন্তু next ততে আছে যে চা হ শ্ৰমিক সকলৰ নুন্যতম মজুৰী নিৰ্দ্ধাৰণ কৰা এজনীয়া কমিটি ৰ প্ৰতিবেদন অহা ইংৰাজী ০৪-০৯-২০২০ তাৰিখে উপদেষ্টা পৰিষদৰ হাতত দাখিল কৰিব। এজনীয়া কমিটিৰ প্ৰতিবেদন অহা ইংৰাজী ০৪-০৯-২০২০ তাৰিখে উপদেষ্টা পৰিষদৰ হাতত দাখিল কৰাৰ পাছতহে প্ৰতিবেদনৰ প্ৰতিলিপি দাখিলৰ সম্পৰ্কত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি। কিন্তু উত্তৰত কোৱা হৈছে যে প্ৰতিবেদনৰ প্ৰতিলিপি দাখিল কৰিছে। মই তাৰ প্ৰতিলিপিহে বিচাৰিছিলো । অহা ৪ তাৰিখে দিব। যিটো প্ৰতিবেদন দাখিল কৰা হৈছে তাৰ প্ৰতিলিপিটো মই পোৱা নাই। যদি দিয়া নাই সেইটো মোক দিব লাগে। ইয়াত এবাৰ কয় দিছে আকৌ কয় দাখিল কৰিব, মিটিং হ'ব এনেকুৱা ধৰণৰ যদি to the point উত্তৰ নাপাওঁ আমাৰ অসুবিধা হয়। আমাৰ শ্ৰমিক সকলে আশাৰে চাই আছে মজুৰী বৃদ্ধি কৰাৰ কথাটো। চৰকাৰে ৩৫১ টকা কৰাৰ যি সিদ্ধান্ত লৈছিলে তাৰ যিটো এতিয়াৰ মজুৰীৰ যিটো ম্যাদ সেইটো ডিচেম্বৰ ২০২০ ত শেষ হ'ব। গতিকে

চৰকাৰে ৩৫১ টকা কৰাৰ যি সিদ্ধান্ত লৈছিলে সেইটো কিমান দিনৰ ভিতৰত কৰিব আৰু যদি ০৪-০৯-২০২০ ত কৰিব তেন্তে তাৰ যিটো প্ৰতিবেদন দাখিল কৰিছে তাৰ এখন প্ৰতিলিপি মোক লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। প্ৰতিলিপিটো যদি আছে আপুনি তেখেতক দিব। এতিয়া শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ point of order টো হ'ল written question no. 119 আৰু একেধৰণৰ কথাই আছে starred question no 43 ত, শ্ৰমিক কল্যাণ। ইয়াৰ উত্তৰবোৰত দেখা গৈছে যে প্ৰতিবছৰে শ্ৰমিক কল্যাণৰ কাৰণে যথেষ্ঠ ধন জমা হয়। আজিৰ question ৰ মতেও প্ৰায় ১০ কোটি টকা জমা হৈ আছে। এইখিনি টকা শ্ৰমিক সকলৰ কাৰণে বিভিন্ন সময়ত খৰছ কৰিব লাগিছিলে। আজিৰ যিটো ৪৩ নং প্ৰশ্ন Covid-19 ৰ পৰিপ্ৰেক্ষিতত যিটো সমস্যাৰ সৃষ্টি হৈছে, সেই সমস্যাটো যথেষ্ঠ পৰিমাণে সমাধান কৰিব পৰা গলহেতেন যদি আমাৰ শ্ৰমিক কল্যাণ আইন খনত যিবোৰ provision আছে সেইবোৰ implement কৰা গলহেতেন। চৰকাৰে উত্তৰ দিছে এই সমূহ implement কৰিব নোৱাৰাৰ কাৰণটো হ'ল less registration of labours. চৰকাৰে উত্তৰ দিছে যে ইয়াৰ কাৰণে software module আদি বিভিন্ন ধৰণৰ কাম online কৰি আছে। কিন্তু যিসকল শ্ৰমিকে কাম কৰে , তাৰে বেছিভাগেই এই online software module ৰ সুবিধা লোৱাৰ কাৰণে যোগ্য নহয়। সেইকাৰণে মই এটা প্ৰস্তাৱ দিছিলো আৰু মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে facilitator যাতে প্ৰতিটো জিলাত শ্ৰমিক সকলক registration ৰ সুবিধা কৰিব পাৰে। সেইকাৰণে অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক এটা প্ৰস্তাৱ দিছিলো এই প্ৰশ্নৰ যোগেদি যে জিলাত এজনকৈ নহয় employment registration facilitator প্ৰতিটো গাওঁ পঞ্চায়তত এজনকৈ দিব লাগে। তেনে কৰিলে শ্ৰমিকৰ registration টো খুব তৰান্বিত হ'ব আৰু তেতিয়া আমাৰ এই টকাখিনি নাথাকে। আমাৰ যিসকল শ্ৰমিক বাহিৰৰ পৰা আহিছে যদি তেওঁলোকৰ registration হৈ থাকিলেহেতেন তেতিয়াহলে তেওঁলোকে যে কাম পোৱা নাই তাৰ কাৰণে এটা বোনাচ পালে হেতেন। কিন্তু এই বোনাচখিনি আমি দিব পৰা নাই। গতিকে employment registration facilitator প্ৰতিটো গাওঁ পঞ্চায়তত এজনকৈ দিব পৰা যায় নেকি সেইটো মন্ত্ৰী মহোদয়ে চাব।

আজি starred question হৈছে ২০ টা। তাৰে Water Resource ৰ আছে ১১ টা, মানে ৫০ শতাংশৰো ওপৰত। Unstarred Question আছে total 36 টা। তাৰ ভিতৰত Water Resource releated আছে ১৪ টা। অৰ্থ্যাৎ মুঠ ৫৬ টাৰ ২৬ টাই Water Resource ৰ সন্দৰ্ভত, অৰ্থ্যাত গৰাখহনীয়া সম্পৰ্কে। আমাৰ প্ৰতিজন সদস্য এই বিষয়টোলৈ অত্যন্ত concern আৰু it shows that it is a burning problem of Assam. মই আগতেও আপোনাৰ যোগেদি এটা প্ৰস্তাৱ দিছিলো যে যিহেতু এইটো এটা burning problem যিটো প্ৰতিজন সদস্যৰ প্ৰশ্নৰ পৰা প্ৰতীয়মান হৈছে। গতিকে আমাৰ SOPD শিতানৰ পৰা, আমাৰ বিভিন্ন মন্ত্ৰীয়ে আজি কৈছে যে Central Scheme, ADB এইবোৰৰ কথা হৈছে কিন্তু এইবোৰ কেন্দ্ৰীয় চৰকাৰ বা বাহিৰা financial agency ৰ ওপৰত নিৰ্ভৰ কৰি থকাতকৈ আমাৰ State Resource ৰ পৰা, এতিয়াও যিহেতু minimum ছমাহ সময় আছে, atleast 1000 কোটি টকা Water Resource ৰ কাৰণে এটা special fund দিব

লাগে। অধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিত আছে নে নাই নাজানো, আজি সকলো Member এই বিষয়ে concern. গতিকে আপুনি kindly মুখ্যমন্ত্রী আৰু Parliamentary Affairs Minister আছে আৰু বিত্ত মন্ত্রীয়েও নিশ্চয় শুনি আছে, তেওঁলোকৰ লগত কথা পাতি atleast 1000 কোটি টকা যাতে allotment দিয়া হয় তাৰ বাবে অনুৰোধ ৰাখিলো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। এতিয়া মাননীয় সদস্য শ্রী ওয়াজেদ আলী চৌধাৰী।

**শ্রী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ লিখিত প্রশ্নৰ উত্তৰত এটা কথা শুধিছিলো যে আমাৰ Water Resource ৰ যিবিলাক কাম-কাজ চলি আছে যে অসমত কিমান শতাংশ below কামবিলাক allotment কৰিব পাৰে? উত্তৰত দিছে ২৭.৪৯ শতাংশত ঠিকাদাৰক কামৰ আবন্টন দিয়া হৈছে। ১ লাখত যদি ২৭ হাজাৰ ৪৯ টকা যদি কমত কাম allotment দিয়া হয়, তেন্তে কেনেকৈ কাম হ'ব? কাৰণ কামৰ estimate ত ১০ শতাংশ benifit ধৰা থাকে contractor benifit. কিন্তু কাম allotment দিওঁতে যদি ২৭.৪৯ শতাংশ হয়, তেন্তে কেনেকৈ এই কামটো ১০০ শতাংশ হ'ব বুলি আমি ধৰিব পাৰো?

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ পৰামৰ্শ কি ?

**শ্রী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত এতিয়া তিনি কোটি টকাৰ এটা কাম দিছে। এতিয়া গম পালো যে ঠিকাদাৰে ২ কোটি ২৭ লাখ নে ৩০ লাখ টকাৰ কাম কৰিব, বাকীখিনি নকৰে। কাৰণ এইটো below. এনে হলে কেনেকৈ কাম হ'ব? Estimate বনাওতে তিনি কোটিৰ বনালে আৰু কাম কৰিব ২.৫ কোটিৰ।

**মাননীয় অধ্যক্ষ ঃ** ওয়াজেদ ডাঙৰীয়া. আপুনি আগতে মন্ত্রী আছিলে যিহেতু গম পাব যে কথাটো তেনেকুৱা নহয়। আপুনি কোৱাটো শুদ্ধ যে বহুত তলত দিলে কামটো affect কৰে। কিন্তু এইটো নহয় যে তলত ললে কামটো আধা কৰিব। এইটো হ'ব নোৱাৰে কাৰণ কামটো পুৰা কৰাৰ কাৰণেহে টকা দিয়া হৈছিলে। যদি আপোনাৰ তাত এইটো হৈছে আপুনি আমাক লিখিত দিব।

**শ্রী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, PWD ত যেনেকৈ আগতে ১০ শতাংশ আছিল আৰু আজিকালি ৫ শতাংশ below হ'লে কামটো দিব নোৱাৰে, tender টো cancel হৈ যায়। গতিকে আমাৰ পৰামৰ্শটো হৈছে যে As per schedule কাম হ'ব লাগে আৰু maximum হয়তো ৫ শতাংশ হ'ব লাগে। Otherwise কামবোৰ নহয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এই কথাটো কি হৈছে জানেনে, যে কোৰ্টেও এনেকুৱা ধৰণৰ বিষয়ত interfere কৰে। মই এনেকুৱা বহুত দেখিছো। সেইকাৰণে speaking order দিব লাগে। আমাৰ যদি ৫ শতাংশ এনেকুৱা ধৰণৰ speaking order থাকে তেতিয়াহলে কোৰ্টত গলেও একো কৰিব নোৱাৰে। কেতিয়াৱা cancel কৰোতে speaking order নিদিয়াৰ কাৰণেও বহুত কাম কোৰ্টত গৈছে। সেয়েহে আপুনি যিটো কৈছে সেইটো শুদ্ধ। কামটো বহুত তললৈ যাব নালাগে।

**শ্রী দেৱব্রত শইকীয়া (নাজিৰা, বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয় , মোৰ তৰাবিহীন প্রশ্ন ১১৪আছিলে চাহ জনজাতি উন্নয়নৰ বাবে। চৰকাৰে তথ্য দিছে যে চাহ জনজাতিৰ সমাজ কল্যাণ কেন্দ্রৰ উন্নয়নৰ বাবে ৪কোটি ৬৮ লাখ টকা ধৰা হৈছিল আৰু ১৮ লাখ টকা ব্যয় কৰা হৈছে। এই centre সমূহৰ যিবোৰ instructor তেওঁলোকে বহুদিন ধৰি দৰমহা পোৱা নাই বুলি তথ্য প্ৰকাশ পাইছে। এই বিষয়ে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু পইচাটো

যাতে খৰচ হয়। ছোৱালী বিলাকক বিভিন্ন ধৰণৰ Vocational Training দিয়া হয়, Instructor বিলাকক দৰমহাও দিয়া হেৰা নাই আৰু তাৰবাবে পুঁজিও দিয়া হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** আমি এতিয়া next item টৌলৈ যাম। মোক এই বস্তুটো দি দিয়ক। পিছত মই আপোনাৰ হৈ কৈ দিম।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Unstarred Question No. 96 এইটো Cultural Affairs ৰ ওপৰত আছিলে। ধিং সমষ্টিত এটা জ্যোতি বিষ্ণু সাংস্কৃতিক প্ৰকল্পৰ বাবে বহুদিনৰ পৰা মই লাগি আছিলো। উত্তৰত দিছে ইয়াৰ বাবে ৫০ লাখ টকা sanction হৈছে। কিন্তু যিটো ঠাইৰ নাম লিখিছে লঙ্গীচুক গাওঁ, পূৰ থুৰীয়া মৌজাৰ অধীনত এই ধৰণৰ কোনো গাওঁ মোৰ সমষ্টিত নাই। মোৰ সমষ্টিৰ নামত এইটো sanction হৈছে আৰু বেলেগ কোনোবা গাওঁত এইটো কৰিব বুলি কৈছে গতিকে আপোনাৰ জৰিয়তে মই সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰীক জনালো যে এইটো মোৰ সমষ্টিৰ ভিতৰত আনে।

**মাননীয় অধ্যক্ষ ঃ** হয়।

**শ্ৰী অশোক শৰ্মা (নলবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিলে। Unstarred Question No.117, নলবাৰীত এটা তাৰকাগৃহ নিৰ্মাণ হৈ আছে। এইটো প্ৰায় ৫ বছৰেই হ'ল। আমাৰ চৰকাৰ অহাৰ পাছৰ পৰা এতিয়ালৈ তাত নিৰ্মাণ কাৰ্য্য প্ৰায় শেষ হওঁ হওঁ অৱস্থা আৰু ইয়াত উত্তৰত দিছে প্ৰায় ৯৫ শতাংশ কাম সম্পূৰ্ণ হোৱা বুলি। এতিয়া আৰু প্ৰায় ৬ মাহ বাকী। গতিকে এই ৬ মাহৰ ভিতৰত কামটো সম্পূৰ্ণ কৰাৰ কাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব মই লিখি লৈছো। এতিয়া "Zero Hour." দেৱব্ৰত শইকীয়া ডাঙৰীয়াক Zero Hour ত দিলো। শ্ৰী ওয়াজেদ আলী চৌধাৰী, শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ আৰু শ্ৰী আব্দুল ৰছিদ মণ্ডল- কৰিমগঞ্জৰ সংখ্যালঘু ছাত্ৰ বৃত্তি।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ :-** মাননীয় অধ্যক্ষ মহোদয়, ০৬- ০৮-২০২০ইং দৈনিক যুগশঙ্খ পত্রিকায় প্রকাশিত "করিমগঞ্জের সংখ্যালঘু ছাত্র-ছাত্রীর বৃত্তি কেলেঙ্কারি মামলায় গ্রেফতার, জেলা অচল করার হুমকি"——অধ্যক্ষ মহোদয়, বিষয়টি উত্থাপন করার সুযোগ দেওয়ার জন্য আমি আপনাকে ধন্যবাদ জানাই। আসলে গণতন্ত্র আমাদেরকে শিখিয়েছে সত্যিকে সত্যি এবং মিথ্যাকে মিথ্যা বলা। ২০১৬ সনে এই সরকার আসার পর প্রত্যেক বাজেটে প্রথমেই লেখা থাকে দূর্নীতি মুক্ত,সন্ত্রাস মুক্ত, প্রদূষণ মুক্ত অসম। এবং আমাদের মূখ্যমন্ত্রীও বলে থাকেন সব সময় এই কথা। ভালো কথা, আমরা এপ্রিসিয়েট করি। দূর্নীতি মুক্ত অসম হওয়া চাই। কিন্তু অধ্যক্ষ মহোদয়, সংখ্যালঘু বৃত্তি কেলেঙ্কারি নিয়ে যেভাবে সমস্ত অসমে দূর্নীতি সংঘটিত হচ্ছে সেটি একটি রহস্যজনক ব্যপার। আজকের দিনে অনলাইন এপ্লিকেশন করা, একাউন্ট ট্রেন্সফার করা তার মানে কি? তার মানে হচ্ছে সচ্ছতা বজায় রাখা। আর সেই সময়ই এভাবে ভয়ংকর কেলেহঙ্কারি সংঘটিত হচ্ছে। আমদের জেলা প্রশাসনকে জানানো হয়েছে হয়তো সরকারকেও জানানো হয়েছে। আজ আমি বিধানসভায় সেই কথাগুলো তুলে ধরলাম। প্রত্যেক জেলায় এই দূর্নীতি চলছে। যদিও আমাদের কাছে অফিসিয়েল কোন রেকর্ড নেই যে ২০১৮-১৯ সনে ৭০০ কোটি , ৮০০ কোটি টাকার কেলেঙ্কারি হয়েছে। কিন্ত যে এমাউন্ট হয়েছে সেটা মাইনোরিটি স্কলারসিপে সর্ববৃহৎ কেলেংকারি। ইতিমধ্যে জনসাধারণের পক্ষ থেকে যে তথ্য সংগ্রহ করা হয়েছে তাতে দেখা গিয়েছে করিমগঞ্জে ৪ কোটি টাকা, হাইলাকান্দিতে প্রায় ৬ কোটি টাকার কেলেঙ্কারি এবং বিভিন্ন জেলায়

এরকম কেলেঙ্কারি সংগঠিত হয়েছে। অধ্যক্ষ মহোদয়,আমি একটু ভালো করে বোঝার জন্য বিয়য়টির গোড়াতে গেলাম। আমি কয়েকটা স্কুলে নিজে গিয়ে দেখলাম ব্যপারটা কি? এভাবে অনলাইন এপ্লিকেশন দেওয়া হচ্ছে, অনলাইন একাউন্টে টাকা দেওয়া হচ্ছে তারপরও কিভাবে এই কেলেঙ্কারি সংগঠিত হচ্ছে? আমি গুণময়ী হাইস্কুল, গান্ধাই হাইস্কুল, শেরুরবাগ এমই স্কুল-- সেই স্কুলগুলোতে গিয়ে দেখলাম যে গুণময়ী হাইস্কুলের প্রতিটি স্টুডেন্টের নামে সংখ্যালঘু বৃত্তি দেওয়া হয়েছে। দশ হাজার টাকার অধিক সবাই পেয়েছে। হেডমাষ্টারকে জিজ্ঞেস করলাম আপনার লিস্ট টা দিন আপনি যে পাঠিয়েছেন,উনি বললেন যে না স্যার আমার স্কুল থেকে অফিসিয়্যালি দুই জন ভেরিফিকেশন হয়েছে। গান্ধাই স্কুলে গিয়ে বললাম, গান্ধাই স্কুল বলল যে দুই জনের নাম ভেরিফিকেশন হয়েছে। সেভাবে প্রতিটি স্কুলেই দুই জন, পাঁচজন, সাত জন ভেরিফিকেশন হয়েছে। কিন্তু দেখা যাচ্ছে যে গুণময়ী স্কুলে প্রত্যেকজন ছাত্র ছাত্রীকে সংখ্যালঘু বৃত্তি দেওয়া হল। সেটা কি ভাবে সম্ভব? আমি আরও ভিতরে গিয়ে দেখলাম যে নোডেল অফিসার যিনি আছেন উনার একটা অস্থায়ী কোড থাকে। সেই অস্থায়ী কোড ব্যবহার করে আমাদের করিমগঞ্জ, হাইলাকান্দির মুষ্টিমেয় ১০ থেকে ১২ জন মানুষ মিলে গুয়াহাটির হেড অফিসকে মেনেজ করে অনলাইনে এপ্লিকেশন ও অ্যাকাউন্ট ট্রেন্সফার করা হয়। যে সময় চিন্তাধারা করা হচ্ছে যে অনলাইন এপ্লিকেশন ও অনলাইন অ্যাকাউন্ট ট্রেন্সফার করা হবে সেইসময় এইরকম ভয়ংকর কেলেঙ্কারি সংগঠিত হচ্ছে। অধ্যক্ষ মহোদয় একজন মুসলিম বাবর অমুসলিম সন্তান। এরকম অনেকগুলো কেস আছে। বাবর নাম আকবর আলি ছেলের নাম সুদীপ বিশ্বাস। ইতিমধ্যে সরকারের তরফ থেকে সিআইডি তদন্ত করা হয়েছে। এবং আমার বিশ্বাস শুধু অসম নয় সমগ্র ভারতে এরকম কেলেঙ্কারি হচ্ছে। অধ্যক্ষ মহোদয় যে ব্যক্তি অনলাইন কেলেঙ্কারি করতে পারে তার দিমাগ কতটুকু শার্প হতে পারে। আমি মনে করি সিআইডি এনকুয়ারি দিতে হয়। আমি এই সদনে বলব না যে সিআইডি তদন্তে আমার বিশ্বাস নেই। আমি বলব, যে বা যারা দোষী অন্তত ৭দিনের ভিতরে ওদেরকে শাস্তি দেওয়া হোক নাহলে এইভাবে ওরা প্রকাশ্যে ডাকাতি করবে,দূর্নীতি করবে আর আমরা বসে বসে দেখব তা হতে পারেনা। তাই অধ্যক্ষ মহোদয়, আমি মন্ত্রী মহোদয়ের কছে অনুরোধ জানাচ্ছি যে সে বিষয়ে আপনি বাস্তবমূখী কোন পদক্ষেপ নিন। সিআইডি তদন্ত তো চলবেই, আমাদের ডিপার্টমেন্টেল এনকোয়ারিও হবে। সরকারের তরফ থেকে হাই লেভেল টিম একটা পাঠানো হোক এবং কিভাবে হল, কেন হল সে বিষয়ে তদন্ত করে দৃষ্টান্তমূলক শাস্তি দেওয়া হোক। ভবিষ্যতে আর কোন ডিপার্টমেন্ট যাতে এরকম দূর্নীতি করার সাহস না করে। সেই আবেদন রেখে আমি আজ যে পরামর্শ দিলাম সে বিষয়ে মন্ত্রী মহোদয়ের কাছে গঠনমূলক কথা শোনার আশা রাখছি। আমি বিশ্বাস করি সাত দিনের ভিতরে এই সমস্যার তদন্ত হবে। কারণ সেখানে কোন ক্লামজি ব্যপার নেই । বিষয়টি খুবই ক্লিয়ার। সেখানে একটি হাই লেভেলের টিম পাঠায়ি এই কেলেংকারিতে কে বা কারা জড়িত আছে তাদেরকে ইমিডিয়েট এরেস্ট করা হোক। আমাদের পরিবেশ সুষ্ঠ এবং সুন্দর করে তোলা হোক যাতে শিক্ষার পরিবেশ, শিক্ষার বাতাবরণ সৃষ্টি হয়। এরকম কেলেংকারিতে শিক্ষার পরিবেশ নষ্ট হবে। আমি আগেও বলেছি, যে শিক্ষায় মানুষ বনতে শিখায় না সেটা কিসের শিক্ষা?অতএব জীবনে শিক্ষিত হতে হলে পরিবেশ দরকার,সুষ্ঠ বাতাবরণ দরকার। আমরা কেলেংকারি চাই না। আমরা দূর্নীতিমুক্ত চাই। কিন্তু বর্তমান সময়ে আমরা দেখছি যে এই সরকারের সময় অনেক দূর্নীতি সংঘটিত হচ্ছে, আপনারা কিভাবে সেটার সমাধান করবেন সেটা আপনাদেরই উপর নির্ভর করছে। অন্তত সাত দিনের মধ্যে যাতে এই সমস্যার সমাধান করা যায় সেই আবেদন

রেখে আমার বক্তব্য শেষ করছি। নমস্কার।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই শূণ্যকালীন ঘণ্টাত মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া, মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, ওৱাজেদ আলী চৌধুৰী, আব্দুল ৰছিদ মণ্ডল ডাঙৰীয়া প্ৰমূখ্যেকেইবাজনো বিধায়কে যোৱা ৫ আগষ্টত ‘দৈনিক যুগশঙ্খ’ খৱৰ কাগজত “ করিমগঞ্জে সংখ্যালঘু ছাত্রবৃত্তি কেলেঙ্কারি মামলায় গ্রেফতারি নেই” যি প্ৰশ্ন উত্থাপন কৰিছে মই মাননীয় সদস্য সকলক ধন্যবাদ জ্ঞাপন কৰিছো। এই সংখ্যালঘু স্কলাৰশ্বিপৰ ভাৰত চৰকাৰৰ যিটো নিৰ্দ্দেশ সেইমতে ছাত্ৰ-ছাত্ৰী সকলে অনলাইন আবেদন কৰিব লাগিব। ছাত্ৰ-ছাত্ৰী সকলে অনলাইন আবেদন কৰাৰ পিছত যিজন ছাত্ৰ বা ছাত্ৰীয়ে অনলাইন আবেদন কৰিব সেইখন বিদ্যালয়ৰ প্ৰধান শিক্ষক গৰাকীয়ে তেওঁৰ যিখন নথিপত্ৰ সেই নথিপত্ৰ সমূহ চালিজাৰি চাই ভেৰিফাই কৰিব লাগিব। বিদ্যালয় সমূহত এই আবেদন সমূহ গৃহীত কৰাৰ পিছত প্ৰধান শিক্ষকে ভেৰিফাই কৰাৰ পিছত শুদ্ধ তালিকা জিলাৰ ন'ডেল বিষয়া লৈ প্ৰেৰণ কৰিব লাগে। প্ৰত্যেক জিলাৰ ডি অ' জনক ন'ডেল বিষয়া হিচাবে দায়িত্ব দিয়া হৈছে। জিলাৰ ন'ডেল বিষয়াই সেই আবেদনৰ সত্য-সত্যতা প্ৰমাণ কৰিব। ডি অ' জনে প্ৰধান শিক্ষকে দিয়া নথিপত্ৰ সমূহ প্ৰমাণ কৰি অনলাইন যোগে ভেৰিফাই কৰিব লাগিব। সেই আবেদন সমূহ গৃহীত হোৱাৰ পিছত পোনে পোনে সংখ্যালঘু মন্ত্ৰালয়, কেন্দ্ৰীয় চৰকাৰ লৈ অনলাইন কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰৰ সংখ্যালঘু মন্ত্ৰালয়ে সকলো দিশ পৰীক্ষা কৰি মেধাৰ ভিত্তিত তালিকা প্ৰস্তুত কৰে আৰু সেই তালিকা সমূহ ফাইল যোগে অসমৰ সংখ্যালঘু উন্নয়ণ বোৰ্ডৰ যিজন ৰাজ্যিক ন'ডেল বিষয়া আছে তেওঁলৈ পঠিয়াই দিয়ে। সেইখিনি পঠিয়াই দিয়াৰ পিছত ৰাজ্যিক ন'ডেল বিষয়াই ডিজিটেল চহী কৰি ডি ভি ডি ৰ যোগেদি ছাত্ৰ-ছাত্ৰী সকললৈ পোনপটীয়াকৈ সেই পইচাটো তেওঁলোকৰ একাউণ্টত সোমোৱাই দিয়াটোৱেই হৈছে নিয়ম। এতিয়া যিবিলাক সংখ্যালঘু ছাত্ৰবৃত্তিৰ কেলেঙ্কাৰী এইটো গুৰিতেই আছে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে অনলাইন আবেদন কৰিব প্ৰধান শিক্ষকজনে গাওঁ অঞ্চলত থকা চি এচ পি চেণ্টাৰৰ যোগেদি সহায় কৰে আৰু এই চি এচ পি চেণ্টাৰতে গোটেই খেলিমেলিটো হৈ আছে। বিভিন্ন ধৰণৰ বাতৰি কাকতত আমি পাইছো যে আমাৰ প্ৰধান শিক্ষকজন এই ঘটনাৰ লগত জড়িত থাকিবই লাগিব আৰু ইয়াত বেংক বিষয়াও জড়িত থকা বুলি বাতৰি পৰিবেশনত দেখিবলৈ পাইছো। হাইলাকান্দিৰ যিটো কেচ তাত ৪ খন বিদ্যালয়ত ৪৫ জন অনা-সংখ্যালঘু ছাত্ৰ-ছাত্ৰীয়ে ধন লাভ কৰিছে। ইতিমধ্যে আমি কৰিমগঞ্জ থানাত এটা গোচৰ ৰুজু কৰিছো। শ্ৰী সুদন্দ শুক্লবৈদ্য, উপ-আৰক্ষী অধীক্ষক, হেড কোৱাৰ্টাৰ কৰিমগঞ্জ, তেওঁ জিলা প্ৰাথমিক শিক্ষা বিষয়া খাইৰুল ইছলাম হাজৰিকাৰ পৰা কিছু নথিপত্ৰ ইতিমধ্যে জব্দ কৰিছে। এতিয়া কথাটো হ'ল মাইন'ৰিটী ষ্টুডেণ্ট বুলি ইয়াত যিজন ছাত্ৰৰ কথা কৈছে সেই ছাত্ৰজন হৈছে পাৰ্চী। ইয়াত লিখিছে যে জালালপুৰ এম ই মাদ্ৰাছাৰ হিতাধিকাৰীৰ তালিকাৰ ক্ৰমিক নং ১০৮৫ ত আছে আদিত্য চৰকাৰ। এই আদিত্য চৰকাৰ আছিলে সুমন চৰকাৰ। এই সুমন চৰকাৰক পাৰ্চী ধৰ্মাবলম্বী বুলি স্কলাৰশ্বিপৰ পইচা আত্মসাৎ কৰিছে আৰু নিশ্চয়কৈ ইয়াত প্ৰধান শিক্ষকজন জড়িত থাকিবই লাগিব। স্কুলৰ প্ৰধান শিক্ষকজন জড়িত থাকিলে ইয়াত কেলেঙ্কাৰী হ'বই। আমি বিভাগৰ ফালৰ পৰা কিছুমান জিলাত এই বিষয়ে অনুসন্ধান কৰিছো। কামৰূপৰ বকো, ছয়গাওঁ , বৰপেটা, নগাওঁ, মৰিগাওঁ, হাইলাকান্দি, কৰিমগঞ্জ, ধুবুৰী, শিলচৰ এই জিলা সমূহত কেলেঙ্কাৰী বেছিকৈ হৈছে। অন্যান্য জিলাত নাই। আমাৰ চৰকাৰখনে এখন দুৰ্নীতিমুক্ত অসম গঢ়াৰ সংকল্প লৈছো। কিন্তু এই কেলেঙ্কাৰী বিলাক পৰম্পৰাগত ভাৱে চলিয়েই আছে আৰু আগৰ চৰকাৰৰ দিনতো চলিছিল। আমাৰ মাননীয় সৰ্বানন্দ সোণোৱাল

ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰখন অহাৰ পিছত আমাৰ আৰক্ষীয়ে মাইনৰিটি স্কলাৰশ্বিপ কেলেংকাৰীৰ লগত জড়িত ১০ জন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰে বৰপেটাৰ ২ জন, নগাঁওৰ ৬ জন আৰু মৰিগাঁওৰ ২ জন হাইস্কুলৰ প্ৰধান শিক্ষক..................

.......................... সদনত হুলস্থুল.................................

............... মোৰ ইয়াত কেচ নাম্বাৰ লিখা আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই এই কেলেংকাৰীৰ ওপৰত চি আই ডি তদন্ত কৰিবলৈ কৈছে। আমি মুখ্যমন্ত্ৰীৰ নিৰ্দ্দেশমৰ্মে চি আই ডি তদন্তৰ ব্যৱস্থা কৰিছো আৰু ইতিমধ্যে আমি প্ৰত্যেক জিলাৰ উপায়ুক্ত সকলক মাইনৰিটি স্কলাৰশ্বিপৰ যি দুৰ্নীতি আছে সেই দুৰ্নীতিৰ তদন্ত কৰিবলৈ বিভাগে ডব্লিউ টি মেছেজৰ দ্বাৰা অৱগত কৰিছো আৰু সেই সমূহৰ তদাৰক কৰি আমাক ৰিপোৰ্ট দিবলৈ কৈছো। প্ৰশাসনৰ ফালৰ পৰা আমি এইখিনি কৰিছো আৰু চি আই ডি য়ে এই সম্পৰ্কত তদন্ত কৰি আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দ্দেশমৰ্মে আমি ২৮-০৮-২০২০ তাৰিখে চি আই ডি ৰ অভিযোগ দিছো। মই আপোনালোকৰ আগত এটা কথা উল্লেখ কৰিছো ইয়াৰ লগত যিসকল জড়িত থাকিব, যদি কোনোবা ৰাজনৈতিক ব্যক্তি, প্ৰধান শিক্ষক, বেংকৰ বিষয়া জড়িত আছে তেওঁলোকৰ ওপৰত চি আই ডি বিভাগৰ তদন্ত কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই কথাটো আমি নিশ্চিত কৰিছো আৰু আপোনালোকক জনাওঁ যে ইয়াৰ লগত বিভাগ কোনোপ্ৰকাৰে জড়িত নহয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী সত্যব্ৰত কলিতা।

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা বৰ গুৰুত্বপূৰ্ণ বিষয় আপোনাৰ যোগেদি  চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো। যোৱাকালি 'অসম আদিত্য' নামৰ এখন বাতৰি কাকতত এটা বাতৰি প্ৰকাশিত হৈছিল। মই প্ৰথমে আপোনাৰ জ্ঞাতাৰ্থে বাতৰিটো পাঠ কৰি দিব বিচাৰিছো ঃ

*"আদালতলৈ যাবলৈ সাজু ৰাজ্যৰ একাংশ বনপালক, ৩১ বছৰে পদোন্নতিৰ পৰা বঞ্চিত বহু ৰেঞ্জাৰ - ৩১ বছৰৰ পিছতো অৰ্ধ শতাধিক  বনপালকে  একেটা পদতে কাৰ্য্যনিৰ্ব্বাহ কৰি থকা কাৰ্য্যই চৰকাৰৰ এক অমনোযোগিতাৰ প্ৰতিচ্ছবি দাঙি ধৰিছে। বিশেষকৈ বনপালকসকলৰ বাবে বন সেৱা বিধি নথকাৰ ফলতেই আজি পৰ্য্যন্ত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৮৯ চনতেই নিযুক্তি প্ৰাপ্ত সকলৰ পদোন্নতি হোৱা নাই। ইয়াকে  লৈ এতিয়া  বনপালক সকলৰ মাজত এক হতাশাই বিৰাজ কৰিছে। উল্লেখ্য যে ১৯৮৯ চনত যোগদান কৰা ৰঞ্জিত মেধি, জিতেন বৰা, অজিত বড়ো, বিক্ৰম দাস আদিকে ধৰি কেইবাজনো বিষয়াৰ পদোন্নতি অবিহনেই মৃত্যু হয়। মন কৰিব লগীয়া যে নিয়ম অনুসৰি চৰকাৰে এই বিষয়া সকলক দুটাকৈ  পদোন্নতি প্ৰদান কৰাৰ কথা ঘোষণা কৰিছিল। কিন্তু ইয়াৰ পিছতো তেওঁলোকৰ পদোন্নতিৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই চৰকাৰে। এটা সময়ত টাইম স্কেল প্ৰৱৰ্তনৰ কথাও দোহাৰিছিল বিভাগৰ তৰফৰ পৰা । কিন্তু সকলো ফুটুকাৰ ফেন । শেহতীয়াকৈ বনমন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ কাৰ্য্যকালত কিছু আশাৰ সঞ্চাৰ হৈছিল যদিও এই পৰ্য্যন্ত বিষয়টো গেঁঠেলা মাৰি আছে।  আয়ুক্ত সচিব আৰ কে মজুমদাৰ স্বাক্ষৰিত এক অধিসূচনাৰ যোগেদি বনপালক সকলৰ গ্ৰেডেশ্বন লিষ্ট প্ৰস্তুত কৰাৰ নিৰ্দ্দেশ প্ৰদান কৰিছিল যদিও আজিলৈকে কাৰ্য্যকৰী নহ'ল। ফলত, আগন্তুক দিনত এই বনপালক সকলৰ পদোন্নতি অনিশ্চিত হৈ ৰ'ল। গতিকে শীঘ্ৰে চৰকাৰে এই বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ নকৰিলে আগন্তুক দিনত আদালতৰ দ্বাৰস্থ হ'বলৈও একাংশ ৰেঞ্জাৰ সাজু হৈছে বুলি এই প্ৰতিবেদকক জানিবলৈ দিয়ে।"*

কথাটো হ'ল যে ১৯৮৯ চনতেই যিসকল মানুহ নিয়মৰ ভিত্তিত চাকৰিত যোগদান কৰিলে তেওঁলোকে আজি ৩১ বছৰে সেৰা আগবঢ়াই আহিছে। বৰ্তমানৰ বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াই এটা নিৰ্দ্দেশ ও প্ৰেৰণ কৰিছে। মোৰ প্ৰশ্নটো হ'ল যে বন মন্ত্ৰী গৰাকীয়ে নিৰ্দ্দেশ দিয়াৰ পিছতো কোন এনেকুৰা বিষয়া আছে যিসকলৰ দম্ভালী, অমনোযোগিতাৰ কাৰণে বহুখিনি অসমীয়া যুৱক যিসকলে অতি আন্তৰিকতাৰে বন বিভাগত কাম কৰি আছে এই সকল বিষয়া আজি পদোন্নতিৰ পৰা বঞ্চিত হ'ব লগীয়া হৈছে। ইয়াৰ মূল ৰহস্যটো কি সেইয়া আমি জানিবলৈ বিচাৰিছো। যে আজি ৩১ বছৰ কৰি থকাৰ পিছতো পদোন্নতি নাই। বন মন্ত্ৰী ডাঙৰীয়াই নিৰ্দ্দেশ দিয়াৰ পিছতো কামটো কিয় নহয়। কাৰ ভুলৰ কাৰণে এই বিষয়া সকলে দিন ৰাতি কাম কৰি থকাৰ পিছতো বন বিভাগ তথা, কাজিৰঙাক সুৰক্ষা দিয়াৰ পিছতো এই মানুহ খিনিৰ পদোন্নতি হোৱা নাই। গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই সকলে কিয় প্ৰম'শ্বন পোৱা নাই বা প্ৰম'শ্বন হ'ব নে নাই নে প্ৰম'শ্বন নোপোৱাকৈ তেওঁলোকে অৱসৰ গ্ৰহণ কৰিব লাগিব। এই বিষয়টো জানিব বিচাৰিছো আৰু তেওঁলোকৰ প্ৰতি ন্যায় বিচাৰিছো। যিসকল বিষয়া ইয়াৰ লগত জড়িত আছে যে অন্য এটা দিশে এই বিষয়টো লৈ যাব বিচাৰিছে নে অন্য কিবা স্বাৰ্থ আছে যে তেওঁলোক পদোন্নতিৰ পৰা বঞ্চিত হ'ল। বৰ্ত্তমান আমাৰ বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াই মই জনামতে তেখেতে এটা নিৰ্দ্দেশো প্ৰেৰণ কৰিছিল মোৰ প্ৰশ্নটো হ'ল যে বন মন্ত্ৰীগৰাকী নিৰ্দ্দেশ দিয়াৰ পিচতো কোন জন বিষয়াৰ অমনোযোগিতাৰ বাবে বহুখিনি অসমীয়া যুৱক যিসকলে বন বিভাগত আজি আন্তৰিকতাৰে কাম কৰি আছে তেওলোক আজি পদোন্নতিৰ পৰা বঞ্চিত হৈ আছে। ইয়াৰ ৰহস্য কি আমি জানিব বিচাৰিছো। বন মন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দ্দেশ দিয়াৰ পিচতো কিয় নহ'ল? কাৰ বাবে তেওলোকে কাজিৰঙাৰ সুৰক্ষাত নিয়োজিত হোৱাৰ পিচতো পদোন্নতি পোৱা নাই। অধ্যক্ষ মহোদয় আপোনাৰ যোগেদি এই গোটেই বিষয়টো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। তেখেতে বিভাগক নিৰ্দ্দেশ দিয়া বুলি জানিব পাৰিছো কিন্তু এতিয়াও কাৰ্যকৰী হৈ উঠা নাই। বৰ্ত্তমান সেই সকল মানুহে promotion পাবনে নাপায় বা কেতিয়া পাব, নে তেওলোকে ইয়াতে অৱসৰ গ্ৰহণ কৰিব লাগিব। এই গোটেই বিষয়টো মই জানিব বিচাৰিছো , তেওলোকৰ হৈ ন্যায় বিচাৰিছো। লগতে এই প্ৰমোশ্যন বিলাক নোহোৱাৰ ক্ষেত্ৰত কোন কোন জড়িত হৈ আছে? তেওঁলোকৰ কি স্বাৰ্থ আছে যাৰ ফলত তেওলোক প্ৰমোশ্যনৰ পৰা বঞ্চিত হৈ আছে। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা এই গোটেইখিনি স্পষ্টভাৱে যাতে সদনত দাঙি ধৰে তাৰ বাবে অনুৰোধ কৰিলো। ধন্যবাদ।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী , বন ও পৰিবেশ ইত্যাদি ঃ** শ্ৰদ্ধেও সভাপতি মহোদয়, মাননীয় সত্যব্ৰত কলিতা ডাঙৰীয়াই শূন্যকালীন ঘন্টাত "৩১ গৰাকী ৰেঞ্জাৰৰ পদোন্নতি" সম্পৰ্কত এটা আলোচনা দাঙি ধৰিলে। এইটো ' অসম আদিত্য' নামৰ বাতৰিত যোৱাকালি প্ৰকাশ পাইছিল। তাত লিখা আছে যে, ৩১ বছৰ পিছতো একেটা পদতে কাৰ্য্যনিৰ্ব্বাহ কৰি থকা কাৰ্য্যই চৰকাৰৰ এক অমনোযোগিতাৰ প্ৰতিচ্ছবি দাঙি ধৰিছে। বাকী কথাখিনি মাননীয় বিধায়ক গৰাকীয়ে ধুনীয়াকৈ দাঙি ধৰিছে। তথাপিও হয় অধ্যক্ষ মহোদয়, কথাটো সঁচা। পদোন্নতি লাগিছিল কিন্তু যিটো চৰকাৰৰ অমনোযোগিতা এই কথা কিমানখিনি সত্য এই বিষয়ে কিছুমান তথ্য দাঙি ধৰিলে আপুনি গম পাব। চাৰ, কোনো চৰকাৰী বিষয়াৰ পদোন্নতি স্বাভাৱিকভাৱে চৰকাৰে ইচ্ছা কৰিলেই দিব পাৰে এনেকুৱা নহয়। এইটো এটা নিয়ম নীতিৰ মাজত আমি কৰিবলগীয়া হয়। তেওলোকৰ ১৯৮৯ত এপইন্টমেন্ট হৈছে। ১৯৮৯ৰ পৰা আৰম্ভ কৰি ২০১২ত কিছুমান Ranger ৰ প্ৰমোশ্যন হৈছিল।

প্ৰমোশ্যনৰ ক্ষেত্ৰত কিছুমান দিশ বা ক্ৰাইটেৰীয়া মনা হয় । বন সংপালক বা ৰেঞ্জাৰৰ পৰা সহকাৰী বন সংৰক্ষক ( এ চি এফ) লৈ প্ৰমোশ্যন পাওঁতে অসম বন সেৱাৰ প্ৰথম শ্ৰেণীৰ বিধি ,সংশোধিত, ১৯৪২ চনৰ প্ৰথম শ্ৰেণীৰ সংশোধনীৰ অধীনত থকা নিয়ম অনুসৰি কৰ্মচাৰীৰ বাৰ্ষিক গোপনীয়তা প্ৰতিবেদন, বাৰ্ষিক সাম্প্ৰতিক খতিয়ান বিভাগীয় বিচাৰক পৰ্য্যায়ৰ ওপৰত ভিত্তি কৰি বিবেচনা কৰা হয়। লগতে zone of consideration ৰ মতে অনুমোদনৰ ব্যৱস্থা কৰা হয়। এইখিনি criteria লগতে আৰু আছে--- বন পালকৰ পৰা সহকাৰী বন সংৰক্ষক পদলৈ পদোন্নতি দিয়াৰ ক্ষেত্ৰত আমাৰ চৰকাৰ অহাৰ পিচত বিভাগীয় পদোন্নতি সমিতিৰ ১৯-০১-২০১৮ তাৰিখে এখন সভা অনুষ্ঠিত হৈছিল। সভাৰ কাৰ্য্যৱলী প্ৰতিবেদন সংলগ্ন কৰা আছে। এই সমিতিয়ে ২১ গৰাকী বন সংপালক পদোন্নতিৰ বাবে অনুমোদন জনায় ।এই ২১ গৰাকীৰ ভিতৰতে তেওলোক আছে। যি নহওঁক বাৰ্ষিক সম্পত্তিৰ খতিয়ান দাখিল নকৰাকৈ তেওলোকে পদোন্নতি পাইছিল। তেওলোকৰ বাৰ্ষিক গোপনীয়তাৰ প্ৰতিবেদন দিয়া নাছিল। সেই বাবে উক্ত সমিতিয়ে তেওলোকৰ নাম অনুমোদন জনোৱা নাছিল তেওলোকে মাননীয় গুৱাহাটী উচ্চ ন্যায়লয়ৰ W PC No- 820- 2018 ৰ পৰা উদ্ভৱ হোৱা IS Civil No. 1986 ৰ জৰিয়তে উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল। মাননীয় উচ্চ ন্যায়ালয়ে ১৯-০৮-২০১৮ তাৰিখে আবেদনখনৰ ওপৰত চৰকাৰৰ পৰা পদোন্নতি দিয়াৰ বাবে বিবেচনা কৰিবৰ বাবে বছৰেকীয়া সম্পত্তিৰ খতিয়ান সমিতিত দাখিল কৰিবলৈ নিৰ্দ্দেশ দিয়ে। বন সংপালকৰ পৰা সহকাৰী বন সংৰক্ষক পদলৈ Seniority cum Merit ৰ ওপৰত ভিত্তি কৰি পদোন্নতি প্ৰদান কৰা হয়। সেয়েহে বিভাগীয় সমিতিয়ে Seniority, Annual confidential Report , বাৰ্ষিক সম্পত্তি খতিয়ান, বিভাগীয় বিচাৰৰ পৰ্য্যায়, এইবিলাকৰ ওপৰত ভিত্তি কৰি আৰু Zone of consideration মতে দিয়া হয়। ২০১২ চনত ১৯৮৯ চনৰ বন সংপালকক চিনিওৰিটি আৰু ৬ নং দফা নিয়মাৱলী অনুসৰি সহকাৰী বন সংৰক্ষক পদলৈ পদোন্নতি দিয়া হৈছিল । বৰ্ত্তমান খালি হৈ থকা ২৮ টা সহকাৰী বন সংৰক্ষক ( এ চি এফ) পদৰ বিপৰীতে পদোন্নতিৰ প্ৰক্ৰিয়া চৰকাৰে আৰম্ভ কৰিছে। এই সম্পৰ্কত Political vigilence Cell ৰ vigilence clearence Report লোৱাৰ বাবে ব্যৱস্থা লোৱা হৈছে। পদোন্নতি দিয়াটো বিলম্ব হৈছে এইটো সঁচা কথা।

vigilence clearence Report অহাৰ লগে লগে পদোন্নতিৰ বাবে Selection Committee ৰ বৈঠক অনুষ্ঠিত কৰা হ'ব। অসম লোক সেবা আয়োগৰ অৰ্হতাৰ তালিকাৰ ওপৰত ভিত্তি কৰিয়েই ১২-০২-২০২০ তাৰিখে সকলো বন সঞ্চালকক Seniority ভিত্তিত নিৰ্দ্ধাৰণ কৰিবলৈ ১১-২-২০২০ তাৰিখে এখন অধিসুচনা বন বিভাগৰ পৰা জাৰি কৰিলো। এতিয়াৰ উক্ত অধিসুচনাৰ ওপৰত ভিত্তি কৰি Seniority basis ত পদোন্নতি দিয়াৰ বাবে বিবেচনা হৈ আছে। ২০০৫ত কোৱা হৈছিল যে- আমাৰ এ পি এচ চিৰ ফালৰ পৰা যি সকল পাচ কৰি আহিছে তেওলোকক চিনিয়ৰিটিটো দিব লাগে। ২০০৬ ত চৰকাৰে এইটো বিবেচনাত ৰাখিলে। এইটো লৈয়ে গ্ৰেডেশ্যন লিষ্ট বনাওতে কিছুমান খেলি মেলি হ'ল। কিন্তু এতিয়া আমি সেই কাৰণে ২০০৫ চনৰ কথাটো লক্ষ্য কৰি ১১-০২-২০২০ তাৰিখত আমি এখন নোটিফিকেশ্যন জাৰি কৰিলো। মই ভাবো যি সকল ৰাইজ বা যিসকলে চৰকাৰৰ হকে কাম কৰে তেওলোকে Service Rule ত থকা provision মতে প্ৰমোশ্যন টো পাব লাগে, ফেচিলিটি বিলাক পাব লাগে। নহ'লে আমি তেওলোকৰ পৰা কেনেকৈ কাম আদায় ক ৰিম । মই ভাবো অহা এক- ডেৰ মাহৰ ভিতৰত এই পদোন্নতখিনি হ'ব।

**শ্ৰীসত্যব্ৰত কলিতা, বিধায়ক, কমলপুৰ ঃ** ধন্যবাদ, আমাৰ বনমন্ত্ৰী ডাঙৰীয়াই সুন্দৰকৈ কথা খিনি বুজাই দিলে। আমাৰ Forest Service Rule এটা অতি প্ৰয়োজন। কিন্তু কথাটো হ'ল- ফেব্ৰুৱাৰী মাহতে আপুনি নিৰ্দ্দেশ দিলে , তাৰ পিছত Lock Down হ'ল। মই বুজি পাইছো লক ডাউনৰ বাবে বহুখিনি কাম পিছুৱাই গৈছে কিন্তু অফিচিয়েলী এতিয়া কাম চলি আছে। যিসকল মানুহে অতি সুন্দৰকৈ কাম কৰি আছে , কাজিৰঙাখন ৰক্ষা কৰিছে, গড় ৰক্ষা কৰি আছে তেওলোকক যদি আমি encourage নকৰো, ৩১ বছৰ এটা পদতে কাম কৰি থাকিবলগীয়া হয় তেন্তে তেওলোকৰ কাম কৰাৰ যিটো উৎসাহ সেইটো নোহোৱা হ'ব। আপুনি বনমন্ত্ৰী হিচাপে এই কামটো অধিক গুৰুত্ব দিব বুলি আশা কৰিছো। যিখিনি নিয়ম নীতি আছে তাৰ মাজেৰে তেওলোকক প্ৰমোশ্যন দিয়ক সোনকালে, নহ'লে হয়তো তেওলোক প্ৰমোশ্যন নোহোৱাকৈ অৱসৰ ল'ব লাগিব। আপুনি যদি আৰু অলপ গুৰুত্বসহকাৰে পদক্ষেপ লয়, তেনেহ'লে তেওলোকৰ পদোন্নতিটো সম্ভৱ হৈ উঠিব।

শ্ৰীপৰিমল শুক্লবৈদ্য, বনমন্ত্ৰী ঃ সঁচাকৈ যিসকলে ৩০-৩২ বছৰে চাকৰি কৰিছে- তেওলোকৰ কাৰণে এইটো এটা গুৰুত্বপূৰ্ণ কথা। মোৰ ইয়াতৌ তেনে কিছুমান আছে ,তেনেকৈ অৱসৰ লৈছে আৰু কিছুমানে মৃত্যুবৰনো কৰিলে। সভাপতি মহোদয়ৰ জৰিয়তে সদনক জনাইছো যে আমাৰ সমিতিখনৰে সৈতে বিচাৰ বিবেচনা কৰি এক -ডেৰ মাহৰ ভিতৰতে তেখেতসকলৰ এই problem টো solve কৰিম।

**শ্ৰীশ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ** সভাপতি মহোদয়, মোক ১ মিনিট সময় দিয়ক মই দুটা মান কথা ব্যক্ত কৰিব খোজো। যিহেতু মইও Forest Department ত চাকৰি কৰিছিলো মই এই কাৰণে কৈছো যে বিধায়ক সত্যব্ৰত কলিতা ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে তাত অলপ- ক'বলৈ দিয়া বাবে আপোনাক ধন্যবাদ সভাপতি মহোদয়। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে মাননীয় সদস্যগৰাকীয়ে যিটো কথা উত্থাপন কৰিছে, সেইটো খুৱ গুৰুত্বপূৰ্ণ। কাজিৰঙাৰ নিচিনা Wild Life ত ২০-৩০ বছৰ চাকৰি কৰি থকাৰ পিচতো ৰেঞ্জাৰৰ পৰা ফৰেষ্ট গাৰ্ডলৈকে প্ৰায় সকলো বিলাকে এই সমস্যাৰ সন্মূখীন হৈয়ে আছে। বহুতে চাকৰিত যোগদান কৰি কোনো ধৰনৰ প্ৰমোশ্যন নাপাই retire কৰিবলগীয়া হৈছে বা হয়। demoralise situation এটা হৈ যায়। আমি থাকোতে এটা প্ৰস্তাৱ দিছিলো যে Forest Department টো পিৰামিডৰ নিচিনা হ'ব লাগে। ত্ৰিভূজ আকৃতিৰ কিন্তু বৰ্ত্তমান আমাৰ টপটো heavy হৈছে। গতিকে এইটো reorganisation কৰি তলৰ লেভেলটোত অন্তত দুটা যদি প্ৰমোশ্যন দিয়ে তেন্তে তেওলোক Service Life ত satisfied হ'ব। তেওলোকে এনজাইটিৰ পৰা মুক্ত হ'ব। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে গুৰত্বসহকাৰে কামখিনি কৰিব লাগে আৰু এটা কথা যোগ দিব বিচাৰো যে, আমাৰ বৰপেটা, বঙাইগাওঁ জিলা আদি কৰি আমাৰ ৫ খন জিলা মিলি ৰঙিয়া ফৰেষ্ট ডিভিজন । আমাৰ যথেষ্ঠ mineral resource আছে। ইয়াৰ পৰা গৈ বন বিভাগৰ কাম- কাজখিনি বা যিটো দুনীৰ্তি তদাৰক কৰিবলৈ অসুবিধা হয় । আমাৰ নতুন মেন পাৱাৰ সৃষ্টি নকৰাকৈ বৰপেটাৰ যিটো Social Forestry Division আছে সেইটোকে upgrade কৰি Forest Teritorial Division কৰিলে আমাৰ ৰিচ'ৰ্চ টো বহুখিনি develop হ'ব। চৰকাৰৰ ওচৰত এই সম্পৰ্কে প্ৰপোজেল সম্ভৱত বিবেচনাধীন হৈ আছে । গতিকে এইটো মন্ত্ৰী মহোদয়ে বিবেচনা কৰিলে ভাল হ'ব, ধন্যবাদ।

**মাননীয় সভাপতি ঃ** ঠিক আছে । এই বিষয়টো মন্ত্ৰী ডাঙৰীয়াই চাব। তেখেতে গোটেইখিনি

কথা হৃদংগম কৰিছে। তেখেতৰ উত্তৰত গোটেইখিনি কথা প্ৰতিফলিত হৈছে। বনকৰ্মীসকলে বহুদিনধৰি কাম কৰি আছে গতিকে তেখেতসকলৰ এই সমস্যাটো মন্ত্ৰী মহোদয়ে সমাধান কৰিব বুলি আমি আশা কৰিলো। এতিয়া মাননীয় সদস্য দুৰ্গা ভূমিজক ইংৰাজী- ২১-০৮-২০২০ তাৰিখৰ "অসমীয়া খবৰ" বাতৰি কাকতত প্ৰকাশিত " বাঘজান তৈল খাদৰ পুনৰ বিস্ফোৰণ" শীৰ্ষক বাতৰিটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীদুৰ্গা ভুমিজ, বিধায়ক, ডুম ডুমা ঃ** মাননীয় সভাপতি ডাঙৰীয়া, ২১-০৮-২০২০ তাৰিখৰ 'অসমীয়া খবৰ' বাতৰি কাকতত প্ৰকাশিত "বাঘজান তৈল খাদৰ বিস্ফোৰণ" শীৰ্ষক বাতৰিটোৰ ওপৰত ক'বলৈ দিয়াৰ কাৰণে ধন্যবাদ জনাইছো। সভাপতি মহোদয়, বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ। বাঘজানত অভিশপ্ত ২৭-০৫-২০২০ তাৰিখে বি জি য়াৰ্ডৰ ৫ নং তৈল খাদটোৰ পৰা গেছ নিৰ্গত হৈ এটা প্ৰচণ্ড শব্দৰে বিস্ফোৰন হৈছিল আৰু সেই তাৰিখৰ পৰা গোটেই বাঘজানবাসী মানুহখিনিয়ে তেওলোকৰ জীৱনৰ নিৰাপত্তা আৰু আশ্ৰয়ৰ বাবে হাহাঁকাৰ কৰি থাকবিলগীয়া হৈছে। ইয়াৰ উপৰিও ৯ জুন তাৰিখে সেই বিস্ফোৰণ থলীৰ ৰ পৰা পুনৰ জুই নিৰ্গত হ'ল । তাৰ পিছত সেই অঞ্চললৈ তেওলোক আৰু উভতি যাব পৰা নাই। আজিও একাংশ লোকে বাঘজান এম ই স্কুলত আশ্ৰয় লৈ আছে । প্ৰায় ৯০ দিন পাৰ হোৱাৰ পিচত ক্ষতিগ্ৰস্থ লোকসকলক লৈ মিলন জ্যোতি সংঘই উপায়ুক্তৰ কাৰ্য্যালয়ত অস্থায়ী শিবিৰ পাতি প্ৰতিবাদ সাব্যস্ত্য কৰি আহিছে। ন্যায় বিচাৰিছে, ক্ষতিপূৰণ বিচাৰিছে , কিন্তু এতিয়ালৈকে কোনোধৰনৰ ক্ষতি পোৱা নাই। সেই গেছ নিৰ্গত জুঁইৰ পৰাই ২০ টাতকৈ অধিক ঘৰ, খেতি বাতি নষ্ট হৈছে। আজি প্ৰায় ১০০ দিন হওঁ হওঁ কিন্তু এতিয়ালৈ কোনো সমাধান আমি দেখা নাই। সেই কাৰণে চৰকাৰক জনাইছো , অইল কৰ্তৃপক্ষক বাধ্য কৰিব লাগিব। একাংশক ক্ষতি পূৰণ দিছে কিন্তু আমি অৱগত নহয়। বেছিভাগে ক্ষতিপুৰণ পোৱা নাই যাৰ বাবে আন্দোলন কৰিবলগীয়া হৈছে। মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে সেই বাঘজান অঞ্চলত যিটো পৰিস্থিতি হৈছে তাত এতিয়াও আৰু উভতি যোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে। সেই জুঁইৰ তাপত সমগ্ৰ অঞ্চল উত্তাপত দহিছে। মানুহ তাত থাকিব পৰা অৱস্থাত নাই। লগতে ভূ কম্পনো হৈছে। তাৰ ফলত ঘৰ দুৱাৰৰ যথেষ্ঠ ক্ষতি হৈছে। এতিয়া মানুহ তাত থাকিব পৰা অৱস্থাত নাই গতিকে মই চৰকাৰক এই বিষয়টো গুৰুত্বসহকাৰে ল'বলৈ অনুৰোধ জনাইছো। যিসকলে ক্ষতিপুৰণ পোৱা নাই প্ৰয়োজন হ'লে আৰু চাৰ্ভে কৰক কাৰণ অইল কৰ্ত্তপক্ষৰ জনসাধাৰণৰ ওপৰত কোনো দায়িত্ব নাই। অইলৰ এটাই কথা যে তেওলোকে কেনেকৈ খাদৰ পৰা তেল নিব পাৰে সেইটোৱে তেওলোকৰ মূল উদ্দেশ্য । আমি দেখি আহিছো অইলে এই ক্ষেত্ৰত চি এচ আৰৰ যোগেদি উন্নয়ণমূলক কাম- কাজ কৰাৰ কথা কয় কিন্তু আজিলৈ কোনো বিশেষ উল্লেখনীয় উন্নয়নমূলক কাম কৰা দেখা পোৱা নাই। সেই অঞ্চলৰ গাঁও সমূহ বোকাময় ৰাস্তা বিলাক ঠিক নহয়। সেই অঞ্চলটোৰ বাগিচাৰ ৰাস্তা সমূহ ঠিক নহয়। কিন্তু তেল আৰু তেল হৈ যাব বিচাৰে। ৯ জুন তাৰিখে জুই লগাৰ পিছত অইলে একাংশ মানুহক তাত লগাই দিছে যে তাত যাতে মাটি অধিগ্ৰহন কৰে, পোনপটীয়া ভাৱে অইন জড়িত নহৈ দালাল শ্ৰেণীৰ যোগেদি মাটি অধিগ্ৰহণ কৰিছে। প্ৰকৃত মালিক পক্ষই এতিয়ালৈকে মূল্য পোৱা নাই। তেওঁলোকৰ হাহাকাৰৰ সৃষ্টি হ'ব লগীয়া হৈছে। গতিকে চৰকাৰে পুনৰ চাৰ্ভে কৰক, ক্ষতি গ্ৰস্ত ৰাইজক ক্ষতিপূৰণ দিয়ক। চৰকাৰে অইলক বাধ্য কৰাওক যাতে ক্ষতিগ্ৰস্ত লোক সকলে যাতে উপযুক্ত ক্ষতিপূৰণ পায়। এতিয়া প্ৰথম কথাটো হ'ল যে কাৰ অৱহেলাৰ কাৰণে, কাৰ ভুলৰ কাৰণে, কাৰ অমনযোগিতাৰ কাৰণে এই জুইকুৰা জ্জ্বলিল, তাৰকাৰণে চৰকাৰে তদন্ত

কৰিবনে? দোষীক বিহীত ব্যৱস্থা গ্ৰহণ কৰিবনে? সেই জুইকুৰাত দুগৰাকী অইল কৰ্মচাৰীৰ মৃত্যু হৈছিল। কিন্তু যেনিতেনি অইলে ঢাকি ৰাখিব বিচাৰিছিল। মৃত্যু হোৱা নাই বুলি ইত্যাদি অপপ্ৰচাৰ চলাইছিল। কিন্তু উপাই নাই ৰাইজে প্ৰত্যক্ষ কৰাৰ কাৰণে সাৰি যাব নোৱাৰিলে। এতিয়া তাত প্ৰদূষণ বিভাগটো আটাইতকৈ চূৰান্তভাৱে ব্যৰ্থ হৈছে। প্ৰদূষণ এনেধৰণে হৈছে, বায়ু প্ৰদূষণ হৈছে, বিকত তাত শব্দ হৈছে, এনেধৰণে হোৱাৰ ফলত সেই অঞ্চলৰ ৰাইজৰ, আশে-পাশে থকা ৰাইজৰ কেনেকুৱা হৈছে যে তাত গৰ্ভৱতী মহিলা সকলে মৃতসন্তান জন্ম দিছে। সেই অঞ্চলৰ গৰু, মহ, ছাগলীৰো মৃত্যু হোৱা পোৱালী জন্ম হৈছে। বোধকৰো চৰকাৰৰ হাতত এই তথ্য নাথাকিব পাৰে। গতিকে তেনেকুৱা এটা অৱহলিত জীৱন আৰু কিমান দিন লৈ বাঘজান বাসীয়ে থাকিব। গতিকে এইখিনি আমি আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ২২ আগষ্ট তাৰিখে তাৰে এগৰাকী শুক্লেশ্বৰ নেওগ নামৰ স্থানীয় বাসিন্দাই ভাৰসাম্য হেৰুৱাই, হতগ্ৰস্তত ভূগী আত্মহত্যা কৰিব লগীয়া হৈছিল। গতিকে এনেকুৱা ধৰণৰ কথা সেই অঞ্চলটোত হৈছে। গতিকে মই আশা ৰাখিছো, চৰকাৰে অচিৰে ইয়াৰ সমধানৰ পথ উলিয়াব লাগিব আৰু সমধান পথ উলিয়াব লাগিব যে অঞ্চলটোত বসাবাস কৰা লোক সকলক অন্যস্থানত আমি নিশ্চয় স্থায়ী বাসস্থানৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। কাৰণ তালৈ ঘুৰি যোৱাটো সম্ভৱ নহয়, নহ'লে অইলে প্ৰতিশ্ৰুতি দিয়ক যে জুই কেতিয়া নুমাব বা আজিৰ চৰকাৰে কেতিয়া জুই নুমাব প্ৰতিশ্ৰুতি দিয়ক জুই কেতিয়া নুমাব তেওঁলোক কেতিয়া উভতি যাব নিজৰ ঘৰলৈ। ঠিক তেনেকৈ বাঘজানৰ প্ৰথমটো শব্দই সেই অঞ্চলটোৰ মানুহৰ নিদ্ৰা হৰণ কৰিছে, সেই অঞ্চলৰ কাষত প্ৰায় আধা কি. মিটাৰ আতৰত ডিব্ৰুছৈখোৱা অভয়াৰণ্য আছে। তাত জীৱকুলত প্ৰভাৱ পৰিছে। তাৰ জীৱ জন্তুই পলাইছে, কেতিয়াবা কেতিয়াবা মানুহৰ চিকাৰো হ'ব লগীয়া হৈছে। সেই গতিকে এই কথাখিনি আপোনালোকক জনালো। ইয়াৰোপৰি বাৰেকৰিৰ ওচৰত মাগুৰি মটাপুংৰ ভৰপূৰ জৈৱ বৈচিত্ৰপূৰ্ণ সেই অঞ্চল বিনস্ত হৈছে। সেই অঞ্চলৰ এতিয়া পানীত তৈল্য তৈল্য তৈল্য হৈছে। গতিকে তাত আচৰিত ধৰণে ভিন্ন মাছ-কাচৰ মৃত্যু হৈছে, চৰাই-চিৰিকিতিৰ মৃত্যু হৈছে, তাত কাচৰ মৃত্যু হৈছে, তাত দলফিনৰ মৃত্যু হৈছে। সেই অঞ্চলটোত দলফিন আছে। গতিকে এনেকুৱা ধৰণৰ ভৰপূৰ জৈৱবৈচিত্ৰপূৰ্ণ সম্পূৰ্ণ বিনস্ত হৈছে। মই আশা ৰাখিম সভাপতি মহোদয়ৰ যোগেদি যে অঞ্চলটোৰ পূৰ্বৰ অৱস্থা ঘুৰাই আনিবৰ কাৰণে চৰকাৰেই হওঁক, অইল কতৃপক্ষই দায়িত্ব ল'ব লাগিবই। ইয়াৰোপৰি ৯ জুন তাৰিখে জুই জ্বলিলে তাৰ পিছত অধিক অংশ অঞ্চল আগতে মই কলো যে আকৌ ক'ব লগীয়া হৈছে যে অধিক অঞ্চল মাটি অইলে অধিগ্ৰহণ কৰিছে। অধিগ্ৰহণৰ পিছত তেওঁলোকে যি মূল্য পাব লাগে অইলৰ পৰা সেই মূল্য অইলৰ পৰা পোৱা নাই। তাৰ ভিতৰত আছে চুমিলাল, কমলা কৈৰী ইত্যাদি আৰু কেইবাজনো মানুহৰ মাটিত তেওঁলোকে অধিগ্ৰহণ কৰিছে। কিন্তু পোৱা নাই, মাননীয় মন্ত্ৰী সঞ্জয় কিষাণৰ ওচৰত তেওঁলোকে আৱেদন কৰিবলৈ লৈ গৈছিল। কিন্তু তাৰ উত্তৰ কি আছিল মই নাজানিলো। যি নহওঁক এতিয়া কথা হ'ল গোটেই বাঘজান গাওঁপঞ্চায়ত যিহেতু কম্পমান হৈছে, শব্দ প্ৰদূষণ হৈছে, বায়ু প্ৰদূষণ হৈছে তেতিয়াহলে গোটেই বাঘজান গাঁওপঞ্চায়তৰ ক্ষতিপূৰণৰ ব্যৱস্থাও কৰিব লাগিব। মই নকও এনেকুৱা যে হ'ব লগীয়া সম পয্যায়ৰ ক্ষতি পূৰণ দিয়ক, কিন্তু এটা এক কালীন সাহাৰ্য্য দিব লাগিব। তাৰোপৰি বাঘজান চাহবাগিছাৰ ৯ নং, ১০ নং লেণ্ড, বিল লেণ্ড, ফেক্টৰী লেণ্ড সেই অঞ্চলত যি ভূমিকম্পন হৈছে, ঘৰত থাকিব পৰা অৱস্থাত নাই, তেওঁলোকে শিবিৰত আছিল আগতে এতিয়া চৰকাৰৰ অনুৰোধতে হওঁক বা ৰাইজৰ অনুৰোধতে হওঁক বা ৰাইজে বিবেচনা কৰি ঘৰলৈ গৈছে যদিও তেওঁলোকৰ টোপনি নাই, তেওঁলোকৰ নিদ্ৰা হৰণ হৈছে। গতিকে

তেওঁলোকৰ ব্যৱস্থা কৰিব লাগিব। মই দীঘলিয়াকৈ কবলৈ বিচৰা নাই এতিয়া প্ৰথম কথাটো হ'ল যে বাঘজান তৈল ক্ষেত্ৰৰ জুই কেতিয়া নুমাব, নুমুৱাৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে চৰকাৰে আৰু যিসকল ক্ষতিগ্ৰস্ত লোক, যি সকলৰ ঘৰ জ্বলি গ'ল তেওঁলোকে পুনৰ বোধকৰো কোনোদিনে উভতি যাব পাৰিবনে নোৱাৰে সন্দেহ আছে। গতিকে এই ব্যৱস্থা কেতিয়া হ'ব? তাত চাহ খেতি নষ্ট হৈছে, তাত ধানখেতি নষ্ট হৈছে, তাত জীৱ জন্তু নষ্ট হৈছে, বিভিন্ন নষ্ট হৈছে গতিকে সেইবিলাকৰ ক্ষতি পূৰণৰ ব্যৱস্থাৰ চৰকাৰে দায়িত্ব ল'ব লাগিব নহ'লে আপোনালোকে অইলক হলেও দিয়াব লাগিব। মই জনাত অইলক কোনো ধৰণৰ আপোনালোকৰ নিৰ্দেশ নাই আৰু কোনো ধৰণৰ দাবী নাই, তেওঁলোকক বাধ্য কৰোৱা হোৱা নাই, সেই অঞ্চলৰ ক্ষতিপূৰণ নহলে আজিলৈকে চাওঁক আজি ১০০ দিন হও হও। আকৌ বাঘজান বাসী মিলনজ্যোতি যুব সংঘৰ ক্ষতিগ্ৰস্ত ৰাইজক লৈ ডি চি অফিচত আজি তেওঁলোকে দিনে নিশাই আন্দোলন কৰিব লগীয়া হৈছে, হয়তো দেশত ক'তো হেৰা নাই। গতিকে ইয়াৰ সমধান বিচাৰি মই দুষাৰ কথা কলো যে এতিয়া সেই অঞ্চললৈ আৰু কিমান দিন সেই অৱহেলিত বা যন্ত্ৰণাময় হৈ থাকিব, ইয়াৰ অন্ত পেলাবৰ কাৰণে মই নিশ্চয় চৰকাৰক অনুৰোধ জনাম আৰু ইয়াৰ স্থায়ী সমধান জ্বলি থকা বাঘজানৰ স্থায়ী সমধান এতিয়া আমাক লাগে। আমাকো বিশ্বাসত লওঁক আমি নিশ্চয় ইয়াৰব্যৱস্থাপনাত পৰামৰ্শ আগবঢ়াম এই কথাখিনি কৈছো, নেচনেল গ্ৰীন ট্ৰিবুনেলৰ ওচৰত চৰকাৰে কাষ চাপিব নেকি, অইলৰ পৰা দাবী কৰিব নেকি। আগতে আমি শুনিছিলো য'ত তেনেকৈ জ্বলি যায়, ক্ষতিগ্ৰস্ত হয়, হায়দৰাবাদত তেনেকুৱা হৈছিল এই কথা আমাৰ মন্ত্ৰী মহোদয়ে জানে। জন এনাৰ্জীৰ পৰা পইচাটো লৈ আহক, টানি লৈ আহক, এটা বেগু এটা ঠিকাদাৰক, ব্ৰেগু এটা অৰ্গাইনেজেচনক সেই দায়িত্ব দিয়া হৈছিল, আগতেও তেনেকুৱা কৰিছিল। গতিকে জৈন এনাৰ্জীৰ পৰা আনিব তেওঁলোকে যাওঁক আৰু এইখিনি কাম কৰক। এইখিনি কাম কৰিলে নিশ্চয় চৰকাৰেও ভয় খাব নালাগে যে ভড়ালৰ পৰা দিব লাগিব সেইটো নহয়, জন এনাৰ্জীৰ পৰা লৈ আহক, তাৰ পৰা টানি আজুৰি লৈ আহক মই আশা ৰাখিছো এইখিনি কাম কৰিলে নিশ্চয় সমধানৰ পথ ওলাব। মই দীঘলিয়াকৈ কবলৈ বিচৰা নাই। আজি জাতি-ভেতি-মাটিৰ কথা কৈ চৰকাৰখন শাসনলৈ আহিছিল, এতিয়া খিলঞ্জীয়াৰ অৱস্থা কি হৈছে। নিশা যেতিয়া মহিলা থাকিব লগীয়া হৈছে কিমান কঠোৰ, কিমান বেদনাদায়ক, কিমান যন্ত্ৰনাময়। এই কথাখিনি মই আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰিলো। অচিৰে ইয়াৰ সমধানৰ আশা কৰি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**সভাপতি (শ্ৰী পদ্ম হাজৰিকা) ঃ** বাঘজান তৈলখাদৰ বিস্ফোৰণ লৈ এটা জটিল পৰিস্থিতিৰ সৃষ্টি হৈছে আৰু আমাৰ বিৰোধী দলপতিও মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়াৰ আগে আগে তেখেতেও একেষাৰ বক্তব্য ৰাখিব বিচাৰিছে, গতিকে মই তেখেতক চমুকৈ বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** মাননীয় সভাপতি ডাঙৰীয়া, মোক অকমান অংশ লোৱাৰ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। মই এই বাঘজানৰ ঘটনাটো হোৱাৰ পিছত মই নিজেই যোৱা নাই কাৰণ মই যোৱা ১৫ জুন তাৰিখে মাননীয় অধ্যক্ষ মহোদয়লৈ এখন চিঠি লিখিছিলো যে আমি এটা সৰ্বদলীয় প্ৰতিনীধি দল তালৈ যাব লাগে। আৰু আমাৰ সদনৰ এখন কমিটিও যাব বুলিও শুনিছিলো সেই অঞ্চললৈ, তেতিয়া সেই কমিটি খনকো মই চিঠি লিখিছিলো বাঘজানৰ বিষয়ত কিছু কথা লৈ। কিন্তু সদন কমিটিৰ ভ্ৰমণো বাতিল হ'ল। এই ক্ষেত্ৰত মই জুলাই মাহত কেন্দ্ৰীয় পৰিবেশ মন্ত্ৰী ডাঙৰীয়ালৈকেও কিছু কথা অৱগত কৰিছিলো পত্ৰ যোগে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়কো জুন মাহৰ ১৩ তাৰিখে পত্ৰ লিখি কি কাৰণে এনে ঘটনা হ'বলৈ পালে ইয়াৰ re-

sponsibility fixed কৰাৰ compensation দিয়াৰ কথা এই বিলাক কথা কৈছিলো। যিখিনি কথা মোৰ সতীৰ্থ দূৰ্গা ভূমিজ ডাঙৰীয়াইও কৈছে। National Green Tribunalৰ ফালৰ পৰা জাষ্টিচ বি টি কটকীক দিয়া হ'ল বুলি পিছত জানিব পাৰিছো। প্ৰথম অৱস্থাত কথাখিনি খুব স্পষ্ট হোৱা নাছিল। অসম চৰকাৰে এখন কমিটি কৰি দিছে বুলি ওলাইছিল। যি কি নহওঁক আমাৰ বিধান সভা চলি থকাৰ এদিন আগত মিলনজ্যোতি সংঘৰ কেতবোৰ প্ৰতিনীধি দল আহি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক লগ ধৰি গৈছে আৰু তেখেত সকলে ইচ্ছা প্ৰকাশ কৰিছিল বিধান সভাত এই বিষয়ত আলোচনা হওঁক। আজি কিছু সুযোগ পোৱাৰ বাবে ধন্যবাদ জনাইছো। এতিয়াও যোৱা ২৭ মে তাৰিখে যেতিয়া বিজুতি হ'ল জুনৰ ৯ তাৰিখে গেছ হ'ল, ফায়াৰ হ'ল আৰু ৮০০০ affected হ'ল ইয়াৰে বি কেট'গিৰিৰ কমপেনচেচন ১০ লাখ টকা কৈছে, তেওঁলোকে ২০ লাখ টকালৈকে বঢ়াবলৈ কৈছে। আঢ়ৈ হাজাৰ লোক এতিয়াও কেম্পত আছে আৰু এই আগষ্ট মাহৰ ২৪ তাৰিখৰ পৰা ডি চি কাৰ্য্যালয়ৰ সন্মূখত তেখেত সকলে চৰকাৰক আৰু অতি হেচা দিবলৈ যিহেতু তেখেত সকলে যেনেধৰণে আশা কৰিছিল সেই কামখিনি তেনেধৰণে হোৱা নাই বাবে তেখেত সকলে অৱস্থান কৰিছে। ইয়াত যিটো ৰিপোৰ্ট সেই ৰিপোৰ্ট অনুসৰি তাত বহুখিনি চিকিৎসা সম্পৰ্কীয় অসুবিধা হৈছে, মানুহৰ মানসিক অৱস্থা বেয়া হৈছে আৰু অন্যান্য কিছুমান হৈছে যিবোৰৰ যথেষ্ট দীঘলীয়া সময় এফেক্ট হ'ব পাৰে। সেই গতিকে আমাৰ চিকিৎসা বিভাগেও ভাল যত্ন ল'ব লাগিব আৰু বাহিৰত যেনেকৈ এন জি পি ত ক্লেম কৰিব পৰা যায় আমাৰ চৰকাৰে এটা পক্ষ হৈ এটা ভাল ক্লেম আনিব লাগে। কাৰণ যিটো কোম্পনীৰ কাৰণে হ'ল সেই কোম্পানীৰ একেবাৰে গাফিলটিটো প্ৰমাণ হৈছে। তেখেত সকলেও ইমান অভিজ্ঞ নাছিল এনেকুৱা কামত, কিন্তু তেখেত সকলে এই কামত যদি এক্সপাৰ্ট ব্যৱহাৰ কৰিলে হৈ, নকৰাৰ বাবে যাৰ ফলত এই কথাখিনি হ'ল। এতিয়া যিটো এন জি পি ত হ'ব সেইখিনি নিশ্চয় আমি কিছু কথা জানিব পাৰিম আৰু ইতিমধ্যে আমাৰ এখন আইনো আহিছে Environment Impact Assesment Act, ২০২০, এইখনে বহুখিনি ক্ষেত্ৰত আগতীয়া পাৰ্মিচন নোলোৱাৰ ব্যৱস্থা কৰি দিছে। সেই ক্ষেত্ৰত তামিলনাড়ু, কৰ্ণাটক এই বিলাক ৰাজ্যৰ বিধান সভাই তাৰ কৃষিভূমি বচাবলৈ ইণ্ড্ৰাষ্ট্ৰী যাতে জধেমধে নহয় কিছুমান স্থানীয়ভাৱে আইন প্ৰণয়ন কৰিছে যাতে তাৰ কৃষক সকলক সকাহ দিব পৰা যায় আৰু কোনো উদ্যোগ যতে ততে বহি কৃষি অৰ্থনীতিটো নষ্ট কৰিব নোৱাৰে। আমাৰ অসমৰ ক্ষেত্ৰতো মই চৰকাৰক অনুৰোধ জনাব বিচাৰো প্ৰয়োজন সাপেক্ষে, Cauvery Riverine Protection Area যেনেকৈ আইন আছে তেনেকুৱা ধৰণৰ আইন আনিব পাৰি নেকি চাব লাগে। যাতে আমাৰ যিটো থলুৱা অৰ্থনীতি কৃষিৰ ওপৰত নিৰ্ভৰ কৰে এই কৃষিভূমি যাতে যি কোনো ধৰণৰ নতুন কেন্দ্ৰীয় আইনৰ পৰিপেক্ষিতত নষ্ট হয় সেই ক্ষেত্ৰত আমি বচাব পাৰো। আৰু বিশেষ নকৈ মই চৰকাৰৰ পৰা এটা ভাল সদউত্তৰ পাম বুলি ভাবিছো যিহেতু ইয়াৰ ফলত যথেষ্ট লোক ক্ষতিগ্ৰস্ত হ'ল আৰু দুজনৰ প্ৰাণ হানি হ'ল আৰু ভৱিষ্যতৰ বাবে আমি চাব লাগিব। কাৰণ অসমৰ যিখিনি সম্পদ সেই সম্পদখিনি কেন্দ্ৰক আমি দি আছো। এতিয়া কৰপোৰেট চোচিঅ' ৰেচপনচিবিলিটি নামৰ বস্তু এটা আছিল আমি সকলোৱে জানো, কোম্পানীয়ে এখন আইন কৰিছিল আগত যে ৩ শতাংশ দিব লাগে। কিন্তু এতিয়া দেখা গৈছে যে স্থানীয় ভাৱে কোনো কাম সেই কোম্পানী সমূহে কৰিব নোৱাৰা হ'ল, কাৰণ কেন্দ্ৰীয় চৰকাৰে গোটেই পুঁজিটো এটা বিশেষ ফাণ্ডলৈ লৈ গ'ল। তাৰ ফলত আজি স্থানীয় বহুত কোম্পানী সমূহে যেতিয়া ও এন জি চি অইল তেওঁলোকে কাম কৰা স্থানীয় কোনো ধৰণৰ সামাজিক উন্নয়ন মূলক কাম কৰিব নোৱাৰে তাৰ এটা অৱস্থা হৈছে আৰু মোৰ মহকুমাধিপতিৰ

লগত কথা হৈছিল, তেখেতে কৈছে যে আমি বহুত ল এণ্ড অৰ্ডাৰ চিটুৱেচনত পৰিছো। কাৰণ চি এচ আৰ ও দিব নোৱাৰাৰ বাবে ও এন জি চি য়ে ৰাইজে পথ অবৰোধ কৰা বিভিন্ন ধৰণৰ যি পলিউচন হয়, ৰাস্তা-ঘাট বেয়া হয় তাৰ উন্নয়নৰ বাবে এতিয়া যথেষ্ট সংকতত পৰিছে, উদ্যোগেও পৰিছে আৰু ৰাইজেও সংকতত পৰিছে। সেই গতিকে এইবিলাক কেনেকৈ নাইকীয়া কৰিব পাৰি তাৰ বাবে ৰাজ্য চৰকাৰৰ ফালৰ পৰাও কিছু আগন্তুক সময়ত পদক্ষেপ মই আশা কৰি মোক অংশ গ্ৰহণ কৰিব দিয়াৰ বাবে মাননীয় সভাপতি ডাঙৰীয়াক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**সভাপতি (শ্ৰী পদ্ম হাজৰিকা) ঃ** এতিয়া মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় সভাপতি ডাঙৰীয়া, আমাৰ আজি অসমীয়া খৰৰত ২১-০৮-২০২০ তাৰিখত যিটো বাতৰি প্ৰকাশিত হৈছিল বাঘজান তৈলখাদৰ বিস্ফোৰণ। তাতে আমাৰ মাননীয় সদস্য শ্ৰী দূৰ্গা ভূমিজ ডাঙৰীয়াই শুণ্যকালীন ঘন্টাত যিখিনি কথা উত্থাপন কৰিছে সেই সম্পৰ্কে চৰকাৰ অৱগত আৰু তেখেত যিহেতু দুমদুমা সমষ্টিৰ বিধায়ক আৰু তেখেতৰ সমষ্টিতে বাঘজান এৰিয়াটো, গতিকে নিশ্চয় তেখেতে যিখিনি কথা কৈছে সেই কথাখিনি আমি ভালকৈ উপলব্ধি কৰিব পাৰিছোঁ। মাননীয় সভাপতি ডাঙৰীয়া, আচলতে বাঘজানত প্ৰথম যিদিনা তাত জুই লাগিল, সেইদিনাৰ পৰা সেই মুহূৰ্তৰ পৰা মাননীয় মুখ্যমন্ত্ৰীয়ে এই কথাটো সম্পূৰ্ণৰূপে তদাৰক কৰিছে। সেই হিচাপে আমাৰ মন্ত্ৰী সঞ্জয় কিষাণ ডাঙৰীয়াক পঠিয়াইছে, তাৰ পিছত আমাৰ ৰেভিনিউ মিনিষ্টাৰ তেখেতক পঠিয়াইছে, তাৰ পিছত মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোকো যাবলৈ কলে, মই গ'লো তাত, তাৰ পিছত আমাৰ কৃষি মন্ত্ৰী অতুল বৰা ডাঙৰীয়া তেওঁক যাবলৈ ক'লে। গতিকে সঞ্জয় কিষাণ আৰু যোগেন মহন আমাৰ দুয়োজন মাননীয় মন্ত্ৰীয়ে তাত আছিল গৈছিল আৰু ময়ো তাত ৮ দিন আছিলো। ৮ দিন মই থাকি গোটেই পৰিস্থিতিটো উপলব্ধি কৰিছো। আমাৰ দূৰ্গা ভূমিজ ডাঙৰীয়া আৰু বিৰোধী দলপতি ডাঙৰীয়াই যিখিনি কথা কৈছে তেখেত সকলৰ কথাখিনিত তেখেত সকলৰ যি অনুভৱ সেই অনুভৱ আমাৰো একে অনুভৱ। সেই কাৰণে মই এটা কথা মাননীয় মুখ্যমন্ত্ৰীয়ে এই কথাটো তেখেতে আৰম্ভণিৰে পৰা তদাৰক কৰিছে আনকি মই যেতিয়া বাঘজানত আছো তেতিয়াও মাননীয় মুখ্যমন্ত্ৰীয়ে ৰাতি ১২.৩০ বজাত ১ বজাত ফোনত যোগাযোগ কৰিছে। কাৰণ পৰিস্থিতিৰ সন্দৰ্ভত তেখেত যথেষ্ট চিৰিয়াছ। সিদিনাই কেৱল নহয়, আজিও এই মুহূৰ্ততো মুখ্যমন্ত্ৰী ডাঙৰীয়াই বাঘজানৰ তদাৰক সম্পূৰ্ণৰূপে আৰম্ভ কৰিছে। সদনত মই এই কথাখিনি আস্বস্থ্য কৰিব খুজিছো যে বাঘজান বাসী ৰাইজৰ লগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত যিখন চৰকাৰ চলি আছে এই চৰকাৰ আমি বাঘজান বাসী ৰাইজৰ লগত আছো। তাত কেনেকুৱা এটা কথা হৈছে মাননীয় সদস্য দূৰ্গা ভূমিজ ডাঙৰীয়াই কৈছে যে নিজৰ ঘৰ বাৰী এৰি ১৫-২০ কি. মিটাৰ দূৰত স্কুলত সৰু সৰু কেচুৱা, লৰা-ছোৱলী লৈ নিজৰ ঘৰ এৰি যেতিয়া মানুহ ৰিলিফ কেম্পত থাকিব লাগে সেই যন্ত্ৰণা কিমান যন্ত্ৰণা সেই কথাখিনি আমি বুজিছো। বাঘজান বাসী ৰাইজৰ লগত অসম চৰকাৰ সম্পূৰ্ণৰূপে আছে, ভাৰত চৰকাৰ সম্পূৰ্ণৰূপে আছে এই ক্ষেত্ৰত। গতিকে মাননীয় সদস্য দূৰ্গা ভূমিজ ডাঙৰীয়াই কৈছে যে কেতিয়া জুই নুমাব, কেতিয়া হ'ব এইটো বুলি তেখেতে কৈছে, তেখেতে কথাখিনি কওঁতে ভাল লাগিছে, তেখেতৰ যিটো চিৰিয়াছনেচটো দেখিছো যে কেতিয়া জুই নুমাব, কেতিয়া হ'ব, গতিকে সেই সম্পৰ্কে এটা বিবৃতি দিব বিচাৰিছো চৰকাৰৰ তৰফৰ পৰা। কাৰণ তেখেতে কৈছে যে আমাৰ কিছু ৰিলিফ যিখিনি দিয়া হৈছে সেইখিনি চাফিচিয়েন নহয় আৰু ৰিলিফ দিব লাগে। জৈৱ বৈচিত্ৰৰ কথা কৈছে, মটাপুং মাগুৰিৰ যিটো বিল তেওঁ কৈছে যে তাত কাছ মৰিছে বা তাতে আমাৰ দলফিন মৰিছে এনেকুৱা

ধৰণৰ কথা কৈছে, গতিকে মই যেতিয়া তিনিচুকীয়াত আছিলো এই ঘটনাত তেতিয়া মই নিজেই দুলীয়াজানত এখন মিটিঙো কৰিছোঁ অইল এক্সপাৰ্ট সকলৰ লগত, জি এম ডি ও আছিল তাত অইল ইণ্ডিয়াত, ও এন জি চি আছিল আৰু ইন্টাৰনেচনেল কোম্পানীকেইটাও আছিল। তেওঁলোকে এই মটাপুং মাগুৰিৰ যিটো বিল এই বিলৰ ওপৰত যিটো তেল পৰা বুলি কৈছে কাছোও মৰিছে বা তাতে দলফিন মৰিছে তেনেকুৰা ধৰণৰ কথা কৈছে। মই যেতিয়া তিনিচুকীয়াত আছিলো তেতিয়া দুলীয়াজানত এখন মিটিঙো কৰিছিলে Oil expert সকলৰ লগত CMD আছিল ONGC আছিল আৰু এই International Company ৰ যিকেইটা আছে তেওঁলোকো আছিল। তেওঁলোকে এই মাগুৰি মোতাপুং বিলৰ ওপৰত তেল পৰা বুলি কৈছে, তেওঁলোকৰ এটা scientific method আছে। সেই method টোৰে তেওঁলোকে এতিয়া তেলতো segregate কৰি আছে। সোনকালে এইটো segregate হ'ব, পানীখিনিও তেনেকৈ refine কৰাৰ ব্যৱস্থা কৰিব। সেই মিটিংখন মেয়ে organize কৰিছিলো CMD Oil ৰ লগত। তাৰপিছত মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াক মই report কৰিছিলো। গতিকে সেই কথাটোক লৈ আমি concern ।

মাননীয় সভাপতি মহোদয়, মই বিবৃতি দিব বিচাৰিছো যে **২১-০৮-২০২০** তাৰিখত অসমীয় খবৰ বাতৰি কাকতত প্ৰকাশিত বাঘজান তৈল ক্ষেত্ৰত পুনৰ বিস্ফোৰণ বাতৰিটোৰ ওপৰত মাননীয় বিধায়ক দূৰ্গা ভূমিজ দেৱে শূণ্যকালীন ঘন্টাত উত্থাপিত কৰা বিষয়টোৰ সৰ্ন্দভত বিতং প্ৰতিবেদন।

এই বাতৰিতোৰ ওপৰত চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। এই সম্পৰ্কত Oil আৰু তিনিচুকীয়া জিলা উপায়ুক্তৰ পৰা পোৱা তথ্য আমি গ্ৰহণ কৰিছো আৰু তাৰ ভিত্তিত এই বিবৃতিতো তৈয়াৰ কৰা হৈছে। যোৱা **২৭-০৫-২০২০** তাৰিখে পূৱা **১০.৩০** বজাত বাঘজানত পাচঁ নম্বৰ তৈল খাদত অনিয়ন্ত্ৰিত ৰূপত প্ৰাকৃতিক গেছ নিৰ্গত হয় আৰু তৎক্ষণাত Oil India limited দূৰ্য্যোগ প্ৰশিক্ষণ পৰিকল্পনা বিভাগ সক্ৰিয় হৈছিল আৰু খাদতো নিয়ন্ত্ৰণলৈ আনিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হৈছিল। ইয়াৰ লগে লগে অন্য অভিযান সমূহো বন্ধ কৰি দিয়া হৈছিল। পৰৱৰ্তী সময়ত ONGC crisis management team ৰ সহযোগিতা বিচৰা হৈছিল আৰু Oil India Limited ৰ সকলো বিধিবদ্ধ সংস্থা petroleum আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়, ৰাজ্য আৰু জিলা প্ৰশাসনৰ সতৰ্কতা তথা সহায়ৰ বাবে অৱগত কৰা হৈছিল। সেই অনুসৰি Oil India Limited তে M/s Alert Disaster Control ৰ বিশেষজ্ঞ আৰু CVP Mahuwar ৰ (জুই নুমোৱাৰ ক্ষেত্ৰত বহুত expert) সহযোগত ONGC Crisis team ৰ নিৰ্গমনৰ দায়িত্ব অৰ্পণ কৰা হৈছে। Mahuwar আৰু ময়ে কথাখিনি পাতিছো। M/s Alert Disaster Control ৰ বিশেজ্ঞ সকলক চিংগাপুৰ, আমেৰিকা, কানাডা আদিৰ পৰা চাৰ্টাৰ বিমান যোগে বাঘজানৰ তৈল ক্ষেত্ৰলৈ অনা হয়। চিংগাপুৰৰ expert Mr. Mike ৰ লগত দুলীয়াজানত ভালদৰে কথা পতা হৈছে আৰু আমেৰিকাৰ পৰা অহা কেইজনৰ লগতো বিস্তৃত ভাৱে কথা পতা হৈছিল। তেওঁলোকে আশ্বাস দিছে যে জুইতো নুমুৱাব পৰা যাব। তেখেতসকলে এনেকুৰা ধৰণে পদক্ষেপ ল'লে যে পানী আৰু পাম্পচেটৰ ব্যৱস্থা কৰা হ'ল। খাদৰ ওচৰৰ পৰা সকলো ধৰণৰ আঁচবাব আৰু আবৰ্জনা নিষ্কাষণ কৰা হ'ল। BOP পৰিবহণৰ বাবে সকলো ধৰণ যাৱতীয় ব্যৱস্থা কৰা হ'ল আৰু খাদৰ পৰা **২০** ৰ পৰা **২৫** মিটাৰ আঁতৰত যন্ত্ৰ সমূহ স্থাপন কৰা হ'ল, খাদৰ পৰা নিৰ্গত হোৱা বোকা নিয়ন্ত্ৰণ কৰা হ'ল।

মাননীয় সভাপতি মহোদয়, মাননীয় সদস্য ভূমিজ ডাঙৰীয়াই যিটো কথা কৈছে - আচলতে সমস্যাটো আছিল যে কোনোবাই মাটিৰ দাম পোৱা নাই। এই ক্ষেত্ৰত আপোনক আশ্বস্ত কৰিলো

যে যিবিলাকে মাটিৰ মূল্য পোৱা নাই, তেখেতসকলে পাব। আচলতে খাদৰ ওচৰত যিখিনি মাটি আছে, সেই মাটিখিনি প্ৰয়োজন আছিল। কিয় প্ৰয়োজন আছিল যে তাত যিখিনি জাৱৰ জোথৰ আছিল জুই লাগি আছিল। প্ৰথমতে এই খিনি আঁতৰাব লাগে। কিয় তাত artificial pond কৰিব লাগে। সেই পুখুৰীতোত ডাঙৰী নদীৰ পৰা পানী আহিব লাগিব। সেই পুখুৰীতো যেতিয়া পানী আহিব, সেই যে জুই জ্বলি আছে ৪০ হাজাৰ গেলান লিটাৰৰ যি পাম্পচেট আছে, সেই পাম্পচেটৰে পুখুৰীটোৰ পৰা পানী তাত দিব লাগিব। এনেকুৱা ধৰণৰ ব্যৱস্থাৰ বাবে মাটিখিনি প্ৰয়োজন আছে। গতিকে মাটিখিনি দিয়াৰ ব্যৱস্থা কৰা হৈছে। যদি তাৰে ভিতৰত সেই মাটিখিনি দাম পোৱা নাই माननीय সদস্য গৰাকীয়ে এখন লিখিত দিব, যদি মাটিৰ মূল্য পোৱা নাই তেতিয়া হ'লে Oil India Limited ৰ লগত আলোচনা কৰি পোৱাৰ ব্যৱস্থা কৰিম।

তাৰ উপৰিও সকলোবোৰ ব্যৱস্থা কৰাৰ পিছত যোৱা ০৯-০৬-২০২০ তাৰিখে বিয়লি **১** বজাত তেল খাদতোত জুয়ে আগুৰি ধৰে। দূৰ্ভাগ্যবশতঃ এই জুইত oil india limited ৰ অগ্নিনিৰ্বাপক বাহিনী দুজন সাহসী fireman শ্বহীদ হৈছে। এই অগ্নিনিৰ্বাপক বাহিনীৰ পাৰদৰ্শিতাৰ ফলত জনসাধাৰনৰ বহুমূলীয়া জীৱন ৰক্ষা পৰে। কোনো মানুহৰ ক্ষতি সাধন হোৱা নাই আৰু তেওঁলোকক তাৰ পাৰ স্থানান্তৰ কৰা হৈছে। এই জুই জ্বলাৰ পিছত খাদতো সম্পূৰ্ণভাৱে বন্ধ কৰি দিয়া হৈছে আৰু তাতে সেই খন্দা পুখুৰীটোত পৰ্য্যাপ্ত পৰিমানে পানীৰ ব্যৱস্থা কৰা হ'ল। তাৰ পিছত সেই স্থানৰ অন্তঃগাথনি তথা নিৰাপত্তাৰ ব্যৱস্থা কৰা হ'ল, চিকিৎসা সেৱাৰ ব্যৱস্থা কৰা হ'ল, তাপ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হ'ল। সকলো বস্তু স্থানান্তৰ কৰি মুকলি কৰা হ'ল।

খাদ বন্ধ কৰিবলৈ প্ৰযোজনীয় সকলো আন্তঃগাথনিৰ ভিতৰত আটাইতকৈ কষ্টকৰ আৱৰ্জনা নিষ্কাষণৰ কাম যোৱা **২৪-০৬-২০২০** তাৰিখৰ পৰা আৰম্ভ হয়। খাদলৈ যোৱা ৰাস্তা আৰু খাদৰ কাষত হোৱা বানপানীৰ কাৰণে নিৰ্দ্ধাৰিত সময়তকৈ অধিক সময়ৰ প্ৰয়োজন হ'ল। আনকি তাতে এখন Baily Bridge তৈয়াৰ কৰিব লগা হৈছিলে অতি সোনকালে। এক ৰাতিৰ ভিতৰত Baily Bridge বনোৱা হ'ল। গোটেই ৰাস্তাখিনি কৰি দিয়া হ'ল। এই ৰাস্তাবিলাক কৰাৰ পিছত আহি গ'ল বানপানী। বানপানী অহাৰ লগে আকৌ এটা খেলিমেলি হ'ল। কিন্তু বানপানী আহিলেও কামখিনি ৰৈ থকা নাছিল, কাম কৰি আছিলে।

সাহায্য আৰু পুনৰসংস্থাপনৰ কথা যেতিয়া আহিল, তেতিয়া আমাৰ ৰাইজৰ লগতে বিধায়ক আৰু বিভিন্ন দল সকলে মিলি কাম কৰিছে। বিশেষকৈ তাত মিলনজ্যোতি সংঘ এটা আছে। তেওঁলোকে দিন ৰাতি তাত কাম কৰিছে। সাহায্যৰ আৰু পুনৰসংস্থাপনৰ ক্ষেত্ৰত -

১)২৭ মে, ২০২০ তাৰিখে বাঘজান তেল খাদৰ প্ৰাকৃতিক গেছ আৰু তেল নিৰ্গমন হয়।

২ )কাষৰীয়া **১৬১০** টা পৰিয়ালক ৪ টা সাহায্য শিবিৰলৈ তেওঁলোকৰ নিৰাপত্তাৰ বাবে স্থানান্তৰিত কৰা হয়। এই সাহায্য শিবিৰত তেওঁলোকৰ খোৱা-থকাৰ লগতে স্বাস্থ্যসন্মত খোৱাপানী, অনাময়, বিজুলী আৰু চিকিৎসা সেৱাৰ লগতে অঙ্গনবাড়ী আৰু আশা কৰ্মীৰো ব্যৱস্থা কৰা হয়।

৩) ইয়াৰ লগত পশুধনৰ খাদ্য আৰু চিকিৎসাৰ ব্যৱস্থা কৰা হয়।

৪) ৯ জুন, ২০২০ তাৰিখে বাঘজান তৈলখাদত জুই লাগে। সমীপৰ অঞ্চলৰ **১২** টাকৈ বাসগৃহ ভস্মীভূত হয় আৰু এই পৰিয়ালসমূহৰ সম্পত্তি সম্পূৰ্ণৰূপে নষ্ট হয়। পুনৰ **৯** টা আশ্ৰয় শিবিৰ পতা হয় আৰু সকলো শিবিৰ মিলাই **৩০০০** পৰিয়ালক আশ্ৰয় দিয়া হয়।

৫) চৰকাৰৰ বিভিন্ন বিভাগৰ সহযোগত ক্ষতিগ্ৰস্ত অঞ্চলৰ জৰীপ চলোৱা হৈছে আৰু চৰকাৰৰ নিয়ম আৰু লগতে ৰাষ্ট্ৰীয় সেউজ ন্যায়ধীকৰণৰ নিৰ্দেশ মতে ক্ষতিপূৰণ দিয়াৰ প্ৰক্ৰিয়া চলি আছে।

ভষ্মীভূত **১২** টাকৈ বাসগৃহৰ পৰিয়ালক **২০** লাখ টকাকৈ ক্ষতিপূৰণ প্ৰদান কৰা হৈছে। এই **২০** লাখ টকাতো হয়তো **২৫** লাখ হ'ব, মই সদনত জনালো। এতিয়ালৈ মুঠ **১২ x ২০ = ২.৪০** কোটি টকা ঘৰ ভষ্মীভূত হোৱা পৰিয়ালক বিতৰণ কৰা হৈছে। তাৰোপৰি বাকী থকা ৪ লাখ টকাকৈ দিয়াৰ ব্যৱস্থাও কৰি থকা হৈছে।

৬) অইল ইণ্ডিয়া লিমিটেড কৰ্তৃপক্ষ আৰু তিনিচুকীয়া জিলা প্ৰশাসনৰ তৰফৰ পৰা আশ্ৰয় শিবিৰত থকা বাঘজানৰ সমীপৱৰ্তী এলেকাত বসবাস কৰা আৰু ক্ষতি হোৱা **১৪৮৪** টা পৰিলায়ক **৩০,০০০.০০** টকাকৈ এককালীন সাহায্য আগবঢ়োৱা হয়।

৭) বাঘজানৰ নিলগত থকা **১১৯৭** টা পৰিয়ালক **২৫,০০০.০০** টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হয়।

৮) ইতিমধ্যে তিনিচুকীয়া জিলা প্ৰশাসনৰ ফালৰ পৰা Oil India Limited ৰ সম্পত্তি ক্ষতি হোৱা, ক্ষতিপূৰণ নোপোৱা পৰিয়ালসকলক এককালীন সাহায্য দিয়াৰ বাবে প্ৰস্তাৱ আগবঢ়াইছে।

৯) জিলা প্ৰশাসনৰ প্ৰস্তাৱ অনুসৰি বাঘজান এলেকাৰ জুইৰ দ্বাৰা ক্ষতিগ্ৰস্তৰ **৫৭** টা পৰিয়ালক **১০** লাখ টকাকৈ আৰু আন **৫৬১** টা ক্ষতিগ্ৰস্ত পৰিয়ালক **২.৫** লাখ টকাকৈ এককালীন সাহায্য দিয়াৰ ব্যৱস্থা লোৱা হ'ব। এই প্ৰস্তাৱত সামৰিলোৱা পৰিয়াল সকলৰ সম্পত্তি তৈল খাদৰ পৰা **০-১.৫** কিলোমিটাৰ এলেকাৰ অৱস্থিত আছিল।

**১০**) বাঘজান জুইৰ দ্বাৰা ক্ষতিগ্ৰস্ত সমূহৰ চিনাক্তকৰণৰ প্ৰক্ৰিয়া চলি থাকিব।

মূখ্যমন্ত্ৰী সাহায্য -

এই সংক্ৰান্তত মাননীয় মূখ্যমন্ত্ৰীমহোদয়ে ৰাইজৰ কাৰণে এক বিশেষ পেকেজ ঘোষণা কৰে।

এই পেকেজৰ উপাদন সমূহ হ'ল-

**১**) মাগুৰি-মোতপুং বিলক প্ৰদুষণ মুক্ত কৰা আৰু পৰ্য্যটন স্থলিলৈ ৰূপান্তৰিত কৰা।

**২**) বাঘজান - তিনিচুকীয়া সংযোগী পথৰ কাম হাত লোৱা।

**৩**) ডাঙৰী নদীৰ গৰাখহনীয়া ৰোধ কৰিব বাবে আঁচনি হাতত লোৱা আৰু তাৰ বাবে **২৭** কোটি টকা আৱন্টন দিয়া।

গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে ২৭ কোটি টকা দিলে। চাৰি নম্বৰত, সেই অঞ্চলটো যিহেতু পিছপৰা অঞ্চল, মুখ্যমন্ত্ৰী ডাঙৰীয়াই তাত এখন ম'ডেল উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰাৰ বাবে পেকেজ দিলে। তাতে এটা স্কীল ডেভল'পমেন্ট চেন্টাৰ কৰিবলৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিৰ্দেশ দিছে আৰু ইতিমধ্যে ইয়াৰ প্ৰাথমিক কাম-কাজ আৰম্ভ হৈছে। তাৰ উপৰিও মুখ্যমন্ত্ৰীৰ পেকেজৰ পৰা ম'ডেল ভেটেৰিনাৰী হস্পিতাল এখন তাত দিলে। বাঘজানৰ মহিলা আত্মসহায়ক গোট সমূহলৈও তেখেতে আৰ্থিক সাহায্য প্ৰদান কৰে। জিলা প্ৰশাসনে ক্ষয়-ক্ষতিৰ মূল্যায়ণৰ বাবে এখন কমিটী গঠন কৰি দিছে আৰু এই কমিটীখনে মূল্যায়ণ কৰি দিয়া পৰিমাণ অইল উণ্ডিয়া লিমিটেডে জিলা প্ৰশাসনৰ হাতত জমা কৰিব লাগিব। পাৰিপাৰ্শ্বিকতাৰ ক্ষেত্ৰত কোৱা হৈছে, অইল ইণ্ডিয়া লিমিটেডে সদায় পৰিৱেশ ৰক্ষাৰ ক্ষেত্ৰত সচেতনতা অৱলম্বন কৰি আছে। বিস্ফোৰণ হোৱা মুহূৰ্তৰ পৰা জমা হোৱা তৰল পদাৰ্থসমূহ নিষ্কাষণ কৰি থকা হৈছে আৰু জুই নিৰ্বাপনৰ বাবে ব্যৱহাৰ কৰা পানীসমূহ বিশুদ্ধকৰণৰ পাছত জমা কৰি ৰখা হৈছে। অইল ইণ্ডিয়া লিমিটেডে পৰিৱেশ ৰক্ষাৰ বাবে এইকেইটা পদক্ষেপ গ্ৰহণ কৰিছে। বায়ু, পানীৰ গুণ, শব্দ প্ৰদূষণ আৰু গেছৰ স্থিতিৰ নিয়মীয়া পৰীক্ষাকৰণ। তাৰ বায়ুত

কিমান পৰিমানৰ কাৰ্বন-ডাই-অক্সাইড,অক্সিজেন আছে, বায়ুটো যে পলুশ্যন হৈছে সেইটো এতিয়াৰ পৰা গোটেই অঞ্চলটোতে পৰীক্ষা কৰি আছে। যেতিয়ালৈকে বায়ু প্ৰদূষণ হোৱাটো বন্ধ নহয়,তেতিয়ালৈকে তাত মানুহ থাকিব নোৱাৰিব। গতিকে তাৰ ব্যৱস্থা ইতিমধ্যে অইল ইণ্ডিয়াই লিমিটেডে লৈছে।ইয়াৰ পিচতে আছে পানীৰ গুনাগুণ। পানীৰ ওপৰত চামনিৰ নিচিনাকৈ তেল পৰিছে। গতিকে পানীৰ গুনাগুণ নিৰ্ণয় কৰিবৰ বাবে লেব'ৰেটৰিত পৰীক্ষা চলি আছে। পৰীক্ষা কৰা হোৱাৰ পিচত সেই পানী ব্যৱহাৰৰ যোগ্য হ'বনে নহ'য় ৰাইজক জনাই দিয়া হ'ব। ইয়াৰ উপৰিও তাত যিটো শব্দ প্ৰদূষণ হৈ আছে ,সেইটো নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থাও ইতিমধ্যে লোৱা হৈছে। গেচৰ স্থিতিৰ নিয়মীয়া পৰীক্ষণ হৈআছে।গেচৰ কনডেনছেট যিটো ওলাই আছে সেইটো বায়ুৰ লগত মিলি আছে। গতিকে কিমান পৰিমানৰ কনডেনছেট বায়ুৰ লগত মিহলি হৈ আছে সেইটো পৰীক্ষা কৰি থকা হৈছে। তাৰ উপৰিও অধ্যক্ষ মহোদয়, তাত এটা কম্পন হোৱাৰ কথা কোৱা হৈছে। এই ক্ষেত্ৰত মই নিজে ডুলীয়াজানলৈ গৈ তেওঁলোকৰ লগত কথা পাতিলো । কথা পতি আমাৰ যিটো জিঅ'লজিকেল ছাৰভে অব ইণ্ডিয়াৰ শ্বিলঙত যিটো অফিচ আছে, তেওঁলোকৰ লগত যোগাযোগ কৰা হৈছে। তেওঁলোকক এই বিষয়ে অধ্যয়ণ কৰিবলৈ কোৱা হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গুৱাহাটীত মিটিং পাতিলে। মিটিং পাতি TERI, CSIR-NEIST, IIT-Guwahati কে ধৰি গোটেই সংস্থা সমূহক বায়ু-পানী এই গোটেই পৰিৱেশটো ঠিক-ঠাক কৰাৰ কাৰণে আৰু এই কম্পনটো কিয় হৈছে এই বিষয়বোৰ অধ্যয়ণ কৰিবলৈ নিৰ্দেশ দিছে। অধ্যয়ণৰ ৰিপোৰ্ট এতিয়ালৈকে ফাইনেল হোৱা নাই।ফাইনেল হোৱাৰ পিছত আমি জনাব পাৰিম। সভাপতি মহোদয়,তাৰ উপৰিও যোৱা ২০ আগষ্ট,২০২০ তাৰিখে বাতৰি কাকতত প্ৰকাশ পোৱা মতে বাঘজান অঞ্চলটোত এজাক ঘূৰ্ণী বতাহ আহাটো সত্য। এইয়া এক প্ৰাকৃতিক ঘটনা। ঘূৰ্ণী বতাহটোক জুইয়ে অনা নাই। ঘূৰ্ণী বতাহ সকলোতে আহে। বতাহৰ ফলত তৈলক্ষেত্ৰত অইল ইণ্ডিয়াৰ কাম-কাজত কিছু ব্যাহত হৈছিল যদিও কাম বন্ধ হোৱা নাছিল,চলি আছিল। কিন্তু বাতৰি কাকতত প্ৰকাশ পোৱা ধৰণে কোনো অদৃশ্য শক্তিৰ প্ৰভাৱ পৰা বুলি কোৱাটোৰ কোনো বৈজ্ঞানিক সত্য-সত্যতা নাই আৰু ই গ্ৰহণযোগ্যও নহয়।

দ্বিতীয়তে, যোৱা ১ আগষ্টত বাঘজানৰ কিছু নিলগৰ দহোটীয়া গাৱঁৰ কৃষ্ণ ভূজ সমন্বয় ক্ষেত্ৰত গাওঁৰ ৰাইজে বিপদৰ পৰা মুক্ত হবলৈ পূজা-অৰ্চনা সম্পন্ন কৰাটো সত্য(বাতৰি কাকতত প্ৰকাশ কৰা মতে)। কিন্তু জিলা প্ৰশাসনে কোনো পূজা-অৰ্চনা কৰা নাছিল,কেৱল আইন-শৃঙ্খলা জনিত কাৰণত দণ্ডাধীশ নিয়োগ কৰিছিল। কিন্তু বাতৰি কাকতত লিখিছিলযে তেওঁলোকে টেকনিকেলি ফেইল হৈ এতিয়া পূজা-পাঠত লাগি গ'ল। প্ৰকৃততে এইটো নহয়। তাত যিহেতু ৰাইজেপূজা কৰিছে তাত আমি দণ্ডাধীশ নিয়োগ কৰিছো যাতে ৰাইজৰ কোনো অসুবিধা নহয়। যোৱা ২৪-০৮-২০২০ তাৰিখে মিলনজ্যোতি যুৱ সংঘৰ নেতৃত্বত প্ৰায় ২০০ বাঘজান গাওঁবাসী আহি উপায়ুক্ত কাৰ্যালয়ৰ মূল গেটৰ কাষত তম্বু তৰি দিনে-নিশাই থাকি প্ৰতিবাদ প্ৰদৰ্শন কৰি আছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই ডি,চিক কাঢ়া নিৰ্দেশ দিছে যে প্ৰতিবাদ প্ৰদৰ্শন কৰিলেও প্ৰদৰ্শনকাৰী সকলৰ মনৰ দুখ বুজিবলৈ চেষ্টা কৰিব লাগিব, তেওঁলোকৰ ওপৰত যাতে কোনো ধৰণৰ লাঠীচালনা, কোনো ধৰণৰ বেয়া ব্যৱহাৰ কৰা নহয়। ভূমিজ ডাঙৰীয়াই নিজে এইখিনি কথা জানে যিহেতু মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভূমিজ ডাঙৰীয়াৰ সন্মুখতে ডি,চি লৈ ফোন কৰিছিল। আমি প্ৰতিবাদকাৰীসকলৰ দাবীসমূহ মাননীয় ৰাষ্ট্ৰীয় সেউজ ন্যায়ধীকৰণৰ ওচৰত গঠন কৰি দিয়া বিশেষজ্ঞ কমিটীৰ যোগেদি উত্থাপন কৰিছো। যিহেতু যুৱ সংঘৰ নেতৃত্বত গাওঁবাসীয়ে তম্বু তৰি দিনে নিশাই

থাকি সম্পূৰ্ণ শান্তিপূৰ্ণ ও গণতান্ত্ৰিকভাৱে বহি আছে, সেয়েহে বৰ্তমান তেওঁলোকক সেই স্থানত থাকিবলৈ দিয়া হৈছে। ইতিমধ্যে মাননীয় ৰাষ্ট্ৰীয় সেউজ ন্যায়ধীকৰণে নিৰ্ধাৰণ কৰি দিয়া মতে ক্ষতিপূৰণ গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হৈছে আৰু বাকী থকা বৰ্ধিত ক্ষতিপূৰণ মাননীয় ৰাষ্ট্ৰীয় সেউজ ন্যায়ধীকৰণে অনুমোদন জনোৱাৰ পিছত বিতৰণ কৰা হ'ব। যিহেতুকে উচিত বৰ্ধিত ক্ষতিপূৰণৰ বাবে জিলা প্ৰশাসনে মাননীয় ৰাষ্ট্ৰীয় সেউজ ন্যায়ধীকৰণে গঠন কৰি দিয়া বিশেষজ্ঞ সমিতিৰ ওচৰত উত্থাপন কৰা হৈ আছে, সেয়েহে বাঘজান গাওঁ মিলনজ্যোতি যুৱ সংঘ আৰু গাওঁবাসীক তেওঁলোকৰ আন্দোলনৰ কাৰ্যসূচী বাতিল কৰি নিজ নিজ গৃহলৈ ঘুৰি যাবলৈ অনুৰোধ জনোৱা হৈছে। যদি প্ৰয়োজন হয় এটা নতুন আশ্ৰয় শিবিৰ জিলা প্ৰশাসনৰ তৰফৰ পৰা বাঘজানৰ তিনিচুকীয়াত স্থাপন কৰি দিয়া হব। যদি তেওঁলোকে ভাৱে যে আমি ইয়াতে থাকিব বিচাৰিছো, তাত আমি অসুবিধা পাইছো, then we are ready to set-up one relief camp house.We donat mind for this.পৰা donat mind for this. মুখ্যমন্ত্ৰীয়ে এই কথাখিনি ইতিমধ্যে স্পষ্টভাৱে কৈ দিছে। এতিয়া মূল কথাটো হ'ল ভূমিজ ডাঙৰীয়াই যিটো কৈছে যে জুই কেতিয়া নুমাব? এইটোহে আচল কথা। জুই নুমোৱাৰ ক্ষেত্ৰত এটা পৰ্যায়লৈ জুই আমি নুমালো। কিন্তু এটা ব্লকত জুই নুমোৱাৰ লগে লগে আকৌ জুই ওলাই, আকৌ গেচ ওলাই। যিটো চিষ্টেমত জুই নুমাবলৈ M/S ALERT ৰ আমেৰিকা, কানাডা আৰু চিংগাপুৰৰ কোম্পানী কেইটাৰ এক্সপাৰ্ট সকল আহিছিল।কিন্তু দেখা গ'ল যে তেওঁলোকে এই জুইখিনি নুমাবলৈ হ'লে আমাৰ কিছুমান অসুবিধা আছে।সেইকাৰণে বৰ্তমানেও তাত জুই নিৰ্গত হৈ আছে। সভাপতি মহোদয়, অইলৰ যিডাল পাইপ তললৈ গৈছে তাত BOP টো ওপৰত থাকে ।সেয়েহে BOP টো উৰি যোৱাৰ কাৰণে এই জুইটো নিৰ্গত হৈ আছে। গতিকে BOP টোৰ তলত যিডাল মেইন পাইপ থাকে, সেই পাইপডাল ১৩ ইঞ্চিৰ বহল। সেই ১৩ ইঞ্চিৰ ৰেডিআচৰ মাজৰ পাইপ ডালৰ মাজেদি ৯ ইঞ্চিৰ এডাল পাইপ কিছুদূৰ তললৈ সোমায় যায়। এই ৯ ইঞ্চিৰ পাইপ ডালৰ পাছত পাঁচ ইঞ্চিৰ পাইপ এডাল কিছুদূৰ তললৈ সোমায় যায় আৰু তাৰ পৰাহে তেল আৰু গেচ ওলাই। গতিকে তাত প্ৰেচাৰ ইমান বেছি আছে যে যাৰ ফলত এই BOP টো উৰি গ'ল। BOP টো উৰি যোৱাৰ লগে লগে এক্সপাৰ্ট সকলৰ প্ৰচেষ্টাটো বিফল হ'ল।সেয়েহে এই প্ৰচেষ্টাটো এটা বেলেগ চিষ্টেমেৰে কৰিব লাগিব। যিহেতু এইটো এটা বেলেগ চিষ্টেমেৰে কৰিব লাগিব, সেয়েহে এই পাঁচ ইঞ্চিৰ পাইপ ডালৰ জড়িয়তে অন্য এডাল পাইপ তললৈ পঠিয়াব লাগিব আৰু এই কামটো বৰ্তমান চলি আছে। এই পাইপডাল বিন্ধা কৰি তললৈ পঠিয়াই দিলে সেই গেচখিনি EPS লৈ লৈ যাব।EPS লৈ পাঠোৱাৰ কাৰণে ইতিমধ্যে দুডাল পাইপ বহুওৱা হৈছে। যেতিয়া গেচখিনি EPS লৈ গুচি যাব তেতিয়া গেচখিনি গেচ ডিভিজনলৈ গুচি যাব। কিন্তু এই ব্যৱস্থাটো ক্ষন্তেকীয়া। এইটো এমাহ-ডেৰমাহৰ বাবেহে হ'ব। তথাপি কিছুপৰিমানে হ'লেও মানুহখিনি ৰিলিফ পাব। ৰিলিফ পালে তাৰ এটা স্থায়ী

সমাধানৰ কাৰণে অন্য এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অন্য ব্যৱস্থাটো হ'ল, যিডাল ৭ ইঞ্চিৰ পাইপ তললৈ সোমায় গৈছে, সেই পাইপ ডালেৰে বোকা সোমাব লাগিব আৰু মাৰ্কিং কৰিব লাগিব।প্ৰথমে মাৰ্কিং কৰিব লাগিব আৰু তাৰ পিছতহে কিলিং কৰিব পৰা যাব। গতিকে মাৰ্কিং কৰাৰ কাৰণে এটা নতুন প্ৰচেষ্টা লোৱা হৈছে। এই প্ৰচেষ্টা অনুযায়ী মই জনাব বিছাৰিছো যে অইল ইণ্ডিয়া লিমিটেডৰ সূত্ৰৰ পৰা পোৱা তথ্য অনুসৰি তৈলখাদৰ জুই নিৰ্বাপন প্ৰক্ৰিয়াৰ আৰু কিছুদিন প্ৰয়োজন হ'ব। সম্প্ৰতি হৈ যোৱা পৰিদৰ্শন অনুসৰি ৫ আৰু ৯ ইঞ্চিৰ কেছিঙৰ মাজত থকা

যোগাযোগ ধৰি ৰখাত চিমেন্ট আৰু চিলিঙৰ ব্যৰ্থতাৰ ফলস্বৰূপে এই পৰ্যায়ত কিলিং পদ্ধতি অৱলম্বন কৰা সম্ভৱ নহয়। এই পৰ্যায়ত কিলিঙৰ চেষ্টায় ১৩ ইঞ্চি কেচিঙৰ পাইপডালৰ ক্ষতিহে কৰিব পাৰে। যিটো ওপৰৰ ক'ভাৰ পাইপডালৰহে ক্ষতি হ'ব পাৰে আৰু সেইটো হ'লে বেছি ভয়ানক হ'ব পাৰে। ৫ আৰু ৯ ইঞ্চি যিডাল পাইপ দিছে; ১৩ ইঞ্চিৰ পাইপডাল যদি ব্ৰাষ্ট হৈ যায়, তেনেহ'লে আৰু ভয়াবহ পৰিস্থিতি হৈ যাব। গতিকে তাৰ কাৰণে এটা অলটাৰনেটিভ ব্যৱস্থা কৰা হৈছে। এই অলটাৰনেটিভ ব্যৱস্থাটো হৈছে কানাডাৰ পৰা প্ৰয়োজনীয় যন্ত্ৰপাতি সহ এটা বিশেষজ্ঞ দলে এই উদ্দেশ্যে অসমলৈ আহি আছে আৰু এই মৰ্মে স্নাবিং ইউনিটৰ সহায়ত কিলিঙৰ পৰিকল্পনা কৰা হৈছে যদিও যা-যোগাৰ কৰি এই পদ্ধতি সম্পূৰ্ণ হোৱালৈকে ৬-পৰা ৮ সপ্তাহলৈ লাগি যাব পাৰে। কাৰণ কানাডাৰ পৰা যন্ত্ৰ-পাতিসহ আৰু বিশেষজ্ঞ লগত লৈ তেওঁলোক গুৱাহাটী বা ডিব্ৰুগড়লৈ আহিব আৰু তাৰ পিছত বাঘজাননৈ যাব। গতিকে তেওঁলোক আহোতে ৬-পৰা ৮ সপ্তাহ লাগিবই। ই পি এচলৈ গেছখিনি ডাইভাৰ্ট কৰাৰ কামখিনি ইতিমধ্যে প্ৰায় শেষ হৈছে। অইল ইণ্ডিয়া লিমিটেডে ইতিমধ্যে পাইপ বহুৱাই আছে। এই কামটো শেষ হ'বলৈ প্ৰায় দহদিনমান সময় লাগিব। Intensity of fire, heat and Gas will be lessed, but it is temporary. কিন্তু sub-way যিটো হ'ব, সেইটোহে permanent solution হ'ব। সেয়েহে স্নাবিং অপাৰেশ্যন কাৰ্য্যকৰী নোহোৱালৈকে তৈল কূপৰ পৰা গেছখিনি আঁতৰাই লৈ যোৱাৰ পৰিকল্পনা কৰা হৈছে। যিহেতু দাঁতি কাষৰীয়া ই পি এচৰ ক্ষমতা এই কূপৰ পৰা আটাইখিনি গেছ উৎপাদনৰ বাবে পৰ্য্যাপ্ত নহয়, সেয়েহে বি অ পি আৰু গ্ৰাউণ্ড এক্সমাছ ট্ৰিৰ মাধ্যমেৰে এই গেছ আঁতৰাই দিয়াৰ বাবে সুকীয়া ব্যৱস্থা হাতত লোৱা হৈছে। যথাসম্ভৱ উৎপাদন তথা ডাইভাৰ্টৰ প্ৰযত্ন কৰা হৈছে। পৰিকল্পনা অনুযায়ী দুটা স্বতন্ত্ৰ লাইনৰ সহায়ত এই কূপটোৰ উৎপাদন কৰা হ'ব আৰু প্ৰতিটো লাইনক একোটাকৈ পৰোক্ষ বাথহিটাৰৰ সৈতে সংলগ্ন কৰা হ'ব। এটা লাইন ইতিমধ্যেই প্ৰস্তুত থকাৰ বিপৰীতে আনটো লাইনৰ নিৰ্মাণৰ কাম শেষ পৰ্যায় পাইছেগৈ। নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পিছতে লাইন দুটাৰ হাইড্ৰটেষ্ট কৰা হ'ব। বাথহিটাৰত ইন্ধন সৰবৰাহৰ বাবে অতিৰিক্ত গেছ লাইনৰ প্ৰয়োজন হ'ব আৰু এই কূপৰ চূড়ান্ত সংযোগকাৰী পৰিকল্পনাৰ বাবে সকলো সম্ভৱপৰ সতৰ্কতা গ্ৰহণ কৰা হ'ব। এই সম্পূৰ্ণ কামটোৰ বাবে প্ৰত্যাশিত সময় হৈছে ৭ ৰ পৰা ১০ দিন। এই ১০ দিনৰ পাছত সেই গেছখিনি ই পি এচ লৈ নিব পৰা যাব। গতিকে এই ১০ দিনৰ পিছত তাত Intensity of fire, heat and Gas বহু পৰিমাণে কমি যাব। স্নাবিং অপাৰেশ্যনটোহে আচলতে permanent solution যিটো কানাডাৰ পৰা আহি থকা বিশেষজ্ঞ দলে কৰিব। মাননীয় বিধায়ক দুৰ্গা ভূমিজ ডাঙৰীয়াই কৈছে যে, জন বেনাৰ্জীৰ ওপৰত ব্যৱস্থা লব লাগে। আমাৰ মুখ্যমন্ত্ৰীয়ে এই ঘটনাটো ঘটাৰ পিছতে আমাৰ অতিৰিক্ত মুখ্য সচিব মনিন্দৰ সিং, আমাৰ অইল ইণ্ডিয়া চেক্টৰত বহুদিন ভাৰত চৰকাৰৰ জইন চেক্ৰেটাৰী হিচাপে কাম কৰিছে আৰু তেখেতৰ এই বিষয়ত যথেষ্ট অভিজ্ঞতা আছে। সেয়েহে মুখ্যমন্ত্ৰীয়ে লগে লগে অতিৰিক্ত মুখ্য সচিব মনিন্দৰ সিঙৰ অধ্যক্ষতাত এটা এনকুৱেৰী কৰিবলৈ নিৰ্দেশ দিয়ে। মই তিনিচুকীয়াত থকা অবস্থাতে মনিন্দৰ সিং তালৈ গৈছে। ইয়াৰউপৰিও ভাৰত চৰকাৰৰ মাননীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান ডাঙৰীয়াই মুখ্যমন্ত্ৰীৰ লগত বাঘজান অঞ্চল পৰিদৰ্শন কৰি কৈছিল যে, এই দুৰ্ঘটনাৰ বাবে আমি এটা তদন্ত কৰিম আৰু যিয়ে দোষী সাব্যস্ত হ'ব, তেওঁক আমি শাস্তি দিয়াৰ ব্যৱস্থা কৰিম। তিনিচুকীয়া চাৰ্কিট হাউচত হোৱা এখন প্ৰেছ কনফাৰেঞ্চত শ্ৰীধৰ্মেন্দ্ৰ প্ৰধান ডাঙৰীয়া, আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া, আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়া, সঞ্জয় কিষান ডাঙৰীয়া মই আৰু শ্ৰীযোগেন মোহন ডাঙৰীয়া আমি আটাইবোৰ তাত উপস্থিত

আছিলো। তাত ধৰ্মেন্দ্ৰ প্ৰধান ডাঙৰীয়াই স্পষ্টভাৱে কৈছিল যে, এই দুৰ্ঘটনাৰ লগত জৰিত যি ব্যক্তিয়েই নহওঁক কিয়, তদন্তৰ পাছত আমি stern action. লোৱা হ'ব।

পৰৱৰ্তী সময়ত Oil India Ltd. এ প্ৰথমে নিৰাপত্তাৰ কথা চিন্তা কৰাত আপোনালোকে bound কৰাৰ বাবে মই অনুৰোধ জনাইছো। কাৰণ এনেধৰণৰ ৮ টা মান উন্মুক্ত খাদ তাত আছে।আজিৰ যি পৰিৱেশ-পৰিস্থিতি সেই পৰিস্থিতি যাতে ভৱিষ্যত সময়ত সেই খাদ সমূহত নহয়, তাৰ বাবে নিৰাপত্তাৰ কথা চিন্তা কৰিব লাগিব। ইয়াৰোপৰি, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তালৈ গৈ যি প্ৰতি শ্ৰুতি দিছিল, সেই প্ৰতিশ্ৰুতিসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত যাতে খৰটকীয়া হয়, তাৰ বাবে মই অনুৰোধ জনাইছো। যিবোৰ অঞ্চললৈ তেল নিগৰিত হৈছে, সেই অঞ্চলসমূহক ক্ষতিপূৰণ দিয়াৰ বাবে যাতে চৰকাৰে বিবেচনা কৰে। তাৰোপৰি, সেই অঞ্চলসমূহত শিশু বিশেষজ্ঞ আৰু প্ৰসূতি বিভাগৰ চিকিৎসক যাতে প্ৰেৰণ কৰা হয় তাৰ বাবে মই অনুৰোধ জনালো। কিয়নো সেই সময়ত আমি সকলোৰে যেতিয়া তালৈ গৈছিলো, তেতিয়া আমাৰ লগত বহুত ডাক্তৰ গৈছিল যদিও যি বিভাগৰ ডাক্তৰৰ প্ৰয়োজন হৈছিল, সেই ডাক্তৰ যোৱা নাছিল। সেই সময়ত বাঘজানৰ শিবিৰত থকা এটি ৩ বছৰীয়া শিশুৰ বেমাৰ হওঁতে জৰা-ফুকা কৰাৰ ফলত শিশুটোৰ মৃত্যু হৈছিল আৰু তাৰ ক্ষতি পূৰণ কম বেছি পৰিমাণে হ'লেও আমাৰ মাননীয় মন্ত্ৰী সঞ্জয় কিষাণ ডাঙৰীয়াই দি আহিছে। গতিকে, এইক্ষেত্ৰত আমি চিন্তা কৰাটো প্ৰয়োজনীয়। বাঘজানৰ এনে কাণ্ডৰ পিছত সেই বৃহৎ অঞ্চলত মানুহৰ ঘৰ-বাৰী তেলেৰে ভৰি সম্পত্তি বিনষ্ট হৈছিল। তাৰ বাবে ক্ষতিপূৰণ হিচাপত যি চাকৰি দিব লাগে, সেই চাকৰি গাওঁ অঞ্চলতে হওঁক, ক'তো দিয়া হোৱা নাই। এয়া পোনপটীয়া অভিযোগ। গাওঁ, বাগিচা সকলোতে খাদ আছে। সেয়েহে মই চৰকাৰক অনুৰোধ কৰিছো সেই লোকসকলক চতুৰ্থ বৰ্গৰ হ'লেও যাতে চাকৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে।

সভাপতি ডাঙৰীয়া, আচলতে বাঘজানত ৮ টা মান Operation চলি আছে আৰু Oil India Ltd. ৰ আটাইতকৈ active oil খিনি তাতেই আছে। গতিকে, আমি Oil India Ltd. ৰ লগত মাননীয় সদস্য গৰাকীয়ে কোৱা কথাবোৰ ইতিমধ্যে পাতিছো। আমি কৈছো যে- তোমালোকৰ যিহেতুকে আটাইতকৈ active, খুব দৰকাৰী আৰু বেছি তেল reserve আছে, গতিকে এই ক্ষেত্ৰতএটা precautionary measure যাতে এতিয়াৰ পৰাই লোৱা হয়, যাতে জুই নুমোৱাৰ পিছত পুনৰ operation আৰম্ভ হ'লে, মানুহৰ এনেকুৱা ক্ষতি যাতে পুনৰ নহয়। এই কথাখিনিত Oil India Ltd.এ agree কৰিছে আৰু তেওঁলোকে বিশেষজ্ঞ সমিতিৰ লগত আলোচনা কৰি কি ব্যৱস্থা ল'ব, সেই বিষয়ে আমাক জনাইছে।

দ্বিতীয়তে, মই অলপ আগতে যিটো কথা ক'লো যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া Guwahati IIT আৰু বিভিন্ন সংস্থাক তাৰে air pollution, water pollution আৰু মাটিখিনি চাব দিছিল কাৰণ তেলবোৰ মাটিত নিগৰিত হোৱাৰ ফলত condensate বোৰ তলত পৰি যায় যাৰ ফলত মাটিৰ গুণাগুণ নিশ্চয় ক্ষতি হ'ব পাৰে। সেয়েহে, এই কথাবোৰ তেওঁলোকক চাব দিয়া হৈছে, যাতে তাত খেতি হয়। মাননীয় সদস্যগৰাকীয়ে যেতিয়া কৈছিল, তেতিয়া মই Oil India Ltd.ক সেই অঞ্চলৰ মাটিৰ গুণাগুণৰ কথা সুধিছিলো, খেতিবোৰ নষ্ট হোৱাৰ বিষয়ে কৈছিলো। তেতিয়া তেওঁলোকে মোক sample দেখাইছিল যে এডাল গছৰ ওপৰত গেছখিনি থকা বাবে গছডাল দেখিবলৈ মৰি যোৱা নিচিনা হৈছে, কিন্তু, তাক নখেৰে আঁচুৰি দিওঁতে ভিতৰৰ পৰা গছ ডাল ঠিকেই দেখা গৈছিল । তেওঁলোকে তেতিয়া মোক কৈছিল যে- আমি এইবোৰ সকলো চাফা কৰি দিম। সভাপতি মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় সদস্য

গৰাকীক এই কথাখিনি জনাব বিচাৰিছো।

তৃতীয়তে, শিশু বিশেষজ্ঞ, প্ৰসূতি বিভাগৰ চিকিৎসক প্ৰেৰণ কৰাৰ ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে ক'ভিড-১৯ৰ ফলত বহু চিকিৎসক এই চিকিৎসাৰ লগত জড়িত হৈ আছে। Oil India Ltd. য়েও আমাৰ তৰফৰ পৰা ডাক্তৰ বিচাৰিছিল, তাৰ বাবে যি টকা দিব লাগে সেই টকা দিয়াৰ বাবেও তেওঁলোক সাজু আছিল। কিন্তু, বৰ্তমান সময়ত শিশু বিশেষজ্ঞৰ অলপ অভাৱ হৈ আছে যদিও সেই অঞ্চলটোত শিশু বিশেষজ্ঞ, প্ৰসূতি বিভাগৰ ডাক্তৰৰ team এটা যাতে পৰিভ্ৰমণ কৰে তাৰ বাবে আমি আমি স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** সভাপতি মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক এটা বিষয় ক'ব বিচাৰিছো যে-আমাৰ Leader of the Opposition এ All Party ৰ Team এটা লৈ তাত যোৱাৰ বাবে অনুৰোধ জনাইছিল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** সভাপতি মহোদয়, বাঘজানত যিহেতু এতিয়া গেছটো কিছু পৰিমাণে প্ৰশমিত হৈছে, গতিকে এই ক'ভিডৰ সময়ত All Party Team লৈ যোৱাটো মোৰ বোধেৰে ঠিক নহয়। কাৰণ আমি নিজেই ক'ভিডক লৈ খুব চিন্তিত হৈ আছিলো যে শিবিৰত যাতে কোনো এজন ব্যক্তিৰেই ক'ভিড নোলায়, যদি ওলালেহেঁতেন তেন্তে এক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হ'লহেঁতেন। কিন্তু, ভগৱানৰ কৃপাত কোনো এগৰাকী ক'ভিড ৰোগী তাত নোলাল। সেই অঞ্চলৰ লোকসকল এনেই দুখত আছিল আৰু সেই সময়তে আমি পুলিচ-মিলিটাৰী লৈ তালৈ যোৱাটো ঠিক নহ'ব ।

**মাননীয় সভাপতিঃ** আপুনি উদ্যোগ মন্ত্ৰী হিচাপে চৰকাৰৰ হৈ যিখিনি উত্তৰ দিছে, সেই উত্তৰত গোটেই কথাখিনি সামৰি দিছে। তাত ক্ষতি গ্ৰস্ত লোকসকলক সহায় আগবঢ়োৱা হৈছে নে নাই, তাৰ বিস্তৃত ব্যাখ্যা দিছে আৰু চৰকাৰে ভৱিষ্যত পৰিকল্পনা কি লৈছে, তাৰো বিস্তৃত ব্যাখ্যা আপুনি দিছে। ইয়াত আৰু বেলেগ কথাৰ প্ৰয়োজনীয়তা আহিব নালাগে। গতিকে আপোনাক ধন্যবাদ জনাইছো।

এতিয়া, মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই অসম বিধান সভাৰ 'প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনা নিয়মাৱলী'ৰ ৫৪ নং নিয়মৰ অধীনত ২০২০ চনৰ ০৩ জুলাই তাৰিখে 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত -**'ভূটানে পুনৰ এৰিলে কুৰিশুৰ পানী, বৰপেটাত বান পৰিস্থিতিৰ অৱনতি হোৱাৰ আশংকা"** শীৰ্ষক বাতৰিটো জলসম্পদ মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** সভাপতি মহোদয়, অসম বিধান সভাৰ "প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনা নিয়মাৱলী'ৰ ৫৪ নং নিয়মৰ অধীনত ২০২০ চনৰ ০৩ জুলাই তাৰিখে 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত -**'ভূটানে পুনৰ এৰিলে কুৰিশুৰ পানী, বৰপেটাত বান পৰিস্থিতিৰ অৱনতি হোৱাৰ আশংকা"** শীৰ্ষক বাতৰিটো আপোনাৰ জৰিয়তে জলসম্পদ মন্ত্ৰী মহোদয়ৰ লগতে পৱিত্ৰ সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

সভাপতি মহোদয়, অসমত বৰ ভূঁইকপৰ পিছত বানপানী, বানপানীৰ ক্ষয়-ক্ষতি আৰু ৰাইজৰ দুৰ্দশাৰ কথাটো আমাৰ সকলোৰে অৱগত। ইতিমধ্যে অসমৰ ৰাইজৰ মাজত বানপানীৰ লগত সহবাস কৰাৰ মানসিকতা গঢ় লৈ উঠিছে। পৱিত্ৰ বিধান সভাত আমি বিধায়ক হোৱাৰ আগতেও বহুত বাৰ অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিব লাগে বুলি কেন্দ্ৰলৈ বিভিন্ন সময়ত প্ৰস্তাৱ আগবঢ়াই অহা হৈছে। কিন্তু, আজিৰ তাৰিখতো কেন্দ্ৰীয় চৰকাৰে অসমৰ বানপানীক

ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা নাই। উক্ত বাতৰিটো আমি যেতিয়া সদনত প্ৰকাশ কৰিলো, সদনৰ বেছিভাগ মাননীয় সদস্য-সদস্যা তথা সন্মানীয় মন্ত্ৰী ডাঙৰীয়াই নিশ্চিতভাৱে ভাৱিব যে এই সময়ত, বৰ্তমান বা আজিৰ দিনত বৰপেটাত বানপানী হৈছে নেকি? কিন্তু, সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে স্পষ্ট কৰি দিব খুজিছো যে বৰপেটাত বানপানী হোৱা নাই। মই অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ক ভূটানৰ কুৰিশ্বুৰ নদীৰ বান্ধৰ গেটবোৰ খু লি দিয়াৰ ফলত নামনি অসম, বিশেষকৈ নলবাৰী, বৰপেটা, বাক্সা, চিৰাং, বঙাইগাওঁ আদি জিলাত কেনে অৱস্থাৰ সৃষ্টি হয়, সেই বিষয়ে বৰ্ণনা কৰিছিলো আৰু তেওঁ মোক Rule 54 ৰ অধীনত এই কথাখিনি ক'বলৈ সুযোগ দিয়াৰ বাবে সভাপতি মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় অধ্যক্ষ মহোদয়কো ধন্যবাদ জ্ঞাপন কৰিছো। মই আগতেও কৈছো যে বানপানী আৰু বানপানীৰ ক্ষয়-ক্ষতিৰ বিষয়ে মই বহলাই নকওঁ। নামনি অসমৰ বৰপেটা জিলাৰ বাসিন্দা হিচাপে বা নামনি অসমৰ বেছিভাগ জিলাই বানপানীৰ পৰিস্থিতিৰ সম্পৰ্কে সকলো জ্ঞাত আৰু এইবাৰো বানপানীৰ ফলত যথেষ্ট ক্ষতি হৈছে। কিন্তু, এইবাৰৰ বানপানীত ধুবুৰী, বৰপেটা, বাক্সা, চিৰাং, নলবাৰী আৰু বঙাইগাওঁ জিলাৰ কিছু অংশত আমি কিছুমান বিশেষ লক্ষণ দেখিবলৈ পাইছো। চলিত অধিবেশনৰ যোৱা ৩১ তাৰিখত মোৰ এটা প্ৰশ্ন আছিল যাৰ উত্তৰত কৈছিল যে- যিহেতু বানপানীৰ সময় হৈছে, ১৫ অক্টোবৰপৰ্যন্ত ব্যাপ্ত হৈ আছে। অৰ্থাৎ আমাৰ চৰকাৰে ১৫ অক্টোবৰ পৰ্যন্ত বানপানীৰ সীমা নিৰ্ধাৰণ কৰিছে। পূৰ্বৰ বছৰৰ গোটেই পৰিসংখ্যা লৈ ১৫ অক্টোবৰলৈ বানপানী হ'ব পাৰে বুলি চৰকাৰে ধাৰণা কৰিছে। বছৰৰ কোনটো মাহলৈ বানপানী থাকিব বা কোনটো মাহৰ পৰা বানপানী আৰম্ভ হ'ব এই সকলোখিনিৰ তথ্য চৰকাৰৰ ওচৰত থকাটোত আমিও একমত। কিন্তু, নামনি অসমত যেতিয়া আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ ভূটানে কুৰিশ্বুৰ নদীৰ ওপৰত বান্ধ নিৰ্মাণ কৰিছে আৰু সেই বান্ধৰ উজনিত যেতিয়া পানী বেছিকৈ জমা হয়, তেতিয়া ভূটান ৰাষ্ট্ৰই তেওঁলোকৰ খেয়ালসূচীমতে, কেৱল নামনি অসমৰ কেইবাখন জিলাৰ উপায়ুক্ত বা অসম চৰকাৰক পানী এৰি দিব বুলি অৱগত কৰে। কিমান পানী এৰি দিব তাৰ নিৰ্দিষ্ট তথ্য দিয়ে। কিন্তু, উক্ত কথা অৱগত কৰাৰ দুই-তিনি ঘণ্টাৰ পিছতেই পানী এৰি দিয়ে। আমি সচৰাচৰ জানো যে -জুন-জুলাই মাহৰ পৰা আৰম্ভ হৈ অক্টোবৰ মাহ পৰ্যন্ত বানপানী থাকিব পাৰে। কিন্তু, তেওঁলোকৰ এনে কাৰ্যই এই ধাৰণাটোক ভুল প্ৰমাণিত কৰিছে। কাৰণ মানুহখিনিয়ে দিনৰ ভাগত ৰাস্তাৰে চলাচল কৰে, কৃষককলে খেতি-পথাৰত গৈ কাম-কাজ কৰে আৰু ৰাতি আহি বিচনাত উঠে। কিন্তু, ৰাতিপুৱা শুৱাপাটিৰ পৰা উঠি দেখে যে গোটেই পথাৰ, ৰাস্তা-ঘাট, মানুহৰ ঘৰ-দুৱাৰ সকলো জলমগ্ন হৈ পৰিছে। যাৰ ফলত খেতিয়ক, মীন পালক, গো-পালক, বেপাৰ-বাণিজ্য সকলো ক্ষেত্ৰত যথেষ্ট বিনষ্ট হয় আৰু নামনি অসমৰ ৰাইজে যথেষ্টখিনি ক্ষতিৰ সন্মুখীন হৈ আছে। সেয়েহে, এই সন্দৰ্ভত সভাপতি মহোদয়, আপোনাৰ জৰিয়তে মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বানপানী আহিলে আমি সচৰাচৰ relief দিওঁ, camp কৰোঁ, চৰকাৰৰ বিভিন্ন বিভাগেও সহযোগিতা আগবঢ়াব বিচাৰে। কিছু ক্ষেত্ৰত সহযোগিতা আগবঢ়ায় আৰু কিছু ক্ষেত্ৰত হয়তো সহযোগিতা আগবঢ়াব নোৱাৰে। আজি এই কথাবোৰ মই ইয়াত বহলভাৱে আলোচনা নকৰো। কেৱল মাত্ৰ এটা কথাকে আলোচনা কৰিব বিচাৰিছো যে চুবুৰীয়া ৰাষ্ট্ৰৰ ক্ষেত্ৰত যিহেতু কেন্দ্ৰীয় চৰকাৰৰ কথা থাকে, সেয়েহে অসম চৰকাৰে অতি গুৰুত্বপূৰ্ণ ভাৱে পদক্ষেপ লৈ কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তে ভূটান ৰাষ্ট্ৰৰ লগত আলোচনা কৰিব লাগে যে কুৰিশ্বুৰ নদীৰ বান্ধ এৰিলে যিহেতু নামনি অসমৰ জিলা সমূহ ক্ষতিগ্ৰস্ত হয়, গতিকে ভূটানে কিদৰে পানী এৰিলে নামনি অসমৰ

জিলা সমূহ ক্ষতিগ্ৰস্ত নহয় সেই ক্ষেত্ৰত বিজ্ঞান সন্মত প্ৰক্ৰিয়া গ্ৰহণ কৰাৰ বাবে আলোচনা কৰিব লাগে। কুৰিশ্বুৰ নদীৰ বান্ধৰ পানী এৰি দিয়াৰ ফলত যিমান ক্ষয়-ক্ষতি হয়, তাৰ কাৰণে অসম চৰকাৰে পদক্ষেপ লোৱাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এখন চিঠি লিখিছিলো। সংবাদ মাধ্যমৰ জৰিয়তে মই দেখিছো যে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত এই সম্পৰ্কত কিছু আলোচনা কৰিছে । আজি মই সদনত মাননীয় জল সম্পদ মন্ত্ৰী ডাঙৰীয়াৰ জৰিয়তে জানিব বিচাৰিম যে চৰকাৰে ইতিমধ্যে কি কি পদক্ষেপ গ্ৰহণ কৰিছে? তাৰোপৰি, ৰাষ্ট্ৰীয় পৰ্যায় বা ৰাজ্যিক পৰ্যায়ৰ সংবাদ মাধ্যমত এটা বাতৰি প্ৰকাশ পাইছে যে ভূটানে কেৱল কুৰিশ্বুৰ নদীৰ বান্ধ নিৰ্মাণতেই ক্ষান্ত নাথাকি তেনেকুৱা সৰু ডাঙৰ ১০০০ টা নদীবান্ধ নিৰ্মাণ কৰিব। তেওঁলোকৰ এটা নদী বান্ধেই নামনি অসমৰ মানুহখিনিৰ যি অৱস্থা কৰিছে, অসম ৰাজ্যৰ যিমান ক্ষতিসাধন কৰিছে, যদি সঁচাকৈয়ে ভূটান ৰাষ্ট্ৰই ১০০০ টা নাদীবান্ধ নিৰ্মাণ কৰে, তেন্তে আমাৰ অৱস্থা কি হ'ব পাৰে আমি ভাৱিলে আচৰিত হৈ যাওঁ। ইয়াক লৈ বৰ্তমান নামনি অসমৰ মানুহ যথেষ্ট চিন্তিত হৈ আছে। সঁচাকৈয়ে ভূটানে যদি এনেদৰে ১০০ টা নদীবান্ধ নিৰ্মাণৰ কাম আৰম্ভ কৰে, তেন্তে নামনি অসম, অসম ৰাজ্যৰ মানচিত্ৰৰ পৰা নাইকিয়া হৈ যাব যিটো নামনি অসমৰ সন্মানীয় মন্ত্ৰী, চন্দন ব্ৰহ্ম ডাঙৰীয়াৰ লগতে ইয়াত যিমান মন্ত্ৰী-বিধায়ক আছে, সকলো একমত হ'ব। গতিকে, সভাপতি মহোদয়, আপোনাৰ জৰিয়তে জলসম্পদ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যে অসম চৰকাৰে যাতে এই সমস্যাটোৰ ক্ষেত্ৰত কেৱল বিবৃত্তি নিদি আন্তৰিকতাৰে সমাধান কৰে। এই ক্ষেত্ৰত এটা কথা ক'ব লাগিব যে ভূটানৰ নদীটোৰ বান্ধ এৰি দিয়াৰ লগে লগে হঠাৎ যিখিনি পানী আহে আৰু পানীৰ যি current থাকে, তাৰ কাৰণে নদীৰ মথাউৰিৰ যথেষ্টখিনি ক্ষয়-ক্ষতি হয়, কৃষি-ভূমি নদীত জাহ যায়। আমাৰ জলসম্পদ মন্ত্ৰী মহোদয়ে নামনি অসমত কেতিয়াবা ভ্ৰমণ কৰিছে, আন্তৰিকতাও দেখুৱাইছে। গতিকে, তেখেতৰ সেই আন্তৰিকতা সম্পৰ্কত মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি প্ৰয়োজন সাপেক্ষে অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে এটা প্ৰতিনিধিৰ দল গঠন কৰি এই বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰাৰ বাবে মই অনুৰোধ জনাইছো যাতে নামনি অসমৰ মানুহখিনি অসমৰ মানচিত্ৰৰ পৰা নাইকিয়া হৈ নাযায়। উজনি আৰু নামনি অসমৰ দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰা মানুহৰ সংখ্যাৰ পৰিসংখ্যা যদি চোৱা যায়, তেন্তে নামনি অসমত দৰিদ্ৰতাৰ হাৰটো বেছি । গতিকে, নামনি অসমত দৰিদ্ৰতাৰ সৈতে যুঁজ দিয়া, এসাঁজ খাই আন সাঁজৰ বাবে কষ্ট কৰা সেই মানুহখিনিয়ে যাতে ভূটান ৰাষ্ট্ৰৰ সেই নদী বান্ধৰ কাৰণে আৰু দৰিদ্ৰতাৰ পিনে ধাৱিত হ'ব লগা নহয়, জীয়াই থকাৰ বাবে আৰু যাতে কষ্ট কৰিব লগা নহয়, যাতে তেওঁলোকৰ জীৱন তথা সম্পত্তি বিনষ্ট নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি মাননীয় জলসম্পদ মন্ত্ৰী ডাঙৰীয়াই উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব আৰু তেখেতৰ বক্তব্যৰ পৰা যাতে এটা আশা লৈ আমি নামনি অসমৰ মানুহখিনিক বাৰ্তা দিব পাৰো তেনেকুৱা বক্তব্য আশা কৰি মোৰ ক'বলগীয়াখিনি শেষ কৰিছো। ধন্যবাদ।

**মাননীয় সভাপতিঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী)ঃ** সভাপতি মহোদয়, এই বিষয়টো উত্থাপন কৰাৰ বাবে সন্মানীয় বিধায়ক জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছো আৰু সদনৰ কাৰ্যসূচীত এই বিষয়টো অন্তৰ্ভুক্ত কৰাৰ বাবে অধ্যক্ষ মহোদয়কো ধন্যবাদ জ্ঞাপন কৰিছো। আজিৰ বক্তব্যত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় দাঙি ধৰিছে, যেনে- অসমৰ বান সমস্যা, অসমৰ বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিয়া আৰু বিশেষকৈ নৈ সমূহৰ কথা। এই ক্ষেত্ৰত মই

জনাব বিচাৰিছো যে আমাৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ উপৰিও অসমত ১২১ খন উপ-নৈ আছে। তাৰে জাটিঙ্গা আৰু আন এখন নৈৰ source হে ডিমা-হাচাওত আছে। বাকী সকলো নৈৰ source, যদি ৰাষ্ট্ৰৰ ভিতৰত তেন্তে অন্য ৰাজ্যত আৰু যদি ৰাষ্ট্ৰৰ বাহিৰত তেন্তে ভূটানত আছে। অসম মাত্ৰ এটা basin হে। ইয়াত সকলো ফালৰ পৰা পানী আহে আৰু এই পানীখিনিক আমি গ্ৰহণ কৰো। সেয়েহে, যেতিয়ালৈকে নদীৰ পানী অহা source টোৰ ওপৰত আমাৰ নিয়ন্ত্ৰণ নাথাকিব তেতিয়ালৈকে ইয়াৰ সমস্যা সমাধান কৰা কঠিন হ'ব। সেয়েহে, ইয়াৰ কিছু ব্যৱস্থা আমি গ্ৰহণ কৰিছো। মাননীয় সদস্য গৰাকীয়ে যিখন নৈৰ কথা কৈছে, অৰ্থাৎ বেকী নৈখন ভূটানৰ পৰা আহিছে।

( মাননীয় অধ্যক্ষই সদনত নিজৰ আসন গ্ৰহণ কৰে)

এই বেকী নৈখন দক্ষিণ তীব্ৰতৰ এক অঞ্চলৰ পৰা বৈ আহিছে আৰু ভূটানত এই নদীখনৰ নাম Drangme -Chhu । এই নদীখন যেতিয়া আমাৰ অসমত সোমাইছে, তেতিয়া ই বেকী নাম লৈছে। অসমৰ ভিতৰত ইয়াৰ দৈৰ্ঘ্য ৮১ কিঃমিঃ। আপুনি যিটো বিষয়ে কৈছে. যে আমাৰ ভূটানৰ কুৰেছি নদীৰ বান্ধৰ কথা। এই বান্ধটো ১৯৯৪ চনত হৈছিল। তাৰ আগতে বান্ধ নাছিল। ১৯৯৪ চনত যেতিয়া বান্ধ হৈছিল তেতিয়া তাত ৬০ মেগাৱটৰ কুৰেছি বান্ধ বা জলবিদ্যুৎ প্ৰকল্পটো লৈছিল। কুৰেছি বান্ধটো প্ৰায় ৫৫ কিলোমিটাৰ দীঘল। কুৰেছি বান্ধটো বৈ থকা নদীতে দিয়া বান্ধ। তাত কোনো Dam নাই, তাত কোনো Water reserver নাই। গতিকে Water reserver নথকা নৈ এখনত বান্ধটোৱে যিখিনি পানী ধৰি ৰাখে সেইখিনিয়ে ধৰে। কাৰণ আগতে কৈছিল যে reserver কৰি যদি বান্ধ দিয়ে প্ৰজেক্টটো বহুত বেছি ব্যয় বহুল হয়। সেই কাৰণে বান্ধসমূহ এই ধৰণে হৈছিল। এতিয়া হয়তো কৰোবাত Water reserver হৈছে। ৰঙা নদীতো একেই কথা। তাতেও Water reserver নাই। গতিকে পানী বাঢ়িলে বান্ধ খুলি দিয়াৰ বাহিৰে গত্যান্তৰ নাই। সেয়েহে এই যিটো প্ৰজেক্ট কেৱল ৫৫ মিটাৰৰ এটা বান্ধ। এইটো চুইছগেট থকা বা প্ৰজেক্ট থকা বান্ধ। এই বান্ধটো যেতিয়া ১৯৯৪ চনত হ'ল ২০০৪ চনতহে বৰপেটা আৰু বাক্সা জিলাত ইয়াৰ প্ৰতিফলন ঘটে। তেতিয়া পানী খুলি দিয়াৰ বাবে ইয়াত বৃহৎ বানপানীৰ সৃষ্টি হৈছে ইয়াত তেওঁ দুটা সমাধানৰ কথা কৈছে। এটা কৈছে যে এইটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ল'লে ৰাষ্ট্ৰই ইয়াৰ মোকাবিলা কৰিব। আনটো কথা কৈছে যে ভূটান চৰকাৰৰ লগত ইয়াৰ আলোচনা কৰিব লাগিব। ২০১৮ চনৰ ২ ফেব্ৰুৱাৰীৰ দিনা ভূটানৰ প্ৰধান মন্ত্ৰী আৰু জলসম্পদ মন্ত্ৰী আমাৰ ইয়ালৈ আহিছিল। আৰু যেতিয়া অসমলৈ আহিছিল ইয়াত দুদিন আছিল। সেই সময়ত মই আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে আলোচনা কৰিছিলো। আলোচনাত বহি তেওঁলোকে যথেষ্ট সহানুভূতি দেখুৱাইছিল আৰু এই গোটেই তথ্য শ্বেয়াৰ কৰিবলৈ সন্মত হৈছিল। সন্মত হোৱাৰ পিচত প্ৰধানমন্ত্ৰী এই পৰিদৰ্শনৰ মতে এতিয়া আমি ভাৰত চৰকাৰৰ CWC ৰ জৰিয়তে তথ্যখিনি পাওঁ। তথ্যখিনি পাওঁ যে তেওঁলোকে পানী এৰিব। খবৰটো আমি ১২ ঘণ্টাৰ আগতে পাওঁ। পানীখিনি অসম সীমা পাবলৈ লাগে ৬ ঘণ্টা আৰু তাৰ পিছত এই ফালে আহিবলৈ লাগে ৬ ঘণ্টা। সেই কাৰণে কিছু আগতে তথ্য পোৱা আৰম্ভ হৈছে আৰু যিটো তেওঁ পৰামৰ্শ দিছে। বাকী কথা হৈছে যে এই যিটো ৰাষ্ট্ৰীয় সমস্যা আমি এই ৰাষ্ট্ৰীয় সমস্যাটো ৰ বাবে বাৰে বাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উত্থাপন কৰিছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইও উত্থাপন কৰিছে। ২০১৭ চনৰ ১ আগষ্টত মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়া অসম ভ্ৰমণলৈ আহিছিল। মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আমাৰ মুখ্যমন্ত্ৰী আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আৰু ৪ জন মুখ্যমন্ত্ৰীৰ লগত মিলিত হয়। আমাৰ মুখ্যমন্ত্ৰীৰ যিটো অনুৰোধ আছিল যে আমাৰ

ৰাজ্যখন Basin. গতিকে সকলোৰে পানীখিনি আমাক দিয়ে। গতিকে এইটো আমাৰ এটা মূল বিষয়। এই বিষয়টোৰ ক্ষেত্ৰত যেতিয়া আমি আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আলোচনা কৰিলে তেতিয়া মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এটা প্ৰতিশ্ৰুতি দিলে যে ইয়াৰ এটা স্থায়ী সমাধান হ'ব লাগিব। স্থায়ী সমাধান হ'বলৈ হ'লে এই ক্ষেত্ৰত এটা পদক্ষেপ ল'ব লাগিব। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই গৈ তেখেতে এটা ব্যৱস্থা কৰিলে যে নিটি আয়োগৰ উপাধ্যক্ষক অধ্যক্ষ হিচাপে লৈ এখন উচ্চ পদস্থ কমিটি গঠন কৰি দিলে। লগতে ১০০ কোটি টকাৰ চেংচন দিলে যাতে এই গোটেই কথাখিনি চাৰ্ভে কৰি এটা স্থায়ী সমাধান উলিয়াব লাগে। তেতিয়া এই উচ্চপৰ্য্যায়ৰ সমিতি খন বহি ঠিক কৰিলে যে ইয়াত এটা নতুন অথ'ৰিটী লাগিব যোনে ইয়াৰ কাম কৰিব পাৰিব যিটো ভাৰত চৰকাৰৰ জলসম্পদ মন্ত্ৰালয়ৰ অধীনত আছে। ভাৰত চৰকাৰৰ বৰ্তমান মন্ত্ৰালয়টো জলশক্তি আৰু এইটো জলশক্তি মন্ত্ৰালয়ৰ অধীনত হ'ব। এতিয়া ইয়াত North-East Water Managenment Authority (NAWMA) বুলি এখন বিল প্ৰস্তুত কৰা হ'ল। এই বিলখন ততাতৈয়াকৈ যোৱাবাৰ পাৰ্লিয়ামেণ্টত পাচ কৰিবলৈ চেষ্টা কৰিছিল। পাৰ্লিয়ামেণ্টৰ মাজতে যোৱা ৬ মাৰ্চ তাৰিখে যেতিয়া ইয়াত বাজেট পাচ হৈছিল, মাননীয় মুখ্যমন্ত্ৰী আৰু মোক মাতিছিল কাৰণ আমাৰ বিলখনৰ সন্দৰ্ভত কি মতামত আছে বা আমাক তাত কি সংশোধনী লাগিব সেই বিষয়ে জানিবলৈ। আমাৰ নিচিনাকৈ উত্তৰ-পূৰ্বাঞ্চলৰ বাকী ৭ খন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু জলসম্পদ মন্ত্ৰীকো তালৈ মাতিছিল আৰু তেওঁলোক তালৈ গৈছিল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া বাজেট থকাৰ বাবে যাব পৰা নাছিল। মই সেইদিনাখন সেইখন সভাত আমাৰ বিষয়া সকলৰ লগত তাত উপস্থিত আছিলো আৰু আমাৰ যিখিনি সংশোধনী সেইখিনি তাত উত্থাপন কৰিলো। আমাৰ প্ৰয়োজনীয় যিখিনি সংশোধনী আমি ইয়াত আগতে লবি কৰি, অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু অন্য ৰাজ্যসমূহৰ লগত সহমত কৰি এইখনত যাতে কোনোধৰণৰ বাধাৰ সৃষ্টি নহয় সেই ধৰণে আমি কিছু কথা তাত উত্থাপন কৰিলো আৰু সেইখিনি তাৰ পিছত গ্ৰহণ কৰিলো। গ্ৰহণ কাৰাৰ পিছত পাৰ্লিয়ামেণ্টত যোৱা অধিৱেশনত পাচ কৰিব বুলি সেই সভাতে আমাক ক'লে। কিন্তু পাৰ্লিয়ামেণ্ট যিহেতু মাৰ্চৰ ২২ তাৰিখৰ পৰা বন্ধ হ'ল সেইকাৰণে বিলখন উত্থাপন কৰিব পৰা নগ'ল। এই বিষয়ে মই সম্পূৰ্ণৰূপে খবৰ ৰাখিছো। এইবাৰ পাৰ্লিয়ামেণ্ট হ'লে তেখেত সকলে এই বিলখন আনিব। তেতিয়া NEWMA বুলি এটা অথ'ৰীটি হ'ব যাৰ মুখ্য কাৰ্য্যালয় গুৱাহাটীত হ'ব। ইয়াত ৮ খন ৰাজ্যৰ অংশীদাৰ হ'ব। তেতিয়া অন্ততঃ আন্তঃৰাষ্ট্ৰীয় যিকেইটা উৎস ভুটান বাদ দি অৰুণাচল, নাগালেণ্ডৰ পৰা যিসমূহ আমাৰ উপনৈ আহিছে এই উপনৈ খিনি যথা নিয়ন্ত্ৰণৰ ভিতৰত আহিব। যোৱা ৬ মাৰ্চত দিল্লীত যিখন মিটিং হৈছিল সেইদিনাখনো আমি উত্থাপন কৰিছো যে অসমৰ ক্ষেত্ৰত কেৱল আন্তঃৰাজ্যিক হ'লে নহ'ব, আন্তঃৰাষ্ট্ৰীয় ভূটানৰ লগত কেন্দ্ৰীয় চৰকাৰে বিশেষভাৱে ব্যৱস্থা ল'লেহে এই কথাখিনি হ'ব। তেতিয়া তেওঁলোকে প্ৰতিশ্ৰুতি দিছিল যে এই বিলখন অহাৰ পিছত ইয়াৰ মৰ্ম্মে আমি পুনৰ ভূটান চৰকাৰৰ লগত পুনৰ আলোচনাত বহিম। এই গোটেইখিনি কথা আপুনি যিধৰণে ইয়াত আনিছে আৰু যিধৰণে আশা কৰিছে আমাৰ চৰকাৰেও একেধৰণে আগুৱাই গৈছে। । আমি আশা ৰাখিছো ইয়াৰ আমি সমাধান আনিব পাৰিম। ইয়াৰ যথেষ্ট তথ্যপাতি মোৰ হাতত আছে। কিন্তু বাকী তথ্যপাতি নকলেও হ'ব। বাকীখিনি কথা মই আৰু দাঙি নধৰো। আপুনি যিকেইটা কথা ক'লে, ৰাষ্ট্ৰীয় সমস্যা হিচাপে এই কাৰণেই গণ্য কৰিছে কাৰণ ৰাষ্ট্ৰই ইয়াৰ কাৰণে বিল পাচ কৰিব। পাৰ্লিয়ামেণ্টে আমাৰ অসমৰ সমস্যাৰ কাৰণে সুকীয়াকৈ বিল পাচ কৰি আইন কৰিব। গতিকে এইটো ৰাষ্ট্ৰীয় এজেণ্ডাত আহিছে। মই ইয়াকে কৈ বক্তব্য সামৰিছো। ধন্যবাদ।

**माननीय अध्यक्ष ঃ** আমিনুল ইছলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত আগবেলাও দীঘলীয়াকৈ আলোচনা হৈছে। সেয়েহে মই যিখিনি আনুষংগিক কথা সেইখিনিহে কম। এই গড়াখহনীয়াৰ যিটো সমস্যা তাৰ ওপৰত বহুত দীঘলীয়া আলোচনা হ'ল আৰু এই বিষয়টোত আলোচনা হৈয়েই আছে। নগাওঁ, মৰিগাওঁ আৰু দৰং জিলাত গৰাখহনীয়া সমস্যা হৈ আছে। আজিৰ পৰা প্ৰায় ৪০ বছৰ আগতে যেতিয়া ধুমকুৰা বজাৰখন গড়াখহনীয়াৰ কবলত পৰিছিল। ধুমকুৰা বজাৰত বাছ আস্থান, স্কুল মন্দিৰ, মছজিদ আৰু বহুত অনুষ্ঠান আছিল। ১০০-১৫০ বছৰ আগৰ পৰা এটা তাত এটা জন সমাগম স্থান আছিল। কিন্তু ধুমকুৰা বজাৰখন গড়াখহনীয়াত যোৱাৰ পাচৰ পৰাই বিগত বছৰকেইটাত বহুকেইখন গাওঁ গৰাখহনীয়াৰ কবলত জাহ গৈছে। তাত এতিয়ালৈকে ভূৰাগাওঁ, বৰলীবাৰী, তিনিচকীয়া, লাহৰিঘাট, শিঙিমাৰি, উলুবাৰী, শ'লমাৰি, দলৈঘাট, বজাখাটি, বৰচাপৰি গৰৈমাৰি, লেৰুৱামুখ, দিহিংগাবাৰী, মোৰামাৰি, সূতাৰগাওঁ, ম'হখুঁটি এই গাওঁ সমূহ সম্পূৰ্ণৰূপে ভাবুকিৰ সন্মুখীন হৈছে আৰু গড়াখহনীয়া অব্যাহত আছে। বছৰে বছৰে কথাটো আলোচনাই হৈ আছে। কিন্তু স্থায়ীভৱে সমাধান কৰিব পৰা নাই আৰু কিছুদিন এনেকৈ অব্যাহত থাকে তেনেহ'লে মৰিগাওঁ টাউনখনো ভাবুকিৰ সন্মুখীন হ'ব। তাত যোৱাবাৰ মঠাউৰিটো কেনেবাকৈ ৰক্ষা কৰা হ'ল? ধুমকুৰাখন যোৱা ৪০ বছৰ আগতে গড়খহনীয়াত গৈছিল তাৰে পৰা প্ৰায় ১২ ৰ পৰা ১৫ কিলোমিটাৰ মান দক্ষিণলৈ নদী আহি পালে আৰু ১২ কিলোমিটাৰমান গ'লে মৰিগাওঁ সম্পূৰ্ণৰূপে বিধ্বস্ত হ'ব। যেনেধৰণে নদীখন দক্ষিণ ফাললৈ আহি আছে। ইয়াত যেনেকৈ বিৰিণাবাৰী, মোৰামাৰি, সূতাৰঘাটত গড়খহনীয়া চলি আছে ধিং টাউনলৈ মাত্ৰ ডেৰ-দুই কিলোমিটাৰমান বাকী আছে। এইটো গতিত যদি গড়খহনীয়া অব্যাহত থাকে দুই-তিনি বছৰত প্ৰথমে Dhing Sack Kraft Paper Project, ধিং ছোৱালী হাই স্কুল , কে বি হাইয়াৰ চেকেণ্ডাৰী স্কুল আৰু ধিং টাউনখন ২-৩ বছৰত বিপদ গ্ৰস্ত হ'ব। সেইদৰে মৈৰাবাৰী, লাহৰিঘাট অঞ্চল সমূহো যাব। এই ৪০ বছৰত নদীখন ১৫-১৬ কিলোমিটাৰ আগুৱাই আহিলে আৰু মৰিগাওঁ টাউনৰ ফালে আহি আছে। এই ভয়াবহতাটো আমি দেখা পাইছো। নজৰুল ইছলাম ডাঙৰীয়া আজি ইয়াত নাই। তেখেতৰ পৰিয়ালে তেখেতৰ ঘৰ নদীৰ গড়াখহনীয়াৰ বাবে ২-৩ বাৰ স্থানান্তৰ কৰিবলগীয়া হ'ল। এতিয়াও য'ত ঘৰ বনাইছে মাত্ৰ ২০০-৩০০ মিটাৰমান আছে। তেওঁ পিতৃ-পুৰুষৰ কবৰস্থান নদীত উটি গ'ল। তেওঁ থাকিলে ক'ব পাৰিলেহেঁতেন। এই সমস্যাটো ২০১১ চনত মই প্ৰথমবাৰ বিধায়ক হোৱাৰ পিছত এই সদনত উপস্থাপন কৰিছিলো। এই কথাখিনি উপস্থাপন কৰোতে প্ৰাক্তন অধ্যক্ষ স্বৰ্গীয় প্ৰণৱ কুমাৰ ডাঙৰীয়াই মোক কেইবাবাৰো কৈছিল যে এই পৱিত্ৰ সদনত মই কোনোদিন কন্দা নাছিলো। আপুনি গড়াখহনীয়াত আক্ৰান্ত মানুহৰ যি দুৰ্দশাৰ কথা প্ৰথমবাৰ বিধায়ক হৈ উপস্থাপন কৰিছে মই তিনিবাৰ চকুপানী মুচিছিলো। মই এই দুৰ্দশাৰ কথাটো আগতে জনা নাছিলো যে মানুহখিনিৰ কি অৱস্থা হয়। কোনো কোনো মানুহৰ ২০০-৩০০ বিঘালৈ মাটি আছিল। মই এই সদনত অহাৰ আগদিনাখনো গৈ চাই আহিলো। এজন গাওঁবুঢ়া পৰিয়ালৰ ৩০০ বিঘাৰ ওপৰৰ মাটি গ'ল। তেওঁলোকে কৈছে যে আমি জন্মৰ পৰাই ইয়াত আছিলো। আজি স্থানান্তৰ হ'বলগীয়া হ'ল। সেই মানুহসকলক যেতিয়া কৰো পট্টা মাটিত ঠাই নিদিয়ে তেতিয়া তেওঁলোকে কোনো চৰকাৰী ভূমি, ৰিজাৰ্ভ বা তেনে কোনো মাটি বেদখল কৰিবলগীয়া হয়। কাৰণ জীয়াই থাকিব লাগিব। তাৰ পিছতেই আকৌ আন্দোলন আৰম্ভ হয় যে এই মানুহ বিলাক উচ্ছেদ কৰিব লাগে আৰু বহুক্ষেত্ৰত উচ্ছেদো কৰা হয়। এটা কথা আমাৰ দুখ লাগে যে চৰকাৰে চৰকাৰী ভূমিত বেদখল

কৰিলে উচ্ছেদ কৰাটো চৰকাৰৰ দায়িত্ব। এবাৰ তেওঁলোক ক নদীয়ে অঘৰী কৰিলে । যিখিনি লোক ভূমিহীন, ভেটিহীন, অঘৰী হ'ল তেওঁলোকক জীয়াই থকাৰ কাৰণে সংস্থাপন দিয়াটো সেইখন চৰকাৰৰে প্ৰাথমিক দায়িত্ব নহয় নেকি ? নে তেওঁলোকক পুনৰ উচ্ছেদ কৰি অঘৰী কৰাৰ দায়িত্ব ? এইটো এটা অতি স্পৰ্শকাতৰ বিষয়। গতিকে মই ভাৱো যে চৰকাৰে চৰকাৰী ভূমিৰ পৰা লোকসকলক বেদখল কৰিছে। কিন্তু তাৰ আগতে সকলোকে থকা-খোৱাৰ সু-বন্দৱস্ত কৰাটো প্ৰত্যেকখন চৰকাৰৰ প্ৰাথমিক দায়িত্ব। তাৰ লগে লগে আইন-শৃংখলা পৰিস্থিতিৰ সৃষ্টি হয় এই মানুহবিলাক অঘৰী হোৱাৰ পিছত চৰকাৰী মাটিত থাকিবলৈ লয়, চোৰ-ডকাইতি বা কিছুমান অপকৰ্মত লিপ্ত হয়। কাৰণ এই লোকসকলৰ সংস্থাপন নাথকে। কৰ'বাত হয়তো উচ্ছেদ কৰাৰ পিছত আইন-শৃঙ্খলা পৰিস্থিতিৰ সৃষ্টি হয়। Law and order ইয়াৰ লগত বহুখিনি জড়িত হৈ আছে। আমি এই সদনত বিগত কংগ্ৰেছ চৰকাৰ থকাৰ দিনৰ পৰাই দাবী কৰি আছিলো যে এই মানুহখিনিক অন্ততঃ Internally Displaced Person (IDP) হিচাপে চাৰ্টিফিকেট দিয়ক। তেতিয়া তেওঁলোকে যদি কৰ'বাত গৈ বেদখলো কৰে তেতিয়া তেওঁলোকে দেখুৱাব পাৰিব যে আমি Internally Displaced Person হয়। নহ'লে সন্দেহযুক্ত নাগৰিক বুলি কয়। কিন্তু কোনো চৰকাৰে তেওঁলোকক IDP চাৰ্টিফিকেট নিদিয়ে। কেতিয়াবা যদি লেবাৰ বা তেনেকোনো বিকল্প সংস্থাপন আহে তেতিয়া তেওঁলোকে এই চাৰ্টিফিকেটখন দেখুৱাব পাৰে। তেওঁলোকে ক'ব পাৰিব যে আমাৰ গড়খহনীয়া মাটি-ভেটি সকলো গ'ল। আমাক অন্ততঃ সুবিধাটো দিয়ক। গতিকে IDP চাৰ্টিফিকেটখন দিয়াৰ বাবে আমাৰ দাবী থাকিব আৰু পুনৰ সংস্থাপনৰ বাবে যিমানদূৰ পাৰে যাতে ব্যৱস্থা কৰে। মই দুই বছৰ আগতে নগাওঁ আৰু মৰিগাওঁ দুখন জিলাৰ ডিভিজনৰ মাজত এই এলেকাটো দুই ডিভিজনৰ ইঞ্জিনিয়াৰক লগত লৈ মই ভট ভটি নাওঁ লৈ গোটেই পৰ্য্যবেক্ষণ কৰিছিলো যে ক'ৰ পৰা কোনটো ষ্ট্ৰীম আহে সমস্যাটো ক'ত ? গোটেই খৰচটো বিভাগে এটকাও দিয়া নাই। মই খোৱা-বোৱা, ভাড়া সকলো খৰচ দিলো। তাত গৈ আমি উৎসটো উলিয়ালো যে কোনফালে মেইন ষ্টীমৰ পৰা কোনটো ষ্টীম ওলাই আহিল। এটা canal আকৌ তিনিটা canal ত ভাগ হৈ কোনটো পাহাৰত খুন্দা মাৰি ঠিক টাউনৰ পিনে যিটো আহি আছে, গোটেই উৎস টো আমি আৱিষ্কাৰ কৰিলো আৰু তেখেতসকলক আমি অনুৰোধ কৰিলো যে আপোনালোকে প্ৰপোজেলটো পঠাওক। মই যিমানদূৰ সম্ভৱ লাগিলে মই মন্ত্ৰী মহোদয়ক ৰিকুয়েষ্ট কৰিম এই বিষয়টোৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ। এতিয়া আচল কথাটো হ'ল যে এটা ষ্ট্ৰীমৰ পৰা যে ১২-১৩ টা ষ্ট্ৰীম হৈ গ'ল মই মাত্ৰ এই Information টো মন্ত্ৰী মহোদয়ক দিব বিচাৰিছো। এই মেইন ষ্টীমটো এটা ষ্ট্ৰীমত পানীখিনি confine কৰিব পাৰিলে দুয়োটা পাৰ বাচি যায়। তাৰ কাৰণে ৩০০ মিটাৰমান তাত বান্ধি দিলে য'ৰ পৰা পানীখিনি ফাটি ওলাইছে সেই পানীখিনি মেইন ষ্ট্ৰীমত যাব। আমি ভাল পাইছিলো, নতুন চৰকাৰ হওঁতে কৈছিল যে ব্ৰহ্মপুত্ৰৰ বুকু খনন কৰি এটা Express Highway কৰিব। সেইটো কৰিব পাৰিলে এটা স্থায়ী সমাধান হ'লহেঁতেন। এই কথাটো আমি ভাৱো যে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰে, মাজতে আমি গম পাইছিলো যে কেন্দ্ৰীয় চৰকাৰে এইখিনি চাৰ্ভে কৰাৰ বাবে অলপ টকা পইচা দিছিল। এইদৰে কেন্দ্ৰীয় চৰকাৰক হেঁচা দি যদি নদীৰ বুকু খনন কৰি এটা কেনেলত আনিব পৰা যায়, তেতিয়াহ'লে বহুখিনি বাচিব। এতিয়ালৈকে ১১০০ বৰ্গ কিলোমিটাৰ ভূমি গ'ল আৰু এইদৰে ভূমি গৈ আছে। এই ক্ষেত্ৰত মই এইখিনি কৰিবলৈ অনুৰোধ কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** দুজন মাননীয় সদস্যই ক'বলৈ হাত দাঙিছিল। এইটো ধিঙৰ গড়াখহনীয়া।

গতিকে গুৰুজ্যোতি ডাঙৰীয়াই ও ডাঙিছে আৰু আপুনিও ডাঙিছে। আজি **৩০১** ত বেলেগ কথাৰ ডিটেইলচবোৰ নাই আৰু বিলবোৰো আছে পাচ কৰিবলৈ। **১** বা **২** মিনিটৰ ভিতৰত কি ক'ব খুজিছে কওঁক।

**শ্ৰী চহাবুদ্দিন আহমেদ (জলেশ্বৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজি এই প্ৰশ্নটো কৰিছিলো কিন্তু দুৰ্ভাগ্যবশতঃ মোৰ প্ৰশ্নটো নাহিল। যোৱা বানপানীত যিধৰণে গড়াখহনীয়া হ'ল নামনি অসমৰ গোৱালপাৰাৰ জলেশ্বৰৰ বহুখিনি গাওঁ গড়াখহনীয়াৰ কৱলত পৰিছে আৰু কেইবা হাজাৰ মানুহ এফেক্টড হৈছে। গতিকে এইখিনি মানুহক নদী ভঙ্গৰ চাৰ্টিফিকেট দিব লাগে আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। লগতে মঠাউৰিটো বান্ধি দিব লাগে। এইখিনিৰ বাবে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

**শ্ৰী গুৰুজ্যোতি দাস (মঙ্গলদৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্যজনে ধুমকুৰাৰ কথা কৈছে। সেই ধুমকুৰা ঠাইখনৰ লগত মোৰ এটা সম্পৰ্ক আছে। সেইখন মোৰ দেউতাৰ মোমায়েকৰ ঘৰ। তাত মোৰ অভিজ্ঞতা আছিল যেতিয়া ভোমোৰাগুৰি দলং নাছিল আমি তেতিয়া বালিৰে গৈ ব্ৰহ্মপুত্ৰ পাৰ হৈছিলো। এতিয়া কিন্তু কোনো চিনেই নাই, সকলো ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। আমাৰ চৰকাৰে বহুতো লোকক সতী সাধিনী বঁটা প্ৰদান কৰিব। আমাৰ বহুতো অনুসূচীত জাতিৰ গাওঁ আছিল। এতিয়াও তাৰে ৬০-৭০ ঘৰ মানুহে স্থায়ী ভূমি বা মাটি পোৱা নাই। তেওঁলোকক যাতে চৰকাৰে ভূমি প্ৰদান কৰে আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো। কিন্তু নতুন গাওঁ বুলি তাত অলপমান মাটি দিছিল আৰু তাত কিছুমান মানুহ বহিল। ধন্যবাদ।

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই যিটো কথা কৈছে তেখেতৰ সেই গোটেই ঠাইবিলাক মই খুব ভালদৰে যোৱা ঠাই। মই এতিয়া মন্ত্ৰী হৈ কেতিয়াবা গৈছো কিন্তু মই সাংসদ হৈ থাকোতে সেই ঠাইসমূহত গৈছিলো আৰু পিছতো কেইবাবাৰো গৈছো। গতিকে সেই পৰিস্থিতিটোৰ বিষয়ে মই ভালদৰে বুজি পাওঁ। আগবেলাও এইবিষয়ে বৃহৎভাৱে আলোচনা কৰিছো। গতিকে এই বিষয়ে মই বহু বেছি এতিয়া ক'ব বিচৰা নাই। তেখেতে গড়াখহনীয়াৰ লগত এইটো বিচাৰিছে। আপুনি যদি চাই আমাৰ যিকেইটা সমষ্টি জাগীৰোডৰ পিছত লাহৰীঘাট, মৰিগাওঁ, মৰিগাওঁৰ পাছত লাহৰীঘাট, লাহৰীঘাটৰ পাছত ধিং, ধিংৰ পাছত ৰূপহী, চামগুৰি, কলিয়াবৰ। এই আটাই কেইজন বিধায়ক বা আটাইকেইটা সমষ্টিৰ অৱস্থাটো ঠিক একেই। ক'তো বেলেগ নহয় আৰু ইয়াত যিখিনি নদীয়ে খহাই আহিছে এতিয়া, আপুনি যদি নদীৰ পাৰত গৈ মাটিখিনি চায়, সম্পূৰ্ণ বালি মাটি। তাৰমানে Originally তাত নৈ আছিল। এইটো কোনো ডাঠ মাটি বা পলসুৱা মাটি নহয়। একেবাৰে বালি। কাইলৈ যদি আমি তাতে কিবা অন্য মাথাউৰিৰ কাম কৰো, সকলোৱে কয় বালিৰ মাথাউৰি। এতিয়া তাত বালিৰ মাথাউৰি নহে অন্য মাথাউৰি ক'ত পাব। গোটেই অঞ্চল বালি। গতিকে নৈৰ যিখিনি খহনীয়া হৈ আছে, সম্পূৰ্ণ নৈয়ে এৰি যোৱা মাটি এইখিনি। তাৰপাছত তাত ধৰক চৰ হ'ল। চৰ হোৱাৰ পাছত চৰত গৈ এতিয়া বসতি হ'ল। আকৌ নৈ এইফালে আহিল। আহোতে এতিয়া সেইখিনি খহি গ'ল। এনেকৈ মই আজি আপোনালোকক হিচাব দিছিলো এই গোটেই অঞ্চলটো মিলি ৩৪, ৩৫ হাজাৰ বিঘা মাটি ইতিমধ্যে গৈছে। এতিয়া ইয়াত আমি আঁচনি লব বিচাৰিছো আৰু সন্মানীয় বিধায়কে যিটো কথা কৈছে যে নৈৰ মূল চেনেলটো আতৰাই আনিব পৰা যায়, তেতিয়া ইয়াত কিছু কামত আহিব। মূল যিটো চেনেল, সেইটো আতৰাই নিবৰ কাৰণে,এতিয়া যি নৈ

খননৰ কথা কৈছে। আমি সম্পূৰ্ণ নৈএখ ন খাণ্ডিবলৈ বিচৰা নাই। নৈখনত corrective drazing কৰিব বিচাৰিছো যে নৈখন শুদ্ধভাৱে যাতে বৈ যায়, এতিয়া তাৰ কাৰণে drazer কিনিবলৈ অৰ্ডাৰ দিছো, drazer হয়তো আহি পোৱা নাই। গতিকে আমাৰ পৰিকল্পনাটো সেইটোৱে। তেখেতে যিটো কৈছে exact সেইটো পৰিকল্পনা যে আমি কাষৰ কিবা জাগা কাটি পেলাই মুল সুতিটোত যাতে নৈ খন যায় আৰু গড়াখহনীয়াটো কমে। সেইটো আমাৰ হাতত আছে। তাৰপাছত বাকীখিনি আমি চাৰ্ভে কৰাৰ কথা কৈছো। ইতিমধ্যে চাৰ্ভে কৰা হৈছে চেণ্ট্ৰেল গভৰ্ণমেণ্টক চাৰ্ভে কৰি আমি গোটেইখিনি চমজাই দিছো। তাৰ পাছত জলেশ্বৰৰ বিষয়ে যিটো কৈছে মই সিদিনা গৈ চাই আহিছো। তেখেতৰ ভাঙিবনলগীয়া মথাউৰি এটা তাত ভাঙিলে। এতিয়া বহুতখিনি সোমাইও আহিছে। কিন্তু সোমাই অহাৰ পাছত এতিয়া এইটো পুনৰ নিৰ্মাণ নিশ্চয় হ'ব লাগিব। গুৰুজ্যোতি দাসেও যিখিনি কৈছে, সেইখিনি কথাও শুনিলো। তেওঁৰ তাত কামো হৈছে। মই চমুৱাই শেষ কৰিব বিচাৰিছো, তেখেতে যিটো মুল বিষয় কৈছে যে, চৰকাৰে কিবা নতুন চিন্তা কৰিছে নেকি যে ভূমিহীন মানুহবিলাকৰ, নৈ উটি যোৱা মানুহখিনিৰ মাটি কি হ'ব? মই জনামতে মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী ডাঙৰীয়াই কিছু চিন্তা কৰিছে তেখেতসকলে পিছত ব্যক্ত কৰিব যে মানুহক মাটি কিনি ল'ব পৰা কিবা ব্যৱস্থা কৰিব পাৰে নেকি? সেইটো অৱশ্যে সিদ্ধান্ত হোৱা নাই। যাতে এতিয়া চৰকাৰী মাটিত বহুৱাই যদি তাত eviction হয়, কৰোবাত এক ডেৰ কঠা মাটি কিনি ল'ব পাৰে, সেই কথাটো তেওঁলোকৰ দুইগৰাকীয়ে চিন্তা কৰিছে বুলি মই জানো। কিন্তু এইটো একেবাৰে চূড়ান্ত সিদ্ধান্ত হোৱা নাই । সেইটোত চৰকাৰে চিন্তা কৰিছে যাতে এইখিনি মানুহক পুণৰ সংস্থাপন দিয়াৰ ক্ষেত্ৰত ব্যৱস্থা কৰিব পাৰে। ইয়াকে কৈ মই সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Now, Item No. 4. 'The Assam Value Added Tax (Amendment) Bill, 2020', আমি কাৰ্য্যসূচীত সোমাইছো। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ এটা বাণী পঠিয়াইছে। মই বাণীটো প্ৰথমে পঢ়ি দিছো।

Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that ''THE ASSAM VALUE ADDED TAX (AMENDMENT) BILL, 2020'' be taken into consideration by the Assam Legislative Assembly. মই মন্ত্ৰী ডাঙৰীয়াক বিলখল উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা (বিত্ত বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Value Added Tax (Amendment) Bill 2020', বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো, প্ৰস্তাৱটো হৈছে 'The Assam Value Added Tax (Amendment) Bill, 2020', be taken into consideration. যিসকলে ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল ইয়াৰ বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে , প্ৰস্তাৱটো গৃহীত হৈছে। বিধেয়ক খনৰ ২ আৰু ৩ নং দফা দুটাত সংশোধনীৰ কোনো এটা প্ৰস্তাৱ নাই। গতিকে সেই দুয়োটা দফা মই উত্থাপন কৰিছো, ২ আৰু ৩ নং দফা দুটা বিধেয়কৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/ সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ'

সপেক্ষে , 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, ২ আৰু ৩ নং দফা দুটা বিধেয়কৰ অংশ হৈছে। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত উত্থাপন কৰিলো। প্ৰশ্নটো হৈছে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/ সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। এতিয়া মই বিত্ত মন্ত্ৰীক বিলখন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**ড° হিমন্ত বিশ্ব শৰ্মা (বিত্ত বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Value Added Tax (Amendment) Bill, 2020' পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হৈছে 'The Assam Value Added Tax (Amendment) Bill, 2020' be passed. যিসকলে ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল ইয়াৰ বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, প্ৰস্তাৱটো পাৰিত হৈছে, বিধেয়কখনো পাৰিত কৰা হৈছে ।

**মাননীয় অধ্যক্ষ ঃ** Item No. 5. 'The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill, 2020', ৰাজভৱনৰ পৰা বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ এটা বাণী পঠিয়াইছে। বাণীটো হৈছে-

Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that "THE ASSAM TAXATION (LIQUIDATION OF ARREAR DUES) (AMENDMENT) BILL, 2020", be taken into consideration by the Assam Legislative Assembly. মই বিত্তমন্ত্ৰীক প্ৰস্তাৱটো সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা (বিত্ত বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill 2020', বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিম 'The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill, 2020' be taken into consideration. যিসকলে ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে , প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া বিধেয়ক খনৰ ২ আৰু ৩ নং দফাৰ লগত অনুসূচীখন আৰু ৪ নং দফাত তিনিটাত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। এতিয়া মই গোটেই কেইটা দফা সদনৰ মজিয়াত উত্থাপন কৰিছো। প্ৰশ্নটো হৈছে, ২ নং, ৩ নং দফাৰ লগত অনুসূচীখন আৰু ৪ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ব। যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে , ২ আৰু ৩ নং দফাৰ লগত অনুসূচীখন আৰু ৪ নং দফাকেইটা বিধেয়কখনৰ অংশ হৈছে। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু

আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। সেয়ে মই উত্থাপন কৰিব বিচাৰিছো যে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হৈছে। মই বিধেয়কখন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ উত্থাপন কৰিবলৈ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো।

**ড° হিমন্ত বিশ্ব শৰ্মা (বিত্তমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill, 2020' পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো 'The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill, 2020' be passed. যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, প্ৰস্তাৱ পাৰিত হৈছে। বিধেয়কখনো পাৰিত কৰা হৈছে বুলি মই ঘোষণা কৰিলো।

Item No. 6. 'The Assam Goods and Services Tax (Amendment) Bill, 2020' খন মই এতিয়া আলোচনাৰ বাবে গ্ৰহণ কৰিছো। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়িছো।

Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that ''THE ASSAM GOODS AND SERVICES TAX (AMENDMENT) BILL 2020'' be taken into consideration by the Assam Legislative Assembly. মই বিত্তমন্ত্ৰীক প্ৰস্তাৱটো সদনত উত্থাপ কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ''The Assam Goods and Services Tax (Amendment) Bill 2020'' বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো মন্ত্ৰী মহোদয়ৰ পৰা যে আমাৰ GST যিটো implement হৈ আছে, যিবিলাক Government Scheme ৰ কামবিলাক হয়। এইটো বিবেচনাৰ কাৰণে দিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে কওঁক। অলপ বহক। Amendmen নাই নেকি আপোনালোকৰ এইখনত? কওঁক।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, GST ৰ যিবিলাক Scheme ৰ কামবিলাক, PWD হওঁক বা MLAADS বা Untied Fund ত তাতে GST যিসকল Suppliers তেওঁলোকেটো GST কাটিব লাগে। আকৌ কাম কৰোতে কনট্ৰেকটৰ সকলে কয়, আমাৰ GST ইমান পাৰচেণ্ট কাটি ৰাখে। এতিয়া Government Scheme ৰ টকাৰ যদি 16% আকৌ GST যিটো estimated amount থাকে, estimate যিটো বনায়, তাৰপৰা GST deduction হৈ গ'লে ultimately সেইটোতো কমে। ইয়াত আচলতে দুটা ধৰণে হৈ আছে নেকি যে, Suppliers সকলে GST দি আছে আকৌ ঠিকাদাৰৰ পৰাও GST

কটা হয় নেকি ? কথাখিনি অলপ confusion হৈ আছো। তেওঁলোকে তেনেকে কৈ থাকে।

**ড° হিমন্ত বিশ্ব শৰ্মা (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা সময়ত এখন আমি Notification দিছিলো যে, যিটো GMC ৰ exempted amount আছে, সেই exempted amount ৰ ভিতৰত যদি MLA Fund ৰ কাম হয়, আৰু Construction Committee য়ে কৰে তেতিয়াহ'লে তাত GST দিব নালাগে। কাৰণ That is withim his exempted limit. কিন্তু যদি কণ্ট্ৰেটৰজনে কাম কৰে, কণ্ট্ৰেকটৰজনৰ over all তেওঁ কিমান কাম কৰে, তাৰ ওপৰত নিৰ্ভৰ কৰে। Suppose এটা কাম তেওঁ দহ লাখৰ কৰিছে, কৰোবাত দুই কোটি কৰিছে। গতিকে দুই কোটি দহ লাখ হৈ গ'ল। গতিকে তেওঁ নিজৰ যিটো GST exemption limit এজন মানুহে পায় তাৰ তেওঁ ওপৰত গুচি গ'ল। সেই কাৰণে Construction Committee য়ে কৰিলে আমি এখন Notification আগত দি ৰাখিছো যে, যিহেতু MLA Fund maximum 5 lakh rupees, 10 lakh rupees হয়, সেইখিনি within exempted amount। গতিকে Construction Committee য়ে GST দিব নালাগে। কিন্তু চিমেণ্ট, ইটা, বালি কিনোতে যিটো GST কাটি ৰাখিব লাগে, তেওঁলোকে কাটি ৰাখিব। কিন্তু কণ্ট্ৰেকটৰ সকলে যদি কাম কৰে, তেওঁলোকৰ যিটো GST কাটি ৰাখে, সেইটো তেওঁলোকে Set of file যেতিয়া ফাইনেল বছৰত তেওঁলোকে GST Return দিয়ে। গতিকে সেইটো অলপ complicated কথা। কিন্তু আমি Construction Committee ৰ through দি কৰিলে সেইটো exemption limit ৰ ভিতৰত থাকিলে GST দিব নালাগে। Government Contract য়ে Contractor কৰিলে otherwise 12% GST দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো। ''The Assam Goods and Services Tax (Amendment) Bill 2020'' be taken into consideration. যিসকলে সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে , প্ৰস্তাৱটো গৃহীত হৈছে বুলি মই ঘোষণা কৰিলো। এতিয়া বিধেয়কখনৰ ২ নংৰ পৰা ১৫ নং দফাকেইটাত সংশোধনী প্ৰস্তাৱ নাই। মই বিধেয়কখনৰ এই দফা কেইটা বিধেয়কখনৰ অংশ হ'ব বুলি ঘোষণা কৰিছো। এতিয়া যিসকল সদস্য/ সদস্যা ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, গতিকে ২ নংৰ পৰা ১৫ নং দফা কেইটা বিধেয়কখনৰ অংশ হৈছে বুলি হৈছে বুলি মই পুনৰ ঘোষণা কৰিলো। এতিয়া বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হৈছে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকলে ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। এতিয়া মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Goods and Services Tax (Amendment) Bill, 2020' পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনৰ অনুমোদনৰ বাবে উত্থাপন কৰিছো। 'The Assam

Goods and Services Tax (Amendment) Bill, 2020' be passed. যিসকলে ইয়াৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপেক্ষে , 'হয়ৰ' সপেক্ষে, 'হয়ৰ' সপেক্ষে, প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়কখনো পাৰিত কৰা হ'ল বুলি ঘোষণা কৰিলো।

Item No. 7. ''The Assam Fiscal Responsibility and Budget Management (Amendment) Bill 2020'', ইয়াত আমাৰ এটা সংশোধনী দিছে, আপোনালোকে সংশোধনী Clause আহিবৰ সময়তো ক'ব পাৰে আৰু আগতে consideration stage তো কৈ দিয়ে, তেতিয়া আমি একেলগে সেইটো সামৰিব পাৰো। আপোনালোকে যিটো ভাৱে AIUDF পৰা। কাৰ্য্যসূচী ৭ নং (ক) যিখন বিধেয়ক আমি উত্থাপন কৰিম, তাৰ কাৰণে ৰাজ্যপাল মহোদয়ে এটা বাণী দিছে মই বাণীটো পাঠ কৰি দিছো-

Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that ''The Assam Fiscal Responsibility and Budget Management (Amendment) Bill 2020'', be taken into consideration by the Assam Legislative Assembly. বিত্তমন্ত্ৰী ডাঙৰীয়াই বিলখন সদনত উত্থাপন কৰিব বিবেচনাৰ বাবে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় বিত্ত মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, ''The Assam Fiscal Responsibility and Budget Management (Amendment) Bill 2020'', বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**শ্ৰী আমিনুল ইছলাম, ধিংঃ** Hon'ble Speaker, I beg to move in sub clause B of clause 2 of the proposed bill the figure and symbol 2.5% appearing in the last line shall be substituted by 2%. অধ্যক্ষ মহোদয়, আমি Amendment টো এইকাৰণেই আনিছিলো যে আমাৰ যিটো FRBM Act মতে আৰু নীতি আয়োগৰ সিদ্ধান্ত মৰ্মে আমাৰ ৰাজ্যত Total revenue ত কিমান percent আমি Borrow কৰিব পাৰো, লোন লব পাৰো তাতকৈ এতিয়া pandemic ৰ কাৰণ দেখুৱাই আৰু 2.5% extra Borrow কৰা যিটো প্ৰস্তাৱ অনা হৈছে আমি ভাৱো যে আমাৰ ৰাজ্য healthy financial economic ৰ কাৰণে খুব বেছিকৈ Borrow কৰো ধাৰৰ পৰিমাণটো বাঢ়ি যাব, আমাৰ জনমুৰি যিটো ঋণ এইটো বাঢ়ি যাব গতিকে ইমান বেছি ধাৰ আগলৈকে সেইটো with interest ৰাইজৰ কথাও আছে। অলপ লিমিটৰ ভিতৰত ধাৰটো হওঁক যাতে আমাৰ ভৱিষ্যত প্ৰজন্মৰ ওপৰত খুব বেছি ঋণৰ বোজা নাথাকে। সেই কাৰণে 2.5% extra নধৰি, 2% লৈকে কৰাৰ আমি প্ৰস্তাৱ দিছো।

**মাননীয় অধ্যক্ষ ঃ** তেখেতৰ Amendment আছিল, আপুনি যদি আগতে কৈ দিয়ে, তেতিয়া আমি Amendment টো withdraw কৰিব পাৰিম।

**ড° হিমন্ত বিশ্ব শৰ্মা (বিত্ত মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ FRBM Act মতে, আমি 3.5% of GSDP আমাৰ GDP হয়, GDP ৰ আমি 3.5% Borrow কৰিব পাৰো। তাতকৈ ওপৰত আমি Borrow কৰিব নোৱাৰো। এই বছৰ ভাৰত চৰকাৰে অকল এটা বছৰৰ কাৰণে এটা relaxation দিছিল যে আমি আৰু 2% additional borrowing কৰিব পাৰো for to mitigate basically যিটো stress fiscal situation হৈছে তাৰ

ভিত্তিত আমি 2% additional borrow কৰিব পাৰি। এই ধৰণে ভাৰত চৰকাৰে FRBM Act relax কৰাৰ কাৰণে ৰাজ্য সমূহক নিৰ্দেশ দিছিল। যদিও আমি এই 2% additional borrow কৰিব পাৰিম কিন্তু এই borrowing ৰ only 0.5% হে আমি actual borrow কৰিব পাৰিম বাকী গোটেই borrowing খিনি conditional আছে আৰু It is link reforms. যেনেকৈ One Nation One Ration Card এটা condition আছে। সেইটো যদি আমি সম্পূৰ্ণ কৰিব পাৰো With Adhaar তেতিয়া হ'লে আমি 0.25% borrowing পাম। ঠিক সেই ধৰণে ইলেকট্ৰিচিটিত কিছুমান reforms তেওঁলোকে দেখুৱাইছে আৰু Urban Development Department ক তেওঁলোকে কিছুমান reforms দেখুৱাইছে। এই গোটেইখিনি reforms complete কৰিব পাৰিলে আমি আৰু ডেৰ পাৰ্চেণ্ট borrowing পাম। এইধৰণে তেওঁলোকে conditional কৰিছে। Unconditional borrowing আমি মাত্ৰ 0.05 পাম। তাৰমানে 3.5% আছিল We will go up to 4%. এইটো হ'ল প্ৰথম স্কীম। যোৱা সাত দিনত এটা Development হৈছে যে যেতিয়া GST আইন পাচ কৰিছিল সেই সময়ত ভাৰত চৰকাৰে পাৰ্লিয়ামেণ্টত এটা সিদ্ধান্ত হৈছিল যে এটা বছৰত আগৰ বছৰৰ লগত ১৪ শতাংশ সংযোজন কৰি ৰাজ্যই যিখিনি GST ৰাজহ সংগ্ৰহ কৰিব লাগে তাতকৈ যদি কম সংগ্ৰহ হয় তেতিয়াহ'লে, State এ compensation পাব। কিন্তু যেতিয়া পাৰ্লিয়ামেণ্টত আইনখন পাচ হৈছিল তেতিয়া এটা শব্দ লিখি ৰাখিছিল যে, সেই compensation টো ভাৰত চৰকাৰে নিদিয়ে। সেই compensation টো GST Council য়ে decide কৰিব কেনেকৈ compensation টো raise কৰিব। Basically meaning there by যে additional imposed কৰি compensation raise কৰিব। আমি compensation safe যিখিনি পাওঁ সেইখিনি দি 96 thousand crore এইবাৰ আহিব বা Against that State ৰ Collective loss হ'ব 3.5 lakh rupess. যোৱা তিনিদিন আগত GST Council ৰ meeting হৈছিলে আৰু GST Council ত এইটো একমত হৈছিলে যে আমি এতিয়া মানুহক নতুন Tax লগা ব নোৱাৰো। গতিকে বিকল্প কি হ'ব পাৰে? তেতিয়া এটা বিকল্প উলিয়ালে যে ভাৰত চৰকাৰে ৰাজ্য চৰকাৰ সমূহক অতিৰিক্ত ০.৫ শতাংশ ল'ব। তাৰমানে অসমৰ ক্ষেত্ৰত ৬ হাজাৰ কোটি টকা হ'ব যদি loss টো একেদৰে থাকে। কিন্তু আমাৰ যোৱা মাহৰ পৰা revenue টো বাঢ়িছে গতিকে অসমত হয়তো ইমানখিনি loss নহ'ব। মাৰ্চলৈকে গৈ গৈ আমি make up কৰিম। কিন্তু সেই loss খিনি ভাৰত চৰকাৰে ঋণ লোৱাৰ কাৰণে সুবিধা কৰি দিব আৰু সেই ঋণটো সুদেৰে সৈতে ভাৰত চৰকাৰে উভতাই দিব in a process of time. কিন্তু সেইটো State ৰ loan liability ৰ ভিতৰত counting কৰা নহয়। কাৰণ সেই loan টো ৰাজ্যই ল'ব আৰু on behalf of State Central, Government য়ে return কৰিব। যোৱাকালি দুটা option আহিছে যে অলপ কমকৈ ললে interest টো ভাৰত চৰকাৰে দিব আৰু যদি আমি সম্পূৰ্ণ লওঁ, ভাৰত চৰকাৰে অকল loan টো ঘুৰাই দিব, সুতটো নিদিয়ে। গতিকে যিটো ০.৫ শতাংশ additional আজি আমি আনিছো সেইটো আমাৰ ৰাজ্যৰ মূৰৰ ওপৰত নপৰে। সেইটো ভাৰত চৰকাৰেহে ওভতাই দিব। So on that understanding to realize the GST compansation amount আমি ২ শতাংশৰ ঠাইত ২.৫ শতাংশ আনিছো। কিন্তু effectively এই বছৰ আমি reform বোৰ কৰিব নোৱাৰো। গতিকে এইটো ০.৫ শতাংশ আমি পাম আৰু another ০.৫ শতাংশ পাম। তাৰমানে ৩.৫ শতাংশৰ ঠাইত ৪.৫ শতাংশ হ'ব

কাৰণ এই বছৰ election ৰ বছৰ, অসমত reform বিলাক emplement কৰা সম্ভৱ নহ'ব। এইটো আমি নতুন চৰকাৰলৈকে থৈ যাম। যাতে ভৱিষ্যতে তেওঁলোকে কৰিব পাৰে। গতিকে net borrowing will be against 3.5 or it may go to 4.5 as a pandemic year. অহা বছৰৰ পৰা It will be again 3.5. সেইকাৰণে some specific টো লিখা হৈছে যে It will be a relaxation for only one year. আগত আৰু পিছত নালাগে।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো জানি ভাল লাগিল যে যিটো limit লৈকে ৰাজ্য চৰকাৰে ললে কেন্দ্ৰীয় চৰকাৰে with interest return কৰিব সেইখিনি লৈকে ললে আমাৰ ৰাজ্যখনৰ কাৰণে ভাল। অধ্যক্ষ মহোদয়, মই এইটো এই কাৰণেই আনিছিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এইটো সময়ত withdraw কৰি ল'ব। এতিয়া আমি consideration হে আছিলো। যেতিয়া আপোনাক কম তেতিয়া আপুনি withdraw কৰি লোৱা বুলি ক'ব। এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিব বিচাৰিছো।

The Assam Fiscal Responsibility and Budget Management (Amendment) Bill, 2020 be taken into consideration. যিসকল সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হৈছে বুলি ঘোষণা কৰিলো।

এতিয়া ২ নং দফাত যিটো সংশোধনী আছে সেইটো আপোনালোকে প্ৰত্যাহাৰ কৰা বুলি মই ঘোষণা কৰিব পাৰোনে?

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো কথা মাননীয় মন্ত্ৰী মহোদয়ে ক'লে আমি ভাৱিছিলো যে পৰৱৰ্তী সময়ত ধাৰটো বেছি হলে আমি বিপদত পৰিম। সেয়েহে আমি এইটো আনিছিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সংশোধনীটো প্ৰত্যাহাৰ কৰাৰ বাবে নিশ্চয় সদনৰ সন্মতি আছে। গতিকে এইটো প্ৰত্যাহাৰ কৰা হৈছে বুলি মই ঘোষণা কৰিলো। এতিয়া দফা নং ২ বিধেয়কৰ অংশ হ'ব। যিসকল সদস্য-সদস্যা ২ নং দফাটোৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে ২ নং দফাটো বিধেয়কৰ অংশ হৈছে।

বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণিত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে মই প্ৰশ্নটো উত্থাপন কৰিছো যে বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ব। যিসকল সদস্য-সদস্যা ১ নং দফাটোৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল।

এতিয়া মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Fiscal Responsibility and Budget Management (Amendment) Bill, 2020 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্নটো হৈছে The Assam Fiscal Responsibility and

Budget Management (Amendment) Bill, 2020 be passed. যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৰো 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে প্ৰস্তাৱ পাৰিত কৰা হৈছে আৰু বিধেয়কখনো পাৰিত কৰা হৈছে বুলি মই ঘোষণা কৰিলো।

এতিয়া কাৰ্য্যসূচী নং ৮-বীৰাঙ্গণা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় বিল ২০২০। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্তাপন কৰিবলৈ এটা বাণী দিছে। মই কৈ গৈছো- Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that " the Birangana Sati Sadhini Rajyik Vishwavidyalaya Bill, 2020" be taken into consideration by the Assam Legislative Assembly.

এতি য়া মই মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক বীৰাঙ্গণা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় বিল,২০২০ খন সদনত উত্থাপন কৰিবলৈ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধেয়কখন উত্তাপন কৰাৰ আগতে মই ১ মিনিট সময় আপোনাৰ পৰা ল'ব বিচাৰিছো। আমি সকলোৱে জানো যে যেতিয়া আমাৰ বগীবিল দলংখন নিৰ্মাণ হৈছিল সেই সময়ত অসমৰ বহু ৰাইজৰ এইটো দাবী আছিলে যে এই দলংখন সতী সাধনীৰ নামত নামাকৰণ কৰিব লাগে। কিন্তু সময়ত বগীবিল নামটোৱে এনেভাৱে জনপ্ৰিয় হৈ উঠিলে যে এইটো এটা জনশ্ৰুতিত পৰিণত হ'ল। তাৰ ফলত বগীবিল দলংৰ নামাকৰণৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ থাকিলে আৰু সেই সময়ছোৱাতে আমি চুতীয়া জাতিৰ বিভিন্ন সংগঠনৰ লগত আলোচনা কৰিছো যে বীৰাঙ্গণা সতী সাধনীৰ নামটোক আমি কেনেকৈ অসমৰ নৱ প্ৰজন্মৰ বাবে তেখেতৰ যি সাহস তাক কেনেকৈ সদায়ে আমাৰ মনত ধৰি ৰাখিব পাৰো। তেওঁলোকৰ লগত বহুখিনি আলোচনা হোৱাৰ পাছত এটা সিদ্ধান্ত হৈছিল যে বীৰাঙ্গণা সতী সাধনীৰ নামত আমি এখন ৰাজ্যিক বিশ্ববিদ্যালয় স্থাপন কৰিম। তেখেতসকলে পৰামৰ্শ দিছিলে যে গোলাঘাট বীৰাঙ্গণা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়খন স্থাপন কৰিব লাগে। আমি সকলোৱে জানো যে গোলাঘাট অসমৰ এখন উল্লেখযোগ্য জিলা, বিভিন্ন সম্পদেৰে পৰিপূৰ্ণ। তাত বহুত বেছি একাডেমিক institution নাছিলে। আমাৰ চৰকাৰৰ দিনতে গোলাঘাটত Engineering College এখন প্ৰতিষ্ঠা কৰা হ'ল আৰু আজি আমি এই বীৰাঙ্গণা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় খনো গোলাঘাটত স্থাপন কৰাৰ বাবে প্ৰস্তাৱ আনিছো। ইয়াত এটা উল্লেখনীয় দিশ আছে যে National Education Policy ৰূপায়ণ কৰাৰ পাছত এইখনেই আমাৰ প্ৰথম ৰাজ্যিক বিশ্ববিদ্যালয় । গতিকে ইয়াৰ curriculm বিলাক যাতে multi disciplinary হয়, সেইটো আমি বিচাৰো। তাৰমানে Arts, Science, Commerce এনেকৈ নহৈ এজন লৰাই যদি Political Science আৰু Biology দুয়োটাই পঢ়িব খোজে বা এজন লৰাই যদি Physics আৰু Economics পঢ়িব খোজে, অৰ্থ্যাৎ যিটো multi disciplinary approach সেই approach টোৰ অধীনত National Education Policy আগত ৰাখি আমি ইয়াৰ course আৰু curriculm বিলাক বনাবৰ বাবে সিদ্ধান্ত লৈছো।

গতিকে মই ভাৰো আজিৰ এই " বীৰাঙ্গণা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়, ২০২০ বিল"খন সদনৰ অনুমোদন কৰি অসমৰ জাতীয় জীৱনৰ এগৰাকী অতি প্ৰাত স্মৰণীয় বীৰাঙ্গণা সতী সাধনীক সন্মান কৰা হ'ব আৰু এই ক্ষেত্ৰত মই সদনৰ সহযোগীতা বিচাৰি বীৰাঙ্গণা সতী

সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আইন খন পবিত্ৰ সদনত উত্থাপন কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, “ বীৰাঙ্গণা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় বিল, ২০২০” খন বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত আগবঢ়াই দিছো। " the Birangana Sati Sadhani Rajyik Vishwavidyalaya Bill, 2020"be taken into consideration .যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো ‘হয়’ৰ সাপেক্ষে, ‘হয়’ৰ সাপেক্ষে, ‘হয়’ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হৈছে।

বিধেয়কৰ কোনো এটা দফাত সংশোধনী প্ৰস্তাৱ নাই ২ ৰ পৰা ৫৩ লৈ। গতিকে মই প্ৰশ্নটো উত্থাপন কৰিছো -যে বিধেয়কৰ ২ ৰ পৰা ৫৩ নং দফা কেইটা বিধেয়ক খনৰ অংশ হ’ব। যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো ‘হয়’ৰ সাপেক্ষে, ‘হয়’ৰ সাপেক্ষে, ‘হয়’ৰ সাপেক্ষে ২ ৰ পৰা ৫৩ নং দফা কেইটা বিধেয়ক খনৰ অংশ হ’ল বুলি মই ঘোষণা কৰিলো।

বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে মই প্ৰশ্নটো উত্থাপন কৰিছো যে বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ’ব। যিসকল সদস্য-সদস্যা ১ নং দফাটোৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো ‘হয়’ৰ সাপেক্ষে, ‘হয়’ৰ সাপেক্ষে, ‘হয়’ৰ সাপেক্ষে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ’ল।

এতিয়া মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, “বীৰাঙ্গণা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় বিল, ২০২০” পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনৰ অনুমোদনৰ বাবে উত্থাপন কৰিলো। প্ৰশ্নটো হৈছে " the Birangana Sati Sadhani Rajyik Vishwavidyalaya Bill, 2020" be be passed. যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো ‘হয়’ৰ সাপেক্ষে, ‘হয়’ৰ সাপেক্ষে, ‘হয়’ৰ সাপেক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু এই বিধেয়ক খনো পাৰিত কৰা হৈছে বুলি মই ঘোষণা কৰিলো।

এটা কথা শুনি শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ পৰা শুনি ভাল লাগিলে যে আগতে আমি বিদেশলৈ গলে দেখো যে এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে Biology ও পঢ়ে আৰু একেলগে Business Management ও পঢ়ে। এতিয়া আমাৰ দেশতো এইটো আহিলে। এই Multi disciplinary Institute টো আমাৰ প্ৰথম Institute হ’ব। সতী সাধিনীৰ নামতো হ’ব লগতে আৰু এটা নতুন দিশ শিক্ষা বিভাগত মুকলি কৰিব এই অনুষ্ঠানটোৱে। সেই কাৰণে শুনি ভাল লাগিলে যিটো এটা সময়ত আমি আচহুৱা বুলি ভাৱিছিলো।

এতিয়া Item No. 9 “The Assam College Employees (Provincilisation) (Amendment) Bill, 2020”. ৰাজভৱনৰ পৰা বিধেয়কখন সদনত

বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ এটা বাণী দিছে। মই কৈ গৈছো- Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that " The Assam College Employees (Provincilisation) (Amendment) Bill, 2020" be taken into consideration by the Assam Legislative Assembly.

এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam College Employees (Provincilisation) (Amendment) Bill, 2020." বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হৈছে "The Assam College Employees (Provincilisation) (Amendment) Bill, 2020." be taken into consideration. যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে বুলি মই ঘোষণা কৰিলো।

বিধেয়কৰ ২ নং দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে বিধেয়কৰ ২ নং দফা টো বিধেয়কৰ অংশ হ'ব। যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিলো। **১২ঃ১৮।** ------

বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত উত্থাপন কৰিছো। প্ৰশ্নটো হৈছে এই গোটেইকেইটা বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

এতিয়া মই শিক্ষা মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবৰ কাৰণে অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Government College Employees (Provincilisation) (Amendment) Bill, 2020." পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনৰ অনুমোদনৰ বাবে উত্থাপন কৰিছো। "The Assam College Employees (Provincilisation) (Amendment) Bill, 2020." be passed.যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়কখনো পাৰিত কৰা হ'ল বুলি মই ঘোষণা কৰিলো।

এতিয়া আমাৰ শেষৰ খন বিল। কাইলৈ আমাৰ কেইবাখনো আছে কিন্তু আজি এইখন শেষ কৰিছো। "The Assam Heritage (Tangible) Protection, Preservation, Conservation and Maintenance Bill, 2020.ৰাজভৱনৰ পৰা বিধেয়কখন

সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবৰ বাবে এটা বাণী দিছে। মই পঢ়ি দিছো- Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that "The Assam College Employees (Provincilisation) (Amendment) Bill, 2020" be taken into consideration by the Assam Legislative Assembly.

মই মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰীক বিলখনৰ বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিলখন উত্থাপন কৰিবলৈ অনুমতি দিছে, এইখন শেষ বিল। তাৰ আগতে মই অকণমান ক'ব বিচাৰিছো। এইখন এখন অতি গুৰুত্ব পূৰ্ণ বিল যিখন এইবাৰ আমাৰ পবিত্ৰ সদনত অনা হৈছে। যিখিনি আমাৰ heritage তাৰ ভিতৰত Tangible heritage খিনি যাতে আমি স্পৰ্শ কৰিব পাৰো। এই Tangible Heritage ৰ ভিতৰত সত্ৰ, Monasteries, নামঘৰ, মছজিদ, দৰগাহ, গীৰ্জা এইখিনিতো আছে তাৰ লগতে socio cultural যিবিলাক institute, habitation, structural architecture এই গোটেইখিনি বিষয় সামৰি লোৱা হ'ব। এই আইনখন প্ৰযোজ্য হোৱাৰ ৭৫ বছৰৰ আগৰ এইধৰণৰ heritage সমূহ আমি সংৰক্ষণ কৰাৰ কথা ঠিক কৰিছো। এই ক্ষেত্ৰত আৰু এটা কথা উল্লেখ কৰিব লাগিব, সেইটো হৈছে আমি বিলখনত সম্পূৰ্ণভাৱে উল্লেখ কৰিছো যে অসম চুক্তিৰ ৬ নং দফা মৰ্মে যি administrative approval বা heritage ৰ ক্ষেত্ৰত যিখিনি legislature যিকেইটা কথা আছিল, এই যিখিনি safeguard এই safeguard ৰ ভিতৰত clause 6 ৰ মতে এই বিলখন আমি আনিছো।

গতিকে এই ক্ষেত্ৰত মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়া ইয়াত উপস্থিত আছে আৰু তেখেতে এই ক্ষেত্ৰত বিশেষ ভূমিকা লৈছে। গতিকে এইক্ষেত্ৰত আমাৰ চৰকাৰ তথা কেবিনেটে এখন উল্লেখযোগ্য বিল প্ৰথমবাৰৰ কাৰণে সদনৰ মজিয়ালৈ আনিছে। এতিয়া মই আনুষ্ঠানিকভাৱে এইখন উত্থাপন কৰিব বিচাৰিছো। সেইটো হৈছে- "The Assam Heritage (Tangible) Protection, Preservation, Conservation and Maintenance Bill,2020" বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিব বিচাৰিছো। প্ৰস্তাৱটো হৈছে "The Assam Heritage (Tangible) Protection, Preservation, Conservation and Maintenance Bill, 2020 " be taken into consideration. যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল বুলি মই ঘোষণা কৰিলো।

বিধেয়কৰ ২ ৰ পৰা ৯ নং দফা কেইটাত কোনো সংশোধনী প্ৰস্তাৱ নাই। মই গোটেই কেইটা দফা বিধেয়কৰ অংশ হ'ব বুলি ক'ব বিচাৰিছো। যিসকল ইয়াৰ সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে কওক নহয়। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২ ৰ পৰা ৯ নং দফা কেইটা বিধেয়কৰ অংশ হ'ল বুলি ঘোষণা কৰিলো।

বিধেয়কৰ ১০ নং দফাত মাননীয় সদস্য হাফিচ বচিৰ আহমেদ আৰু শ্ৰী আমিনুল ইছলামৰ নামত এটা সংশোধনী আছে, আপোনালোকে এইটো উত্থাপন কৰিবনে? যদি কৰে তাৰ

ওপৰত ক'বলৈ অনুৰোধ কৰিছো।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** माননীয় অধ্যক্ষ মহোদয়, এইটো আমাৰ এটা অতি সহজ সৰল amendment. I beg to move that after Sub Clause 9 of clause 10 of the proposed Bill, the follwing Sub Clause shall be inserted as 10. All the Sub Clauses under the Sub Division.তাৰমানে District Heritage Committee যিখন গঠণ কৰাৰ কথা ইয়াত কোৱা হৈছে , ইয়াত Deputy Commissioner তাৰ লগতে ADC, District Agriculture Officer এনেকৈ দিয়া হৈছে। মই ভাৱো এই কমিটিখনত Circle Officer সকল থকাটো ভাল যিহেতু এটা particular circle ত গোটেই revenue বিলাকৰ বিষয়ে তেওঁলোকে ভালকৈ জানে।

**माননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতসকলে যিটো সংশোধনী আনিছে এই সংশোধনীটো আমি গ্ৰহণ কৰিছো। ইয়াত দুখন nodal সমিতি আছে Deputy Commissioner under ত আৰু এখন Sub Division Nodal Committee আছে Civil Sub Division ৰ under ত। গতিকে দুইখন সমিতিতে Circle Officer সকলো Member হ'ব।

**माননীয় অধ্যক্ষ ঃ** এইটো একচেপ্ত কৰিছে আৰু সোমোৱাই দিছে। ধন্যবাদ।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** কিন্তু মই লগত এটা কথা আপোনাক ক'ব লাগিব তেওঁলোকে এইটো চাবক্লজ ১০ হিচাবে সংযোজন হ'ব লাগে বুলি কৈছে কিন্তু আমাৰ যিখন আইনৰ ফৰ্ম তাত চাবক্লজ ১০ ত আমি হিস্ত্ৰী আৰু এনথ্ৰপ'লজী এইখিনি ৰাখিছিলো। গতিকে যিটো ৯ চাবক্লজ সেইটো ১০ হ'ব আৰু ৮ টো ৯ হিচাবে থাকিব। After sub-clause 8 of the section 8(1) a new clause may be included as sub-clause 9 and the original sub-clause 9 may be renumbered as clause 10.

**माননীয় অধ্যক্ষ ঃ** এইটো হৈ গ'ল গতিকে মই এইটো প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিছো। এতিয়া সংসদৰ সন্মতি সাপেক্ষে সংশোধনী প্ৰত্যাহাৰ হৈছে। এতিয়া বিধেয়কৰ ১০ ৰ পৰা ৩১ নম্বৰলৈ আটাইকেইটা দফা বিধেয়কৰ অংশ হ'ব। তাত মাত্ৰ এটা সংশোধনী আছে সেইটো কৰি ল'ব পাৰিব। যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে ১১ ৰ পৰা ৩১ নং দফা কেইটা আংশিক সংশোধনীৰ সৈতে বিধেয়কৰ অংশ হ'ল বুলি মই ঘোষণা কৰিলো। বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। গতিকে মই ক'ব বিচাৰিছো যে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ব।

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হৈছে। মই এতিয়া মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, " The Assam Heritage (Tan-

gible) Protection, Preservation, Conservation and Maintenance Bill, 2020" মই সদনত পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে , " The Assam Heritage (Tangible) Protection, Preservation, Conservation and Maintenance Bill 2020" be passed.

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত সংশোধনী নহয় এটা কথা ক্লিয়াৰ হ'ব খুজিছো। ইয়াত ৪ নং ক্লজত লিখিছে যে - "All archeological sides and remains which have not been declared by or under law made by parliament to be of national importantance and which has not been declared by the State Government" এনেকুৱা কিছুমান কথা আছে। ঐতিহাসিক বাৰভূঞা পুখুৰী কেইটামান আছে য'ত মানুহে বেদখল কৰিব বিচাৰিছে কিন্তু মই ৰখাই আছো। এই বিষয়ে এচেম্বলীৰ উত্তৰত এইখিনি তথ্য নাই বুলি কৈছে।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ সকলো বিলাক ঐতিহাসিক স্থানৰ বিষয়ে ইয়াত সোমাব লাগে। এইখিনি মন্ত্ৰী মহোদয়ে পিছত চাব। এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত উত্থাপন কৰিছো - "The Assam Heritage (Tangible) Protection, Preservation, Conservation and Maintenance Bill 2020" be passed.

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে

প্ৰস্তাৱটো পাৰিত হৈছে, বিধেয়কখন ও পাৰিত হৈছে বুলি মই ঘোষণা কৰিলো।

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই সম্পৰ্কত এটা সৰু বিবৃতি দিব বুলি কৈছে। তেখেতক মই বিবৃতি দিবলৈ অনুৰোধ কৰিলো।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি এই অধিবেশনত শিক্ষামন্ত্ৰী ড. হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই 'সতী-সাধিনী' ৰাজ্যিক বিশ্ববিদ্যালয়' বিলখন উপস্থাপন কৰিলে আৰু আপোনালোক সদনৰ প্ৰত্যেক গৰাকী মাননীয় বিধায়কে এই বিলখনৰ সমৰ্থন জনালে তাৰবাবে মই প্ৰত্যেক গৰাকী বিধায়কক আন্তৰিকতাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছো লগতে অসম চুক্তিৰ ৬ নং দফাৰ যিটো মূল লক্ষ্য আৰু উদ্দেশ্য ইয়াক ৰক্ষা কৰাৰ নিমিত্তে আমাৰ বিভাগীয় মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াই যিখন বিল " The Assam Heritage (Tangible) Protection, Preservation, Conservation and Maintenance Bill 2020" উপস্থাপন কৰিলে এই বিলখনো আপোনালোক সকলোৰে সহযোগিতা আগবঢ়াই এই বিলখন গৃহীত কৰাত সহায় কৰিলে। আজি মই ভাৱো এই সদনে এই দুখন বিলৰ সন্দৰ্ভত যি ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিলে অসমৰ ৰাইজে এই কথা মনত ৰাখিব কাৰণ এই দুয়োখন বিলেই অসমৰ জাতীয় জীৱনৰ স্বাভিমান ৰক্ষা কৰাৰ ক্ষেত্ৰত ই এটা উল্লেখযোগ্য ভূমিকা পালন কৰে। আমি সদায় অসমীয়া জাতিৰ অস্বিত্বৰ কথা কৈ আহিছো। মাটি-ভেঁটি, কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য, ঐতিহ্য ৰক্ষা কৰি অসমৰ জাতীয় অস্তিত্ব ৰক্ষা কৰাৰ যি সংকল্প এই সদনে গ্ৰহণ কৰি আহিছে আজি সেই সংকল্প সম্পূৰ্ণ কৰাৰ দিশত দুয়োখন বিলে আগন্তুক দিনত উল্লেখযোগ্য ভূমিকা পালন কৰিব। সেইবাবে মই পুনৰবাৰ

প্ৰত্যেকগৰাকী বিধায়ককে আন্তৰিকতাৰে ধন্যবাদ জনাইছো আৰু মাননীয় অধ্যক্ষ ডাঙৰীয়া আপুনিও এইক্ষেত্ৰত যিখিনি শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে যিহেতু আপোনাৰ অধ্যক্ষতাত এইখিনি কাম সম্পূৰ্ণ হৈছে তাৰবাবে মই আপোনাক বিশেষভাৱে ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ মুখ্যমন্ত্ৰী ডাঙৰীয়া। এতিয়া কাইলৈ ও আমাৰ কেইবাখনো বিল আছে আৰু আমি কাইলৈ ও বিলেৰে আৰম্ভ কৰিম। আপোনালোকে লিষ্ট বিলাক পাই যাব আৰু যিসকলৰ সংশোধনী আছে তেওঁলোক সোনকালে আহিলে ভাল হয়।

**এতিয়া সদন কাইলৈ ৰাতিপুৱা ০৯ঃ৩০ বজালৈকে স্থগিত থাকিব বুলি মই ঘোষণা কৰিছো।**